# কাঁনৈয়ান

ডি.হ.সু.কা. মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৬০ তম্ প্ৰকাশ, ২০০৮-০৯ বৰ্ষ



সম্পাদক


শ্ৰী [illegible] বৰুৱা


INAUGURATOR
PRESIDENT

# কানৈয়ান ০৯

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আলোচনী

## ৬০তম্ প্ৰকাশ, ২০০৮-০৯




প্ৰতি,

শ্ৰদ্ধাৰ নিবেদা দত্ত বাইদেউলৈ ..............................

..............................

**KANOIAN** : The 60th Annual Journal of D.H.S.K. College of the session 2008-09, edited by **Bibhuti Bhushan Baruah** : Published by D.H.S.K. College Students' Union Society and Printed at **AC Computer Networld**, Dibrugarh University Market Complex, Dibrugarh.

# সম্পাদনা সমিতি

তত্ত্বাৱধায়ক অধ্যাপক ঃ
ড° ভাৰতী দত্ত

সম্পাদক ঃ
বিভূতি ভূষণ বৰুৱা

উপদেষ্টা ঃ
ড° ঊষাৰাণী বৰুৱা
শ্ৰীযুক্তা ৰূপালীম বৰঠাকুৰ

সদস্য-সদস্যা ঃ
নয়নমনি সোনোৱাল
কৃষ্ণ নাৰায়ণ বৰুৱা
দীপক গগৈ
জাহ্নৱী সোনোৱাল
মনিকা গগৈ

বেটুপাত ঃ
বিভূতি ভূষণ বৰুৱা

অলংকৰণ ঃ
বিভূতি ভূষণ বৰুৱা

অংগসজ্জা ঃ
বাবা গগৈ
বিভূতি ভূষণ বৰুৱা

ডি.টি.পি. ঃ
বাবা গগৈ
অঞ্জন চেতিয়া
জিতু সিং দাস
কমল গগৈ

মুদ্ৰণ ঃ
এ.চি. কম্পিউটাৰ নেট্‌ৱৰ্ল্ড (এ.চি.চি.এন.প্ৰিণ্ট)
ডিব্ৰুগড় বিশ্ববিদ্যালয় মাৰ্কেট কমপ্লেক্স
দূৰভাষ ঃ ৯৯৫৭০৪৫৫২৭

# কৃতজ্ঞতা

## যিসকলৰ ওচৰত আমি চিৰ কৃতজ্ঞ . . .

মাননীয় অধ্যক্ষ ড° জয়কৃষ্ণ মহন্ত
বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়া
বিশিষ্ট সাহিত্যিক ইমৰাণ শ্বাহ
প্ৰাক্তন কানৈয়ান দেৱীপ্ৰসাদ খাউণ্ড
ড° ভাৰতী দত্ত বাইদেউ
ড° আতিকুদ্দিন আহমেদ ছাৰ
কৃষ্ণ নাৰায়ণ বৰুৱা
নয়নমনি সোনোৱাল
প্ৰণৱ ভাজনী
জ্ঞানমনি তুংখুঙীয়া



# আহ্বান

আহাঁ, আমি আমাৰ মানৱবৃক্ষৰ গুৰিটোত শিক্ষা-সংস্কৃতি, নৈতিকতা,

গভীৰ জীৱনবোধ, মানৱীয় প্ৰমূল্যবোধ আৰু সততাৰ সাৰ-পানী

ঢালি শুকাই যোৱা মানৱীয়তাৰ মূল শিপাডাল পুনৰ সজীৱ

কৰি তোলো যাতে বিশ্বায়নৰ ধুমুহাত মানৱবৃক্ষডাল


উভালি নপৰে আৰু আমিবোৰে মানুহ হৈ স্থিতি

বজাই ৰাখিব পাৰো আজিৰ পৰিৱৰ্তনশীল

সভ্যতাৰ ধামখুমীয়াত ...

# তোৰণৰ আঁৰেদি

## শ্ৰদ্ধাঞ্জলি



- গীতিকাৰ, সুৰকাৰ ভবেন বৰঠাকুৰ
- সাংবাদিক, আজি কাকতৰ কাৰ্যবাহী সম্পাদক অনিল মজুমদাৰ
- অসমৰ ৰাজ্যপাল শিৱচৰণ মাথুৰ
- মাইকেল জেকছন
- বড়ো ভাষাৰ সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক কাতীন্দ্ৰ স্বৰ্গীয়াৰী
- ঔপন্যাসিক স্বৰ্ণ বৰা
- শিক্ষাবিদ, সাহিত্যিক গগন সোনোৱাল
- প্ৰাচ্যতত্ত্ববিদ, সাহিত্য-সমালোচক ড° মুকুন্দ মাধৱ শৰ্মা
- অসমৰ প্ৰথম মহিলা এ.চি.এছ. বিষয়া শুচিব্ৰতা ৰায়চৌধাৰী
- চিত্ৰশিল্পী হেমন্ত মিশ্ৰ
- গীতিকাৰ, সুৰকাৰ মহানন্দ মজিন্দাৰ বৰুৱা

— সম্পাদনা সমিতি

তুমি ভাবিছিলা "চ'তৰ শেষ দিনটোত পোৱাকৈ ঘৰলৈ যাম।<br>
গাঁৱৰ সীমাতেই আদৰিব চিৰা-খুন্দা শব্দই,<br>
নাকত আমনি দিবহি পিঠা পোৱাৰ গোন্ধে,<br>
মোৰ আগে আগে দীঘলতি-মাখিয়তিৰ ঠেঙুলি জোকাৰি জোকাৰি<br>
লৰা-ঢপৰাকৈ গৈ থাকিব কণ কণইঁতৰ এদল,<br>
ৰংদৈ জান পাওঁ কি নেপাওঁতেই মোৰ গাত অকস্মাতে লাগিবহি<br>
কিবা এজাউৰি-ঘূৰি চাই দেখিম-হাঁহি, কেৱল খিলখিল হাঁহি,<br>
মনেশ্বৰ, মৃদুল, সৰুপোনা, কণভনীইঁত-হাতৰ খৰাহিত সেয়া<br>
লাও, বেঙেনা, হালধি, ঠেকেৰা -<br>
পদূলি মুখতে দৌৰি আহি পোনাটি কোলাত উঠিবহি<br>
দুখোজ আগবাঢ়ি দেউতাই জোৰকৈ ল'বহি মোৰ বোজাটো<br>
ভঁৰালৰ মুখত ন-পঘা গুণিয়াই থকা ভাইটোৱে কব ঃ<br>
"ককাইদেউ, পুৱাতে পালিহি।"<br>
গোসাঁই ঘৰৰ মজিয়া আধা মচিয়েই ওলাই আহিব আই<br>
পুখুৰীৰ পাৰত মাহ-হালধি বাটি থকা ভনীজনীক দিমগৈ চমক<br>
আৰু মোৰ মনোৰমা। আখলত বন্দী লাজ লাজকৈ আহিব ওলাই<br>
হাতত এবাটি গাখীৰ, আৰু তিলৰ লাড়ু। শব্দ হেৰাই যাব।<br>
মৌনতাৰে কথা পাতিম। তাৰপিছত তাই কব ঃ<br>
"দেউতাই পোনাকণৰ নাম দিছে অমৰ"

তুমি নাহিলা। তুমি আৰু নাহাঁ।<br>
চতৰ শেষত তুমি আৰু নাহাঁ। মাঘৰ দোমাহীত তুমি আৰু নাহাঁ।<br>
ভাদত গুৰুজনাৰ তিথিত তুমি আৰু নাহাঁ।

আমাৰ বাবে তুমি জীৱন দিলা;<br>
হে পৰন্তপ। হে ছহিদ।<br>
তোমাৰ পবিত্ৰ বেদীত থাপিছোঁ আমাৰ বুকু ভাঙি বৈ অহা<br>
দুধাৰি চকুলো!!

(সম্পাদকৰ সংগ্ৰহ)

# NAGEN SAIKIA

**Ex-Member of Parliament**
**Formerly Bezbaroa Professor of Dibrugarh University**
**Pin - 786 003, e-mail nagensaikia@yahoo.co.in**
**Ph. : (0373) 2318796, Mobile : 94350 30340**


Ref. No. Date :

## শুভেচ্ছা-সম্ভাষণ

ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ কলেজৰ বহুৰঙী মুখপত্ৰ 'কানৈয়ন'ৰ চলিত বছৰৰ সংখ্যাটি প্ৰকাশৰ বাবে প্ৰস্তুতি চলাৰ খবৰ জানিব পাৰি আনন্দ পাইছোঁ। আমাৰ স্কুল-কলেজৰ এনে আলোচনীবিলাকে লেখক ছাত্ৰ-ছাত্ৰী সকলৰ বাবে লেখকৰ থলি মুকলি।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশে মানুহৰ সমাজ আৰু সংস্কৃতিত অভাৱনীয় পৰিৱৰ্তন সাধন কৰিছে। ফলত জ্ঞানৰ বিস্ফোৰণ ঘটিছে। শিক্ষাই লাভ কৰিছে নতুন নতুন মাত্ৰা। ছাত্ৰ-ছাত্ৰীসকল নতুন নতুন বিষয়ৰ লগত মুখামুখি হৈছে। মই আশা কৰিছোঁ কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এই পটভূমিত লাভ কৰা জ্ঞান আৰু অভিজ্ঞতাৰ, সৃষ্টিশীলতাৰ চিন্তা কল্পনা আৰু অনুভৱৰ স্বাক্ষৰ বহন কৰি কানৈয়ন সমৃদ্ধ হৈ প্ৰকাশিত হ'ব। তদুপৰি, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চিন্তা আৰু জ্ঞানৰ দিক্-নিৰ্দেশনা বহনকাৰী লেখাই মুখপত্ৰখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিব।

এখনি সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশৰ কামত এই সাফল্যৰ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

নগেন শইকীয়া
২১ নৱেম্বৰ, ২০০৯

**Dr. J.K. Mahanta**
*Principal*
**DHSK College, Dibrugarh**

**Ref. No. :** ............................................ **Date :** ............................................

# শুভেচ্ছা বাণী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ কানৈয়ানৰ ৬০তম্ সংখ্যাটি প্ৰকাশ কৰিবলৈ ওলোৱাত মই অতিশয় আনন্দিত হৈছোঁ। উজনি অসমৰ বুঢ়ালুইতৰ পাৰৰ বৰ চহৰ এই ডিবুৰুগড়ৰ যিদৰে ভূপ্ৰাকৃতিক তথা ঐতিহাসিক গুৰুত্ব আছে সেইদৰে এই শিক্ষানুষ্ঠানৰো ঐতিহ্য তথা সমাজ-বৌদ্ধিক ভৱিষ্যৎ আছে। তেল-গেছ-কয়লাৰে অভ্যন্তৰখন ভৰি থকা এই অঞ্চলটোৰ বুকু ভৰি থকা সেউজীয়া চাহবাৰীবোৰে যিদৰে ইয়াৰ এটা চৰিত্ৰ বহন কৰিছে সেইদৰেই অতি দ্ৰুতগতিত এখন চিকিৎসা নগৰী (Medical Town) ৰূপে বিস্তৃতি লভা এই নগৰখনৰ আন আন চৰিত্ৰ কিছুমানো আছে।

তথ্য-প্ৰযুক্তিৰ এই অভাৱনীয় বিস্ফোৰণৰ যুগত আমাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভৌগোলিক অঞ্চলটোৰ ঐতিহ্যৰ প্ৰতি মনোযোগী হৈ বহিৰ্বিশ্বলৈ ভুমুকি মাৰিলে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে নিজে মূলোচ্ছিন্ন হোৱাৰপৰা ৰক্ষা পৰিব বুলি মই ভাবোঁ। একেদৰেই শাৰীৰিক-মানসিক অনেক শ্ৰমেৰে একালত এদল স্বপ্নদ্ৰষ্টা মানুহে গঢ়া এই শিক্ষানুষ্ঠানৰ ইতিহাস জানি তাৰ আধাৰত ইয়াক ভৱিষ্যৎ-জীৱনৰ সোপান হিচাপে ব্যৱহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মই আহ্বান জনাইছোঁ।

সাম্প্ৰতিক জগতত জ্ঞানেই সৰ্বনিয়ন্তা হৈ উঠিছে। সেইবুলি জ্ঞানৰ অন্বেষণ-যাত্ৰাত চৰিত্ৰ, নৈতিকতা আদিও সমানে মূল্যবান হৈ আছে। মই আশা কৰোঁ, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নৈতিক চৰিত্ৰ বজাই ৰাখি সুস্থ জ্ঞানাৰ্জনৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

কানৈয়ানৰ পাতত এই আটাইখিনি প্ৰতিফলিত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। ইতি

**অধ্যক্ষ**
**ডি.হ.সু. কানৈ মহাবিদ্যালয়**



Dr. Joy Krishna Mahanta (Principal)



A part-view of Teaching Staff



A part-view of Office Staff



Editorial Board of Kanoian (2008-09)



*Secretaries of the Students' Union (2008-09)*



*A view of Singing Competition, College Week 2008*



*A view of Cultural Competition, College Week 2008*

## OUR COLLEGE PRIDE



*Best Cadet of NER Directorate*



*State Level Weight Lifter*

# 'কাঁনৈয়ান'ৰ ষ্টপেজত ....

*সম্পাদকীয়* —


মধ্যমীয়া শ্ৰেণীৰ ছাত্ৰ সমাজৰ স্থিতাৱস্থাৰ চক্ষুৰে এক হৃদয়বিদাৰক আস্ফালন জীয়াই থকাৰ অস্তিত্ব বিচাৰি


## *চিন্তাৰ পৰিধি ভাঙি . . .*

প্ৰবন্ধ


| | | |
|---|---|---|
| ইয়েটচ্ ঃ এক অনন্য প্ৰতিভা | ১৩ | ড° জয়কৃষ্ণ মহন্ত |
| সাম্প্ৰতিক কালৰ অসমীয়া ভাষা | ১৬ | ঋপালীম ঠাকুৰ |
| **Value Education The** *Urgent Need of the Society* | ১৯ | *Dr. Bharati Dutta* |
| বৰ্তমান সমাজত এভুমুকি ঃ এক অনুভৱ | ২১ | নিপেন গোহাঁই |
| নৱ প্ৰজন্ম বনাম এক সংস্কৃতি এক সমীক্ষাত্মক আলোচনা | ২৩ | দীলাঞ্জনা দেৱী |
| Widespread Corruption and Its Impact in the Economy of India | ২৫ | Subhashish Gogoi |






প্ৰবন্ধ


| | | |
|---|---|---|
| বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ, চৰকাৰ, ৰাইজৰ লগতে গণ-সংগঠনৰ দায়িত্ব আৰু ভূমিকা | ২৭ | মিঠুন দাস |
| Indo-China Relation | ৩০ | Runjun Borah |
| পৰিবেশ সংৰক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা | ৩২ | পল্লৱজ্যোতি হাজৰিকা |
| A Pen Portrait of the Great Literary Figure Maximum Gorky | ৩৪ | Jerry Araf Borgohain |
| IS She Special | ৩৫ | Rupam Goswami |
| Enrico Fermi (1901-1954) | ৩৬ | Saumen Acharjee |
| Light Pen | ৩৬ | Tara Shah |
| Smile | ৩৭ | Punam Singh |
| Good News for all Smokers !! | ৩৮ | Rupam Goswami |
| বিশ্ব সন্ত্ৰাস | ৩৯ | পল্লৱজ্যোতি হাজৰিকা |
| The Essence of Moral Values in Education | ৪১ | Runjun Borah |
| D.H.S.K. My Second Home | ৪২ | Govind Borsaikia |




প্ৰবন্ধ

## *শব্দৰ ধাৰা বোৱাই . . .*




| | | |
|---|---|---|
| ষ্ট'ন মেন | ৪৪ | ৰিণ্টু চেতিয়া |
| সিদ্ধান্ত | ৪৬ | কুকিল ৰাজখোৱা |
| অসীমেই যাৰ সীমা | ৪৯ | প্ৰেমনাথ গগৈ |




গল্প

কানৈয়ান ২০০৮

## অনুভৱ কন্দৰে কন্দৰে . . .




- মোৰ পৃথিৱী — ৫২ — শ্যামলী চেতিয়া
- নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ কৰ্মশালাৰ – এক সুখময় অভিজ্ঞতা — ৫৪ — অভিলাষ বৰঠাকুৰ
- মোৰ দৃষ্টিত কানৈ মহাবিদ্যালয় ঃ কিছু অনুভৱ — ৫৫ — ভূৱনজ্যোতি বৰুৱা


অ নু ভ ৱ






- উজনি অসমত কলেজীয়া শিক্ষা (এক মধুৰ সোঁৱৰণ) — ৫৯ — দেৱী প্ৰসাদ খাউণ্ড
- সোণালী দিনৰ স্মৃতি — ৬০ — হাচান ছৰিফ আহমদ
- গোঁসানীৰ প্ৰেম — ৬২ — হাচান ইকবাল


## কবিতা




- জন্মভূমি — ৬৪ — চন্দন তালুকদাৰ
- দেশ প্ৰেমিক নে শতৰু — ৬৪ — প্ৰাণদ্বীপ গোস্বামী
- সূৰুযৰ সতে — ৬৫ — সুৰভি শইকীয়া
- এই দেশৰ জীয়াৰী মই — ৬৫ — পলিতা বৰগোহাঁই
- জীৱন মানে . . . — ৬৬ — দীপা দাস
- মোৰ জীৱন — ৬৬ — ৰঞ্জন গগৈ
- বাস্তৱ — ৬৭ — ৰতন মেছ
- সময় — ৬৭ — ধুনিতা মেধি
- যন্ত্ৰণা — ৬৮ — মিন্তু শইকীয়া
- বিচ্ছিন্ন স্বপ্ন — ৬৮ — প্ৰাঞ্জল প্ৰতীম শৰ্মা
- ভগ্ন পঁজা — ৬৯ — পোৰাল চন্দ্ৰ গগৈ
- হৃদয়স্পৰ্শী জোনাক — ৭০ — দিপশিখা বৰগোঁহাই
- তোক ভালপাওঁ বাবেই — ৭০ — বেদান্ত বিকাশ গগৈ
- মনত পৰে তোমালৈ — ৭১ — মাধুৰিমা হাজৰিকা
- কল্পনাবোৰ . . . হৃদয়বোৰ — ৭১ — পিকু গগৈ
- মৰ্মান্তিক — ৭২ — তিলক ডেকা
- নিসংগতাত — ৭২ — বিভূতি ভূষণ বৰুৱা
- তোমাৰ লগত এটি প্ৰেমৰ আবেলি — ৭৩ — সৌৰভ গাৰ্গ
- নীৰৱতাৰ স্বপ্ন — ৭৪ — জিতু গগৈ
- জোনাকী পৰুৱা — ৭৪ — হেমন্ত দাস
- মানুহৰ ভৱিষ্যত — ৭৫ — পৃথ্বিৰাজ গগৈ
- অৰ্থহীন জীৱন — ৭৫ — পোৰাল চন্দ্ৰ গগৈ
- ৰাতিৰ এন্ধাৰ আৰু সেই মুখ — ৭৬ — টিংকু প্ৰতীম গগৈ
- অৱষাদৰ এপৃষ্ঠা — ৭৬ — বিজয় চাংমাই
- Happiness — ৭৭ — Govind Borsaikia
- Quiet Words — ৭৭ — Jahnabee Sonowal
- The Ganges — ৭৮ — Himangshu Bailung
- First Meeting — ৭৮ — Monalisa Borthakur




## আত্ম শুদ্ধিৰ ঢৌ তুলি . . .


- অন্তৰংগ আলাপ ঃ ইমৰাণ শ্বাহৰ সৈতে — বিভূতি ভূষণ বৰুৱা — ৮০
- মহাবিদ্যালয়ৰ চোতালত — ৮৩
- মুকলি চিঠি - ১ — ৮৬
- মুকলি চিঠি - ২ — ৮৭
- মোৰ এবছৰীয়া কাৰ্য্যকালৰ আদিতম খোজটো দিছিলোঁ কেনেদৰে . . . — ৮৮




## সততাৰে মহীয়ান হওঁ আহা . . .


- কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৮-০৯ বৰ্ষৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন — ৯১
- যিসকল আজি আমাৰ গৌৰৱ . . . — ১০১
- তেতিয়াৰ পৰা এতিয়ালৈ কানৈ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষসকল — ১০৩
- বেলি লহিওৱাৰ ক্ষণত — ১০৪
- তেতিয়াৰ পৰা এতিয়ালৈ কানৈয়ানৰ সম্পাদকসকল — ১০৬

সম্পাদকীয়

# মধ্যমীয়া শ্ৰেণীৰ ছাত্ৰ সমাজৰ স্থিতাৱস্থাৰ চক্ষুৰে এক হৃদয়বিদাৰক আস্ফালন

## জীয়াই থকাৰ অস্তিত্ব বিচাৰি

এইয়া উত্তৰ আধুনিক যুগ। আদিমতা এৰি মানৱজাতি এতিয়া সভ্যতাৰ জোঁৱাৰত উঠিছে। সভ্যতাৰ আৰু সংস্কৃতিৰ সু-উচ্চ টিঙত আছে পশ্চিমীয়া সভ্যতা আৰু সংস্কৃতি। জগতবাসীৰ বৰ্তমানৰ ৰুচিবোধ, কৰ্মোদেশ্য, চিন্তাধাৰা, আচাৰ ব্যৱহাৰ, জীৱনপ্ৰণালী অনুকৰণ ইত্যাদি ইত্যাদিবোৰৰ মাপকাঠিৰে চাবলৈ গ'লে এটা জাতিয়ে উন্নত আৰু সভ্য বুলি আখ্যা পাবলৈ অগ্ৰসৰ হোৱাৰ দিশটো যেন পশ্চিমীয়া সভ্যতালৈ কৰা এক উন্মাদ যাত্ৰা। আমাৰ সমাজ বা জাতিও এই উন্মাদ যাত্ৰামুখী যদিও কথাষাৰৰ সম্পূৰ্ণ যুক্তিযুক্ততাৰ ওপৰত বিশ্লেষণৰ আৱশ্যকতা আছে। আমাৰ সমাজত পশ্চিমীয়া প্ৰভাৱ পৰিছে বোলা কথাষাৰ কবলৈহে ভাল হয় প্ৰকৃতাৰ্থত প্ৰভাৱটো আমাৰ নিজৰ ভিতৰৰ পৰাহে আহিছে। সমাজৰ টনকিয়ালচাম, যাৰ ক্ষমতা আছে সেই চামেহে চকু-কাণ মুদি দুৰ্বলচামৰ কান্ধত ভৰি দি নিজৰ মূলোচ্ছেদ কৰি উন্মাদ যাত্ৰা কৰিছে। 'যেন এখন অভাৱল'ডিং মালবাহী গাড়ীয়ে নীৰৱ নিশ্চুপ, সদাসহনশীল হাইৱেৰ বুকু খহাই, -কৰি যোৱা নিষ্ঠুৰ যাত্ৰা।' আমাৰ সমাজৰ হাইৱে সদৃশ মধ্যমীয়া শ্ৰেণীটোৱে মালবাহী গাড়ীসদৃশ টনকিয়াল চামৰ অবিৰাম নিষ্ঠুৰতা, আত্মকেন্দ্ৰিকতা, বৰ্বৰতাৰ ঘৰ্ষণ আৰু হেঁচাত তৎকালীন সমাজত নিজৰ স্থিতাৱস্থাৰ উন্নতি কৰোৱাৰ থল বিচাৰি নোপোৱা হৈছে। সঁচা অৰ্থত 'সমাজৰ আঁতধৰোতা এই কম মেধা সম্পন্ন শ্ৰেণী'টোৰ স্থিতি আৰু উন্নতিৰ অবিহনে আমাৰ সমাজ গাঁথনিটো জহি খহি যাব। সময় থাকোতেই আমিবোৰে এই জটিল সমস্যাটোৰ প্ৰতি কৰ্ণপাতৰ আৱশ্যকতা নুবুজি উদসীন হৈ থাকিলে পৰৱৰ্তী সময়ত এই মধ্যমীয়া শ্ৰেণীটোৰ উন্নতি হওক চাৰি এখোপ তললৈহে যাবগৈ আৰু যাৰফলত উত্তৰসুৰী চামটোৱে সমাজত নিজৰ অস্তিত্ব বিচাৰি হাবাথুৰি খাব লাগিব।

সাম্প্ৰতিক সময়ৰ বিশ্বায়নৰ যুগত মানুহ জাতিটোৰ মানৱীয়তা বিলুপ্তপ্ৰায়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা আৰু উন্নয়নৰ প্ৰতিযোগিতাত চেঁকুৰা জীৱশ্ৰেষ্ঠ মানুহ জাতিটো এতিয়া 'যান্ত্ৰিক ৰবট'ৰ এক নতুন প্ৰজাতি। পৃথিৱীৰ জীৱশ্ৰেষ্ঠ জাতিটোৱে ই যেতিয়া নিজৰ অস্তিত্ব হেৰুৱাৰ পথত, এইকথা নিশ্চিত যে পৃথিৱীৰ মোহনীয় প্ৰকৃতি আৰু বিচিত্ৰ জীৱজগতৰ বাবেই এক ভয়ংকৰ বিপদৰ সংকেত। বিজ্ঞানৰ গ্ৰাসত নিশ্চিহ্ন হবলৈ লোৱা আধুনিক পৃথিৱীত এতিয়া মানৱৰ সলনি জন্ম হয় আধুনিক যান্ত্ৰিক ৰবট সদৃশ মানৱৰ। এই যান্ত্ৰিক মানৱৰ জীৱনৰ উদ্দেশ্য হ'ল দ্ৰুতগতিৰে সকলোকে নেওচি ইমানেই আগলৈ যোৱা, য'ত অদ্বিতীয় হৈ অকলশৰে বিচৰণ কৰিব পাৰে। মানৱীয়তা নথকা বাবেই যান্ত্ৰিক মানৱে নিসংগতা, নিৰ্জনতা, দুঃখ-দৰদ, নৈতিকতা, মানৱীয় প্ৰমূল্য আৰু জীৱনবোধ কি অনুভৱ নকৰে। যি বুজি নাপায় দেশ আৰু জাতিৰ উন্নয়ন



কি ? উন্নয়নৰ প্ৰয়োজন কি ? জীৱ কি ? জীৱৰ ইতিহাস কি ? সভ্যতা কি ? শিক্ষা কি ? সমগ্ৰ পৃথিৱীয়েই এই সমস্যাৰ কৰাল গ্ৰাসত পৰিছে। অসম তথা ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়।

যান্ত্ৰিক মানৱে উচ্চ শিক্ষাৰে শিক্ষিত হৈছে। তেওঁলোকে শিক্ষালাভ কৰে একোখন উন্নতমানৰ প্ৰথম শ্ৰেণীৰ চাৰ্টিফিকেট আহৰণৰ বাবে। তাৰ পাছত এবাৰ কৰ্মসংস্থাপন লাভ কৰি নিজক লৈ এখন সুকীয়া সমাজ গঢ়ে তেওঁলোকে। সৰ্বসাধাৰণ সমাজত ব্যাপকভাৱে উদ্ভৱ হোৱা বিবিধ সমস্যাত তেনে এচামে হয় নিতাল মাৰি থাকে, নহয় সেইবোৰ গণ্য বিবেচনা নকৰি আনফালে দেহমন উবুৰিয়াই থাকে। এনে তৎকালীন সময়ত সমাজৰ অৰ্ধশিক্ষিত অথবা শিক্ষাৰ দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰা মধ্যমীয়া শ্ৰেণীটোৱেই সমস্যাবোৰৰ সৈতে যুঁজবাগৰ কৰি সমাজ গাঁথনিটো ধৰি ৰাখিবলগীয়া হয়। উদাহৰণস্বৰূপে, এজন গুণসম্পন্ন প্ৰথম শ্ৰেণীৰ মেধাৱী ছাত্ৰক অসমৰ বাহিৰৰ এখন প্ৰতিষ্ঠানে মোটা অংকৰ ধনৰ বিনিময়ত তাত কৰ্মৰত হোৱাৰ প্ৰস্তাৱ দিলে তেওঁ স্বাভাৱিকতহে তাক প্ৰত্যাখ্যান কৰিব নোৱাৰে। এনেদৰেই সমাজৰ সাৰুৱা অংশই যদি সমাজৰ পৰা আঁতৰত থাকে তেনেহলে ৰৈ যোৱা অংশ কোনখিনি হ'ব পাৰে বাৰু ?

ব্যতিক্ৰম আছে যদিও এই কথা কব পাৰি যে, দেশৰ আৰু ৰাইজৰ দুৰ্ভোগৰ বাবে প্ৰধানকৈ উচ্চ শিক্ষিত সকলেই দায়ী। নিৰ্দিষ্ট কাৰিকৰী বিদ্যা, উচ্চ শিক্ষাৰে শিক্ষিত আৰু সু-সংস্থাপিত চামটোৱে সমাজ উত্তৰণৰ গুৰুদায়িত্ব মূৰ পাতি লবলৈ মুঠেও ইচ্ছুক নহয়। বেছিভাগ উচ্চ শিক্ষিতৰে যেনে - কলেজ, বিশ্ববিদ্যালয় শিক্ষক, ডাক্তৰ, ইঞ্জিনিয়াৰ, চৰকাৰী উচ্চপদস্থ বিষয়া, উচ্চ -শিক্ষিত পলিটিছিয়ান-মন্ত্ৰী ইত্যাদিৰ সামাজিক দায়বদ্ধতাৰ অভাৱ অথবা পলাতক মনোবৃত্তি দেখা যায়। তেওঁলোকে আত্মকেন্দ্ৰিকতাৰহে শিক্ষা পায়। উচ্চ আৰু কাৰিকৰী শিক্ষাৰ ডিগ্ৰীয়ে দিয়া সু-সংস্থাপন আৰু সুখ-স্বাচ্ছন্দ্যৰ ব্যক্তিগত জীৱনৰ সফলতাই তেনেসকলৰ মানৱতাবোধ সামাজিক দায়িত্ববোধ, জাতিৰ উন্নয়ন আৰু সভ্যতা-সংস্কৃতিৰ প্ৰতি থকা দায়িত্ববোধ শূন্য কৰি পেলাইছে। ইয়াৰ বিপৰীতে এই যন্ত্ৰমানৱচামে শোষণ-তোষণ-পৰিচালন কৰিব বিচৰা সমাজৰ গৰিষ্ঠসংখ্যক দুৰ্বল মধ্যমীয়া চামটোৱেইটো বিভিন্ন সমস্যা, আন্দোলন, সঙ্কট আদিৰ সৈতে যুঁজ বাগৰ কৰি সমাজৰ গতিশীলতা বজাই ৰাখিবলগীয়া হৈছে। অথচ এইচামটোৰেই সমাজত স্থিতি সবল নহয়। কিয়নো এওঁলোকৰ সমস্যা, অভাৱ-অভিযোগ দূৰকৰা, এওঁলোকৰ দুৰ্বল স্থিতাৱস্থাৰ পৰিৱৰ্তনৰ প্ৰয়োজনবোধৰ প্ৰতি সমাজে আজিলৈকে দৃষ্টিপাত কৰা নাই।

সমাজৰ আৰু একপ্ৰকাৰ যন্ত্ৰমানৱ হ'ল পুঁজিপতিসকল। এই যন্ত্ৰমানৱৰ প্ৰভাৱ বিস্তাৰ হৈছে ভাৰতবৰ্ষ তথা অসমৰ জাতীয় জীৱন, অৰ্থনৈতিক উন্নয়ন, সমাজ ব্যৱস্থা, শিক্ষা ব্যৱস্থা আদিকে ধৰি বিভিন্ন দিশসমূহত। দেশত কাৰিকৰী শিক্ষাৰ প্ৰচলনৰ নামত এইসকল মুনাফান্বেষী পুঁজিপতিয়েই ভাৰতবৰ্ষ তথা অসমতো গঢ়ি তুলিছে দেশী-বিদেশী শিক্ষা প্ৰতিষ্ঠান। কাৰিকৰী শিক্ষাৰ আৱশ্যকতা আছে কিন্তু যিসকল প্ৰতিভাধৰে নিজস্ব গুণৰ বলত এই শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে তেওঁলোক সৌভাগ্যমান। পুঁজিপতিচামৰ কথা বাদেই দিলোঁ যেনিবা, তেওঁলোকে উচ্চ শিক্ষা আহৰণ কৰিব নোৱাৰিলেও কিনিবতো পাৰিব। সঁচা অৰ্থত টকা উপাৰ্জনেই তেওঁলোকৰ শিক্ষাৰ মূল উদ্দেশ্য। কিন্তু আমাৰ আলোচনাৰ বিষয় হৈছে সাম্প্ৰতিক সময়ৰ শিক্ষাব্যৱস্থাৰ বিফলতাৰ এটা দিশ – সমাজে অলাগতিয়াল বুলি আওকাণ কৰা মধ্যমীয়া শ্ৰেণীটোৰ সেই অংশ যিসকলৰ প্ৰতিভা থকা সত্বেও তাৰ সুপ্ৰয়োগ নোহোৱাৰ ফলত সমাজৰ বাবে বোজা সদৃশ হৈছে। সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ এইচামে প্ৰতিভা থাকিলেও উচ্চ কাৰিকৰী শিক্ষা বা বৃত্তিমূলক শিক্ষাৰ বিনিময়ত বৃহৎ পৰিমাণৰ মাচুল আদায় দিব নোৱৰাৰ বাবে এই শিক্ষা লাভৰ পৰা বঞ্চিত হয়। তদুপৰি সাধাৰণ উচ্চ শিক্ষা লাভতো বিভিন্ন কাৰণবশতঃ কোনোমতে ত্ৰিশ শতাংশ নম্বৰ আহৰণ কৰি পাছ কৰা এনে মধ্যমীয়া শ্ৰেণীৰ সংখ্যাই সৰ্বাধিক। তাৰেই সৌভাগ্যৱান কেইজনে অফিচ-কাচাৰীৰ কেৰাণী, পিয়ন, প্ৰহৰাদাৰ, দেহৰক্ষী আদিত নিযুক্তি পাইছে যেনিবা। যি দুই এজনে হতাশ নহৈ ব্যৱসায় অথবা আনকিবা আত্মসংস্থাপনৰ ব্যৱস্থা কৰি লৈছে। শিক্ষাই এজন মানুহক জ্ঞান দি সভ্য কৰি তোলে আৰু তেনেবোৰ মানুহে একোখন সভ্য সমাজৰ সৃষ্টি কৰে। উচিত শিক্ষা ব্যৱস্থাই মানুহৰ জীৱন গঢ়িছে

তুলে, ধ্বংসৰ পথলৈ ঠেলি নিদিয়ে। এনেদৰে প্ৰতিবছৰে সমাজত নিবনুৱাৰ সৃষ্টি কৰা শিক্ষাব্যৱস্থা কেৰোণমুক্ত বুলি কব পাৰিনে ? কথাযাৰৰ বিশ্লেষণৰ আৱশ্যকতা আছে। নহ'লে সমাজৰ লাখৰঘৰীয়াসকল কোটিৰ ঘৰত সোমাবগৈ কিন্তু সাধাৰণ মানুহ সদায় সাধাৰণ হৈয়ে থাকিব লাগিব ! সময় থাকোতেই যদি এই সমস্যাক সমাধানৰ বাবে সকলোৱে আগবাঢ়ি নাহো তেন্তে সামাজিক অৱক্ষয়ে মানৱ জাতিলৈ বিপদ কঢ়িয়াই আনিব।

পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাৰ আৰু দ্ৰুতগতিশীল প্ৰতিযোগিতামূলক বিশ্বৰ দৰবাৰত খোজ মিলাবলৈ যাওঁতে শিক্ষাব্যৱস্থাৰ আমোল পৰিৱৰ্তন ঘটাই পূৰণি প্ৰমূল্যসমূহৰ বুকুত নতুন প্ৰমূল্য গঢ় দিয়াৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। কিন্তু সমাজ সমুদ্ৰৰ নৱজাগৰণৰ জোৱাৰত সমুদ্ৰতীৰত বৈ যোৱা মানিক আৰু শামুকৰ খোলাবোৰো চালিজাৰি চোৱাটোহে দায়িত্বজ্ঞানৰ পৰিচায়ক হ'ব। এয়া এক শুভলক্ষণ যে শিক্ষাৰ প্ৰসাৰে সমাজত শিক্ষিতৰ সংখ্যা বৃদ্ধি কৰাইছে। ঠিক তেনেদৰে প্ৰতিবছৰে নিয়োগ-আযোগ্য, সুযোগপযোগী জ্ঞান আৰু দক্ষতা-বিহীন,পৰনিৰ্ভৰশীল আৰু আত্মবিশ্বাসহীন শিক্ষিত নিবনুৱাৰ সংখ্যাও বৃদ্ধি হৈছে, মানৱীয় প্ৰবৃত্তিৰ উৎকৰ্ষ সাধন কৰিব নোৱৰা শিক্ষা ব্যৱস্থা আৰু ভুল নিয়োগ নীতিৰ ফলত। গুৰুত্বপূৰ্ণ কথা হ'ল, অত্যধিক সংখ্যক এনে নিবনুৱাই সমাজৰ মধবিত্ত শ্ৰেণীৰ অন্তৰ্গত। আৰু দিনক দিনে এই সংখ্যাৰ বৃদ্ধি ঘটিছে আৰু উক্ত সমস্যাটোৰ প্ৰতি দৃষ্টিপাত নকৰি উপেক্ষাৰ দৃষ্টিৰে চোৱাৰ ফলত বৰ্তমান এই সঙ্কটাৱস্থাই শোচনীয় ৰূপ লৈছে। এই আলোচনাৰ উদ্দেশ্য হ'ল যে এনে নিবনুৱা সমস্যাৰ প্ৰতি দৃষ্টিগোচৰ কৰোৱা যাতে তেওঁবিলাকৰ মাজত অন্তনিৰ্হিত মানৱ সম্পদৰ উচিত ব্যৱহাৰ হওক আৰু কোনো শ্ৰেণীবিভাজন নথকাকৈ সমান্তৰালভাৱে সৰ্বাংগীন উন্নতি আৰু সফলতা আহক আমাৰ সমাজলৈ।

প্ৰতিবছৰে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহৰ পৰা উৰ্ত্তীণ হৈ অহা দহ শতাংশ উচ্চ শিক্ষিত সুযোগ্য ব্যক্তিসকলে যদি সামাজিকভাৱে নিষ্ক্ৰিয়তা অৱলম্বন কৰে, তেওঁবিলাকেই যদি সমাজৰ শ্ৰেণীবিভাজন কৰি নিজেই উচ্চস্থানত বহে, তেনেহলে ৰাইজে টকা-পইচা খৰচ কৰি তেওঁলোকক উচ্চ শিক্ষা দিয়াৰ কি প্ৰতিদান পালে। তেওঁলোকক শিক্ষিত কৰিবলৈ কৰা খৰচেৰে অন্য দিশত সামাজিক কল্যাণ সাধিব পৰা গ'লহেতেন য'ৰপৰা সামাজিক প্ৰতিদান উচ্চ হ'লহেতেন।

অন্যহাতে, প ৰিশিষ্ট নৱৈ শতাংশৰ ভিতৰত নিম্নমানৰ ডিগ্ৰীধাৰীসকলৰ যিসকলে কৰ্মনিযুক্তি নাপাই, আৰ্থিক দুৰ্বলতাৰ বাবে স্ব-নিয়োজনো হেৰো নাই তেওঁলোকে সমাজত যি নিবনুৱা সমস্যাৰ বৃদ্ধি ঘটাইছে সেইয়া সকলোৰে জ্ঞাত। সমাজৰ প্ৰায় নৱৈ শতাংশ নিবনুৱাক কৰ্মনুপযোগী বুলি বাদ দি দহ শতাংশ উচ্চশিক্ষিত, সুযোগ্য আৰু দক্ষব্যক্তিৰে জাতীয় উন্নয়ন সম্ভৱনে ? এনে স্থলত শ্ৰেণীবিভাজনমুক্ত, সমমৰ্য্যাদাৰে জাতীয় উন্নয়ন কিমানদূৰ সম্ভৱ ?

মুঠৰ ওপৰত সমাজৰ নুন্যতম (১০%) সফলকামীয়ে (মেধাৱী ছাত্ৰ-ছাত্ৰীসকল আৰু বৃত্তিমুখী শিক্ষা প্ৰতিষ্ঠান বা উচ্চ শিক্ষাৰ বিনিময়ত আদায় দিবলগীয়া বৃহৎ পৰিমাণৰ মাচুল পৰিশোধ কৰিব পৰা পুঁজিপতিৰ সন্তান যাৰ প্ৰতিভা থাকক বা নাথাককেই) প্ৰতিযোগিতামূলক বিশ্বদৰবাৰত সন্মান সহকাৰে যি স্থানত নিজক উপস্থাপন কৰাব পাৰিছে সেই স্থানলৈ সমাজৰ অৱহেলিত আন দুটা শ্ৰেণীকো দৃষ্টিগোচৰ কৰি উন্নীত কৰোৱাটোহে সমাজৰ সৰ্বাংগীন উন্নতি আৰু প্ৰকৃত সফলতা হ'ব। সমাজৰ এই দুৰ্বল শ্ৰেণীৰ অনগ্ৰসৰতাখিনি আমি সামূহিকভাৱে দূৰ কৰিবই লাগিব। তেহে সমাজৰ সৰ্বাংগীন উন্নয়ন সম্ভৱ হ'ব।

সম্পাদক



হয়তো সপোন সাফল হ'ব মায়াৰ কুঁৱলী যাব
হয়তো সপোন সাফল হ'ব মায়াৰ কুঁৱলী যাব
সপোনত যাক বিচাৰি ফুৰিছে দিঠকত দেখা পাব
সপোনত যাক বিচাৰি ফুৰিছে দিঠকত দেখা পাব



ডাব্লিউ, বি. ইয়েটচ্। সম্পূৰ্ণ নাম হ'ল উইলিয়াম বাট্‌লাৰ ইয়েটচ্। ১৮৬৫ চনৰ ১৩ জুন তাৰিখে ডাব্লিনৰ বিখ্যাত ইয়েটচ্ পৰিয়ালত জন্ম হৈছিল এক অস্বাভাৱিক শিশুৰ। দেখাত ক'লা, অপুষ্টিজনিত ৰুগ্ন স্বাস্থ্যৰ। লাহে লাহে শিশুটি বাঢ়ি আহিল, দৈহিক দৌৰ্বল্যই মানসিকতাকো যেন ভাৰাক্ৰান্ত কৰি তুলিছিল। শিশুটিৰ বুদ্ধি বৃত্তিত যেন স্থূলতাৰ চাপ। সেয়ে তীক্ষ্ণধী বুদ্ধিজীৱী পিতৃ চিন্তিত হৈ পৰিল। লাহে লাহে সেই চিন্তা অৱহেলাত পৰিণত হ'ল। পৰিয়ালৰ স্বাস্থ্যবান পৰম্পৰাত যতি পৰিল। ৰুগ্ন, স্বাস্থ্যহীন শিশুটিৰ প্ৰতি যেন পৰিয়ালৰ সকলোটিয়েই অমনযোগী। ওচৰ চুবুৰীয়া লগৰীয়া শিশুবোৰে উইলিয়ামক ভাৰতীয় শিশু বুলিহে ভাল পাইছিল। সেয়ে সৰুৰে পৰাই উইলিয়ামৰ দুৰ্বলতা পৰিলক্ষিত হৈছিল। মাজে মাজে উইলিয়ামৰ শিশু মনত মৃত্যুৰ প্ৰতি স্পৃহা জাগিছিল প্ৰচণ্ডভাৱে। ভগৱানক প্ৰাৰ্থনা কৰিছিল মৃত্যু বিচাৰি। কিন্তু পিছ মুহূৰ্ততে জীয়াই থকাৰ দুৰ্বাৰ বাসনাই,ধৰিত্ৰীৰ স্নেহসিক্ত, মৰম কোমল আকৰ্ষণে উইলিয়ামক উদ্বাউল কৰি তুলিছিল।

স্কুলীয়া শিক্ষা সাং কৰি উইলিয়াম মেট্ৰোপলিটান আৰ্ট স্কুলত ভৰ্তি হ'ল। মাক বাপেকে ভাবিছিল ত্ৰিনিটি কলেজত নাম লিখাব। কিন্তু অংকত দুৰ্বল হোৱাৰ কাৰণে উইলিয়ামে চিত্ৰশিল্পী হ'বলৈহে

# ইয়েটচ্ ঃ এক অনন্য প্ৰতিভা

**ড° জয়কৃষ্ণ মহন্ত**
**অধ্যক্ষ**



মন মেলিলে আৰু ইয়াতেই অঙ্কুৰিত হল এজন বিশ্ববিশ্ৰুত কবিৰ প্ৰতিভা। কেইবাজনো হিতাকাংক্ষীৰ প্ৰেৰণাত উইলিয়ামে প্ৰথম লিখনি তুলি ললে। এই সময়তে মাডাম্ ব্লাভাট্‌শ্‌কিৰ নেতৃত্বত স্থাপিত থিয়লজিকেল চ'চাইটিৰ প্ৰতি আকৰ্ষিত হৈ উইলিয়ামে প্ৰচুৰ দৰ্শন বিষয়ক অধ্যয়ন কৰিবলৈ ধৰে। বিশেষকৈ মোহিনী চেটাৰ্জিৰ দ্বাৰা উইলিয়াম অত্যন্ত প্ৰভাৱিত হৈ পৰে আৰু ভাৰতীয় দৰ্শন আতিগুৰি মাৰি পঢ়িবলৈ আৰম্ভ কৰে। কবি ইয়েটচে আত্ম প্ৰকাশ কৰিলে।


আয়াৰলেণ্ডত জন্ম গ্ৰহণ কৰা এইজন কবিয়ে প্ৰথমতে জনপ্ৰিয় ৰূপকথা, কিম্বদন্তি, মিথ (Myth) প্ৰভৃতি কবিতা আকাৰ দিছিল যদিও লাহে লাহে তেওঁ ইউৰোপীয় কাব্য সাহিত্যৰ মূল সুঁতিলৈ প্ৰত্যাবৰ্তন কৰিবলৈ ধৰিলে। এই সময়খিনিত ইয়েটচে মূলতঃ স্পেন্সাৰ, শ্যেলী, ৰচেটি প্ৰভৃতি বিখ্যাত ইংৰাজ কবি সকলক অনুসৰণ কৰিছিল। বয়স বঢ়াৰ লগে লগে তেওঁৰ লিখনিত পৰিপক্ক চাপ প্ৰকট হৈ পৰিল। তীব্ৰ জীৱনবোধ, সূক্ষ্ম অনুভূতি, অৰ্থবহ প্ৰতীক, গভীৰ অন্তৰ্দৃষ্টি আৰু সজীৱ ৰূপকল্পৰে সমৃদ্ধ হৈ ইয়েটচ্‌ৰ লিখনিৰ পৰা ওলাই আহিল নিৰৱচ্ছিন্ন কবিতাৰ সম্ভাৰ। বস্তুতঃ ইয়েটচৰ কাব্যজীৱন বৰ দীঘলীয়া। প্ৰায় পঞ্চাশ বছৰৰো অধিক কাল এওঁ কাব্যচৰ্চা কৰিছিল আৰু এই সুদীৰ্ঘ কলাৰ কাব্য কৃতিও স্বাভাৱিকতে অনেক আলোচনা সমালোচনাৰ কষটি শিলাত পৰীক্ষিত হৈছিল।

কাব্য জীৱনৰ আৰম্ভনিতে ইয়েটচ্ আছিল এজন স্বপ্নদ্ৰষ্টা। উইলিয়াম ব্লেকৰ দৰে এইজনা কবিয়েও স্বপ্নময় ৰম্যভূমিত অকুণ্ঠ সহজতাৰে বিচৰণ কৰি ফুৰিছিল। কিন্তু তথাপিও পৃথিৱীৰ ৰূঢ় বাস্তৱ, হা-হুতাশ আৰু ক্ষণভঙ্গুৰতাই কবি মানস সাময়িক ভাৱে ভাৰাক্ৰান্ত কৰি তুলিছিল। এইখিনি সময়ত ইয়েটচ্ যেন অস্থিৰ হৈ পৰিছে। জীৱনটো কেৱল ৰূপ ৰস গন্ধ আৰু সৌন্দৰ্যৰেই ভৰা নহয়। ইয়াৰ এটা বৰ কদৰ্য ৰূপো আছে। ইয়েটচৰ চকুত সেই জীৱনে ধৰা দিছে বীভৎস ভাৱে। তেনে জীৱনক

তেওঁ আদৰি লব নে চিৰকালৰ বাবে বিদায় দিব – এয়ে আছিল ইয়েটচৰ সমুখত আটাইতকৈ যন্ত্ৰণাদায়ক জিজ্ঞাসা। অন্যায়-অবিচাৰ, ৰোগ শোক জড়াগ্ৰস্ত এই পৃথিৱীখন, জীৱন যৌৱনৰ অনিৰ্বচনীয় মোহময় সৌন্দৰ্য শুকাই লেৰেলি যোৱা এই পৃথিৱীখন, জীৱন যৌৱনৰ অনিৰ্বচনীয় মোহময় সৌন্দৰ্য-শুকাই লেৰেলি যোৱা এই পৃথিৱীখনৰ নিষ্ঠুৰতাত ইয়েটচ্ অসহিষ্ণু হৈ চহৰৰ কলৰোল বৰ্জিত নিমাত নিতাল শান্ত সমাহিত ইনিচ্‌ফ্ৰি লৈ, কবিৰ কল্পনা প্ৰসূত কোনো মায়াময় কল্পলোকলৈ মানৱ সন্তানক আহ্বান জনাইছে ঃ

Come away, O human child ! To the water and the wild With a fair, hand in hand, For the worlds more full of weeping than you understand. (The stolen child)

এই সময়ত ইয়েট্‌চৰ কবিতাত প্ৰি-ৰাফেলাইট সকলৰ প্ৰভাৱ পৰে। ইয়াৰ উপৰিও ফৰাচী প্ৰতীকবাদ সকলৰ প্ৰভাৱ বিশেষকৈ মালাঁৰ্মেৰ প্ৰভাৱ অতি ঘনিষ্ঠ ভাৱে লক্ষ্যণীয়। কল্পনাবিলাসী কবি শ্যেলীৰ দৰে ইয়েটচেও তেওঁৰ প্ৰথম জীৱনৰ কাব্যকৃতিৰ মাজেদি কল্পনাৰ গজদন্ত মিনাৰত বাস কৰিছিল। যান্ত্ৰিক সভ্যতাৰ ব্যস্ততা আৰু কঠোৰ বাস্তৱক পাকি দি কবিয়ে এক ধূসৰ ৰস্যভূমিত বিচৰণ কৰি ফুৰিছিল। ১৯০৩ চনত তেওঁৰ মদ গান (Maud Gonne) মেজৰ মেকব্ৰাইড়ৰ লগত বিবাহপাশত আৱদ্ধ হয়। ব্যৰ্থ প্ৰেমিক ইয়েটচৰ স্বপ্ন ভঙ্গ হ'ল। কল্পনা সৌধৰ গগনচুম্বী চূড়া ৰূঢ় কৰি ইয়েটচ যেন নামিআহিল পৃথিৱীলৈ। কঠোৰ কঠিন নগ্ন বাস্তৱৰ যথানিয়ত প্ৰাত্যহিকতাৰ মাজেদি জীৱন সুষমা আস্বাদ কৰিবলৈ ওলাই আহিল মানৱতাৰ পূজাৰী, দৰদী, দাৰ্শনিক আৰু সংবেদনশীল কবি ইয়েটচ যাৰ প্ৰতিটো শব্দৰ মাজত বন্দী হ'ল প্ৰেম আৰু সৌন্দৰ্যৰ অৰ্ঘ্য, তীব্ৰ জীৱন লালসা আৰু জীৱনবোধ।



ইয়েটচে বুজি উঠিলে যে জীৱনৰ খলাবমা, উত্থান-পতন, দুখ-ভয়, শোক, হৰ্ষ-মিলন - ইবিলাকক বাদ দি প্ৰকৃত জীৱন হব নোৱাৰে। তেওঁ ডেকা কালত লিখা কবিতা বিলাকত যে তেওঁৰ দৃষ্টি ভঙ্গী সংশয়াকুল, অসংবদ্ধ আৰু কিছুপৰিমাণে ভ্ৰান্ত আছিল সেই কথা তেওঁ কেথেৰাইন টিনান্ নামৰ এগৰাকী বান্ধৱীলৈ লিখা চিঠিত নিজেই উল্লেখ কৰিছে। The Coming of Wisdom with Time নামৰ কবিতা এটাটো কবিয়ে সেই কথা স্পষ্টকৈ স্বীকাৰ কৰিছে।

কুৰি শতিকাৰ প্ৰথম তিনিটা দশক ইয়েটচৰ জীৱনৰ আটাইতকৈ সফল আৰু উৰ্বৰ সময় হিচাপে চিহ্নিত কৰিব পাৰি। এই কালছোৱাতে তেওঁ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কবিতাখিনি লিখি উলিয়াইছিল। এই সময়ত ইয়েটচে লিখা কবিতা বিলাকৰ বিষয়ে Dr. Bowra ই কৈছে ঃ All preliminaries, expalanations, compaisions are omitted and the gain in concerntaration is enormous, the poetry is full macked. (The heritage of Symbolism). সূক্ষ্ম অথচ সৰলীকৃত ৰচনা শৈলী, শক্তিশালী শব্দ কৌশল, আৰু ৰস আৰু ভাৱৰ তাৎক্ষণিকতাই ইয়েটচ্‌ৰ বাবে কুৰি শতিকাৰ দুৱাৰ মুকলি কৰি দিলে। ইউৰোপৰ শ্ৰেষ্ঠ কবিসকলৰ অন্যতম কবি ৰূপে ইয়েটচৰ আসন প্ৰতিষ্ঠিত হল। প্লাটিনাচ, ভিক, হেগেল, ক্ৰচ, হোৱাইটহেড আৰু বাৰ্কলেৰ দাৰ্শনিক তথ্য সমৃদ্ধ ৰচনাৱলীৰ অধ্যয়ন পুষ্ট ইয়েটেচে উইলিয়াম ব্লেকৰ দৰে নিজাকৈ এটা মতবাদ গঢ়ি তুলিছিল। কিয়নো তেওঁৰ যুক্তিবাদী আৰু ন্যায়নিষ্ঠ মনটোৱে খৃষ্ট ধৰ্মৰ নিয়মনীতিবোৰ নিৰ্বিচাৰে গ্ৰহণ কৰিবলৈ বিচৰা নাছিল। এফালে প্ৰকৃতিৰ ৰহস্য অনাবৃত কৰি নিত্যনতুন জ্ঞানৰ দিগন্ত উন্মোচন কৰা বৈজ্ঞানিক মনীষা আৰু আনফালে আধিভৌতিক শক্তিৰ ওচৰত নীৰৱে আত্মসমৰ্পণকৰা বিশ্বযুদ্ধৰ সৰ্বগ্ৰাসী বিভীষিকা প্ৰত্যক্ষ কৰি কবিৰ কুসুম কোমল হৃদয় নিপীড়িত হৈছে। সাহিত্য-সংস্কৃতি-কলা- এই সকলোবোৰ যুদ্ধৰ কৱলত ধ্বংস প্ৰাপ্ত হৈছে। মানুহ যন্ত্ৰবৎ পাৰ্থিক সুখ সম্ভোগত নিমগ্ন হৈছে, কিন্তু তেওঁলোকে হেৰুৱাইছে মানৱতা। কিন্তু কবি হতাশ হোৱা নাই। জীৱনৰ অন্বেষণ সাৰ্থক হলে এদিন দুখৰ অন্ত পৰিবই ঃ

All things fall and are build again
And those that build them again are gay . . . (Lapis Lazuli)

কবি ইয়েটচ্ মূলতঃ প্ৰেম আৰু সৌন্দৰ্যৰ উপাসক আছিল সেয়ে জীৱনৰ প্ৰতিও তেওঁৰ লালসা কম নাছিল। ইয়েটচে বুজিছিল জীৱনটো পৰিপূৰ্ণ ভাবে যাপন কৰিবলৈ এইখন পৃথিৱীয়েইহে উপযুক্ত স্থান। পৰলোক

যিমানেই সুখ আৰু আনন্দৰ আকৰ বুলি কল্পনা নকৰক কিয় কবি ইয়েটচ কিন্তু এই পৃথিৱীখন এৰি যাবলৈ অকণো আগ্ৰহান্বিত নহয়। পৃথিৱীত জন্ম লোৱা মানুহে পৃথিৱীৰ বুকুতে জীৱনৰ শান্তি সুধা আহৰণ কৰিব লাগিব। A Dialogue of Selg and Soul নামৰ কবিতাটিত কবিয়ে অভূতপূৰ্ব জীৱনবোধৰ নিদৰ্শন দাঙি ধৰিছে। শত সহস্ৰ প্ৰলোভনৰ ওচৰতো হাৰ নমনা কবিয়ে নানা দুখ যন্ত্ৰণাৰে ভৰা জীৱনটো সহনীয়, মধুৰ আৰু প্ৰেমানুকূল আলেখ্যলৈ পৰিবৰ্তিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। পৃথিৱীখন সহজ সুন্দৰ আৰু সুখৰ হোৱাটো কবিৰ একান্ত প্ৰাৰ্থিত। সেয়ে John Kinsella ৰ কণ্ঠত কবিৰ অভীপ্সাই বিস্তৃতি লাভ কৰিছে এনেদৰে ঃ No expectation fails there No leasing habiys end . . . But freinds walk by friends. কিন্তু পৃথিৱীখন কবিয়ে ভবাৰ দৰে কেৱল সুখ শান্তিৰে উৎস নহয়। মানুহৰ নিষ্ঠুৰতা, হঠকাৰিতা আৰু স্বাৰ্থপৰতাত কবি হতাশ হৈ পৰিছে। বেদনাহত অন্তৰ নিগৰি ওলাই আহিছে ক্ৰোধ আৰু অনীহাঃ All that man is All mere Complexities. . .

শিল্প-বিপ্লৱ, বিজ্ঞানৰ অপথ অগ্ৰগতি আৰু তাৰেই ফলশ্ৰুতিত জন্ম হোৱা মানুহৰ উদ্ধত অথচ পৰোৎপীড়ক জয়যাত্ৰাত কবিয়ে অনুভৱ কৰিছে যেন এক যতি। সভ্যতাৰ আসন্ন পতন প্ৰত্যক্ষ কৰা সংশয়াকুল কবিৰ ভয়াৰ্ত সত্তাক যেন বিশালকায় Spiritus Mundi ৰ হিমশীতল বিভীষিকাই আবৰি ধৰিছে।

কীটচ্‌ৰ ইন্দ্ৰিয়াসক্ত পৃথিৱী, শ্যেলীৰ কল্পনা বিলাসী স্বৰ্গ আৰু বাইৰণৰ বিভীষিকাময় নৰক – ইয়াৰ ক'তোৱেই ইয়েটচক বিচাৰি পাব নোৱাৰি। প্ৰেম আৰু সৌন্দৰ্যৰ পাৰাপাৰ হীন প্ৰবহনশীলতাই ইয়েটচৰ ৰাজ্য। সাধনাৰ পথত অকলশৰীয়া কবিয়ে তেওঁৰ কবিতাৰ মাজেদি বিশ্বমানৱৰ দুৰ্জয় সাহস আৰু অকুণ্ঠ বিশ্বাস যোগাইছে। He demonstrate that a man can walk alone. In our age of collective Security this is a portent, all the more significant because so few desire to seel it. (A.G. Stock)

মানৱতাৰ দাবী, ন্যায়নিষ্ঠা অধিক সাব্যস্ত কৰিবলৈ যাওঁতে নিচেই নগণ্য নিঃকিন লোকেও বিশ্বভাতৃত্বৰ মহিমাৰে আলোকিত হৈ উঠিব পাৰে।

তাৰ বাবে হয়তো অকলশৰীয়াকৈ যুঁজ দিব লগা হব পাৰে। কিন্তু যদি সাহস, সজগুণ আৰু সত্যান্বেষণা থাকে তেনেহলে শেষ পৰ্যন্ত মানুহ সফল হবই। Easter ১৯১৬ কবিতাটো কবিয়ে এনে এক ভাৱৰ ব্যঞ্জনাৰে ব্যক্ত কৰিছে সেই আভ্যন্তৰীণ পৰিবৰ্তন – যি মানৱতাক কৰি তোলে নিকা আৰু সৰ্বাঙ্গ সুন্দৰ, যি সৌন্দৰ্যই মানৱৰ অন্তৰৰ পৰা মচি দিয়ে ক্ষুদ্ৰ স্বাৰ্থ আৰু অহমিকাৰ জড়তা ঃ

All changed, changed utterly. A terrible beauty is bor.

ৰক্ত সম্পৃক্ত ধৰিত্ৰী বক্ষ উদ্‌ভাসিত কৰা, প্ৰীতি আৰু ক্ষমাৰ উদাৰতাৰে মণ্ডিত গোলাপ এপাহিৰ লগত হে সেই সৌন্দৰ্যৰ তুলনা হয়। মানুহৰ অন্তৰ্দৃষ্টি আৰু চেতনাই এই সৌন্দৰ্য লাভ কৰি পৃথিৱীত কল্পলোকৰ সঞ্জীৱনী সুধা সিঁচিব যদিহে মন আৰু আত্মাৰ পৰিশুদ্ধিকৰণ হয়। এনে এক ইঙ্গিতেই ইয়েটচে তেওঁৰ Byzantium আৰু Sailing to Byzanium নামৰ কবিতা দুটিত দিছে। আৰু দিছে বাসনা আৰু কামনাৰ জগৎখনৰ পৰা বৌদ্ধিক জগতলৈ হোৱা মহৎ অভ্যুন্নতিৰ ইঙ্গিত, যি যাত্ৰা পথ সদা সৰ্বদা জ্ঞানৰ দ্যুতিৰে আলোকিত ঃ

. . . Consume my heart away, Sick with desire . . .

## মহৎ লোকৰ বাণী

(১) জীৱনৰ সন্মুখত কিছুমান মূল্যবান লক্ষ্য থাকিলেহে জীৱন মূল্য হৈ উঠে।

— হেগেল

(২) যত প্ৰেম আছে তাত জীৱনো আছে। ঘৃণাই মানুহক ধ্বংস বাটলৈহে নিয়ে, প্ৰেমে প্ৰতিদান দাবী নকৰে, ই সদায় দানহে দিয়ে।

— মহাত্মা গান্ধী

সংগ্ৰাহক - *বিজয় চাংমাই*



আলোচনা ২

সাহিত্য


# সাম্প্ৰতিক কালৰ অসমীয়া ভাষা

—ৰূপালীম ঠাকুৰ

*জ্যেষ্ঠা প্ৰবক্তা, অসমীয়া বিভাগ*



ভাষা গতিশীল। সেয়েহে ভাষাক বোৱতী নদীৰ সৈতে তুলনা কৰা হয়। নদীয়ে যেনেকৈ সময়ে সময়ে সোঁত সলনি কৰে ; ভাষাইও সমাজ পৰিৱৰ্তনৰ লগে লগে নিজকে ন-ৰূপত সজাই তোলে। পৰিৱৰ্তিত পৰিৱেশত ভাষা এটাই ভাৱ-প্ৰকাশত ব্যৰ্থ হ'লে ভাষাটোৰ মৃত্যু হয়। গতিকে সামাজিক পৰিৱেশ পৰিস্থিতিৰ তাগিদাতেই ভাষাই নতুন ৰূপ গ্ৰহণ কৰে আৰু অব্যৱহৃত ৰূপ কিছুমান এৰি পেলায়।



বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰ, নগৰীয়া জীৱনৰ প্ৰতি আগ্ৰহ, বিশ্বায়নৰ প্ৰভাৱত দৈনন্দিন জীৱনত ইংৰাজী ভাষাৰ গুৰুত্ব বৃদ্ধি, অসমীয়া মানুহৰ জাতীয় ভাষাৰ প্ৰতি অৱহেলা ইত্যাদি কাৰণত অসমীয়া ভাষাৰ ভৱিষ্যত দুঃচিন্তাৰ কাৰণ হৈ দেখা দিছে যদিও বিলুপ্তিৰ আশংকা নাই। কাৰণ আধুনিক কালৰ ভাৱপ্ৰকাশৰ প্ৰয়োজনীয় উপাদান আহৰণ কৰিবলৈ ভাষাটো ইতিমধ্যে সক্ষম হৈ উঠিছে। অসমীয়া ভাষাই স্বকীয় ঠাঁচ ৰক্ষা কৰিও আন ভাষাৰ শব্দ গ্ৰহণ কৰাত কাৰ্পণ্য দেখুওৱা নাই। জনজাতীয় ভাষাৰ শব্দ, ইংৰাজী ভাষাৰ শব্দ, হিন্দী আৰু অন্যান্য ভাৰতীয় ভাষাৰ শব্দ, বিদেশী ভাষাৰ শব্দ অসমীয়া ভাষাই গ্ৰহণ কৰিছে। ২০১০ চনৰ জানুৱাৰীত 'অসমীয়া জাতীয় অভিধান'ত প্ৰকাশ হোৱা অসমীয়া ভাষাৰ শব্দৰ সংখ্যা দুইলাখৰ কম নহ'ব। ইংৰাজী, ফৰাছী, চীনা আদি বহুত বিদেশী শব্দ ইয়াত অন্তৰ্ভুক্ত হৈছে।

অৱশ্যে ভাষাত নতুনকৈ সৃষ্টি হোৱা শব্দ আৰু ঠাঁচ ভাষাটোত জীণ যোৱা বিধৰ হ'ব লাগে, নতুন হ'লেই যে সি গ্ৰহণীয় হ'ব এনে কথা হ'ব নোৱাৰে। শালীনতা গুণ বিবৰ্জিত হ'লে নতুনকৈ প্ৰচলিত হোৱা ৰূপটো সভ্য সমাজত গ্ৰহণযোগ্য নহয়। তেনেকুৱা নতুন ঠাঁচ বা শব্দসমূহ কথিত ৰূপত প্ৰচলিত হৈ আকৌ ব্যৱহাৰৰ অনুপযোগী হৈ হেৰাই যায়। বিশ্বায়নৰ প্ৰভাৱত অসমীয়া জাতীয় জীৱনৰ আটাইবোৰ দিশতে যি দ্ৰুত পৰিৱৰ্তন আহিছে ; সেই পৰিৱৰ্তনৰ প্ৰভাৱ ভাষাতো পৰিছে। নতুন চাম যুৱকৰ মাজত প্ৰচলিত ভাষাৰ অৰ্থগ্ৰহণ বৰ্ষীয়ান এজনৰ বাবে বৰ দুৰূহ হৈ পৰিছে। আজি কেইশতিকামানৰ আগেয়ে এটা শব্দ যি অৰ্থত প্ৰয়োগ হৈছিল, আজি হয়তো একেটা শব্দই সম্পূৰ্ণ বিপৰীত অৰ্থত প্ৰয়োগ হৈছে। অসমীয়া ভাষাৰ বহুতো অশুদ্ধ ৰূপ বৰ্তমান শুদ্ধ বুলিয়েই গ্ৰহণ কৰা হৈছে। হিন্দী বা ইংৰাজী চিনেমাৰ কিছুমান সংলাপৰ টুকুৰা এচাম যুৱক-যুৱতীৰ মুখত আখৈ-ফুটাদি ফুটে। তলত সাম্প্ৰতিক অসমীয়া

ভাষাৰ স্বৰূপটো কেইটামান উদাহৰণেৰে দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

**১. *শব্দৰ অৰ্থ পৰিৱৰ্তন* ঃ**

বেয়া ঃ (অৰ্থ - ভাল নহয়)। কিন্তু তলৰ বাক্যকেইটাও বেয়াৰ প্ৰয়োগ সম্পূৰ্ণ ওলোটা।
তেওঁৰ ঘৰত *বেয়া* কিতাপ আছে। (বহুত কিতাপ)
আজি আমাৰ *বেয়া* জমিল। (খুব স্ফূৰ্তি হ'ল)

মাল ঃ (অৰ্থ - বস্তু)। কিন্তু
তোৰ মূৰত *মালেই* নাই। (মগজু)
জেপত *মালাই* নাই, তলি উদং। (পইচা নাই)
*মাল* খাই ফিটিং। (সুৰা)

ভুজঙ্গ ঃ (অৰ্থ - সাপ)। তলৰ বাক্যটোত অৰ্থ পৰিৱৰ্তন হৈ ব্যৱহাৰ হৈছে।
সি বৰ ভূজঙ্গ/ভূজং টাইপৰ মানুহ দেই। যিহকে-তিহকে কৰি পেলায়। (অবিশ্বাসী ধৰণৰ)

মতলব ঃ (অৰ্থ - উদ্দেশ্য)। যেনে - তাৰ মতলব ভাল নহয়। কিন্তু, সি পঢ়িছেনে নাই পঢ়া মোৰ কি মতলব ? (দৰকাৰ)

**২. *নতুন ঠাঁচ* ঃ**

সি মোক নতুন জোতা এযোৰৰ বাবে এনেকুৱাই *কামুৰিছে*। (বিৰক্ত কৰা, বৰকৈ কৈ থকা)
অৰিনাশে সদায় ক্লাছ *বাং* মাৰে। (ফাকি-ফুকা কৰা)
পিকনিকলৈ গৈ বৰ *মস্তি লাগিল*। (খুব স্ফূৰ্তি লগা)
ৰাতি চিনেমা চাই সি এতিয়া *মস্তি মাৰি* শুই আছে। (খুব আৰামেৰে)
লগৰ ল'ৰাৰ লগত *আড্ডা পিটি পিটি* সি পঢ়া-শুনা সকলো এৰিলে। (অবাবত সময় কটোৱা)
তাই কলেজত ক্লাছ নকৰি চিনেমা চাই ফুৰে আৰু মাক দেউতাকক *ব'ম ফাকা* মাৰে। (ফাকি দিয়া)
শচীনে আজি *বাম্পাৰ কোবালে*। (খুব ভাল বেটিং কৰা)
তোক আজি *জাকাচ* লাগিছে। (বৰ ধুনীয়া লগা)
সিহঁতৰ কিবা *ঝেং লাগিছে*। (তৰ্ক-বিতৰ্ক, কাজিয়া)
একেটা কথাকে কৈ কৈ সি মোক *বেহুচ কৰি* দিলে। (আমনি লগোৱা)
সৰু ল'ৰাটোৱে দোকানলৈ নি দেউতাকক ভাল *বেজী এটা দিলে।* (ভৰণি কৰালে)
ৰীতাৰ লগত অনিমাৰ *কাৎচি* আছিল, আজিহে সিহঁতে *পাক্‌খি* লৈছে। (কাৎচি - নমতা-নমতি ; পাক্‌খি-মিতমাত হোৱা)
সি ল'ৰাটো বৰ *জমনি*। (যাৰ কথা ৰসাল)
*জমনি কথা* কৈ সি বৰ হুঁহুৱায়। (ফুচুৰি কথা)
চিনেমাখন চাই *বিন্দাছ* ভাল লাগিল। (খুব বেছি ভাল লগা)

**৩. *নতুন শব্দ* ঃ**

বাজে, ধান্দা, ধান্দাবাজী, ফায়াৰ, ব'ৰ, মোডী, উৰাই দিয়া, টেমা গৰম, চালিয়া, চালুবস্তু, চাল দিয়া, ফ'ৰ-টুৱেণ্টি, ইয়াঃহু ইত্যাদি। আজিকালি 'টেনচন' শব্দৰ অবাধ গতি। মন-মাৰি থকা, খং-উঠা, মুখ ওন্দোলাই থকা, হতাশ হোৱা, উগুল-থুগুল লগা আদি সকলোৰে ওপৰত 'টেনচন' যেন ৰজা।

**৪. *শব্দৰ চুটি উচ্চাৰণ* ঃ**

Exam (Examination), Mam (Madam), Sem (Semister), Net (Internet), বা (বাইদেউ), Mart (Market), Bye (bye-Bye) ইত্যাদি।

**৫. *অশুদ্ধ প্ৰয়োগ* ঃ**

শুদ্ধ ৰূপটো বন্ধনীৰ ভিতৰত দিয়া হৈছে।

(ক) ও-কাৰ প্ৰায়ে উ-কাৰ হয়।
তুমাৰ (তোমাৰ) ; মুৰ (মোৰ) ; জুন (জোন) ইত্যাদি।

(খ) চতুৰ্থী বিভক্তি অন্তৰ্হিত।
কলেজ যাম, যোৰহাট যাম (কলেজলৈ যাম ; যোৰহাটলৈ যাম)

(গ) চতুৰ্থী বিভক্তি সপ্তমী বিভক্তি লৈ পৰিৱৰ্তন, ঘৰত যাম (ঘৰলৈ যাম) ; বজাৰত যাম (বজাৰলৈ যাম)

(ঘ) চতুৰ্থী বিভক্তিৰ ওপৰঞ্চি প্ৰয়োগ।
তাই গান গাবলৈ জানে (তাই গান গাব জানে)

(ঙ) প্ৰথমা বিভক্তিৰ প্ৰয়োগ নোহোৱাকৈ হোৱা
খুপী আৰু ৰূপী ভয় কৰে। (খুপী আৰু ৰূপীয়ে)

(চ) মিশ্ৰ বাক্য প্ৰয়োগত ব্যৱহাৰ হোৱা 'যি' ৰ পৰিবৰ্তে 'যোন' ৰ ব্যৱহাৰ।
যোনটো বস্তু মই তোমাক দিলো সেইটো বৰ ভাল।

(ছ) পাচনী ক্ৰিয়াৰ অশুদ্ধ প্ৰয়োগ ঃ
সি তাৰ নতুন চোলাটো মোক দেখালে। (দেখুৱালে)
দেউতাই তাৰ হতুৱাই কামটো কৰালে। (কৰোৱালে)

আমাৰ নতুন ঘৰটো তেওঁক দেখাই আহ। (দেখুৱাই আহ)

তাক ক্লাচৰ পৰা ওলাই দিলে। (উলিয়াই দিলে)

সি পে'নটো বেগৰ ভিতৰত সুমাই থ'লে। (সুমুৱাই)

(জ) **ক্ৰিয়াৰ অশুদ্ধ প্ৰয়োগ ঃ**

সপোন চোৱা (সপোন দেখা) ; ৰ'খিবি দেই (ৰ'বি দেই)

শুনি পোৱা নাই (শুনা নাই) ; শুনি নাপাওঁ (নুশুনোঁ)

দেখি নাপাওঁ (নেদেখোঁ) ইত্যাদি।

(ঝ) **ভৱিষ্যত কালৰ নিশ্চয়তা বুজাবলৈ প্ৰয়োগ হোৱা ৰূপৰ অশুদ্ধ প্ৰয়োগ।**

মই যাম কৈছোঁ (মই যাম বুলি কৈছোঁ)

তেওঁ যাম কৈছে (তেওঁ যাব বুলি কৈছে)

ভাষা অশুদ্ধতাৰ এয়া কেইটামান উদাহৰণহে। ভাষাৰ শুদ্ধতা ৰক্ষা নহ'লে শিশুসকলে এই অশুদ্ধ ৰূপকে শুদ্ধ ৰূপ বুলি গ্ৰহণ কৰিব। তদুপৰি অত্যাধুনিক জীৱন ধাৰাই অসমীয়া ভাষাৰ স্বৰূপটোকে সলাই পেলাইছে। ৰাতিপুৱা শুই উঠি ব্ৰাছটো হাতত লোৱাৰে পৰা ৰাতি শোৱাৰ পৰত লাইটৰ ছুইচ অফ্ কৰালৈকে দৈনন্দিন জীৱনৰ বেছিভাগ শব্দই ইংৰাজী ভাষাৰ শব্দ। তথাপি সিও অসমীয়া ভাষা।

মানুহৰ মুখৰপৰা নিৰ্গত হোৱা ভাষাৰ যোগেদিয়েই মানুহৰ পৰিচয় পোৱা যায়। ভাষাত প্ৰয়োগ হোৱা শব্দৰ যোগেদিয়েই মানুহ আচৰণ, ৰুচিবোধৰো প্ৰতিফলন ঘটে। গতিকে শব্দৰ শক্তি বহুত বেছি। শব্দ এটা ব্যৱহাৰ কৰাৰ আগতে শব্দটো শ্ৰুতিমধুৰ হোৱা নোহোৱাতোও ভাবিবলগীয়া। শালীনতা আৰু মাৰ্জিত ভাৱ প্ৰকাশৰ উপযোগী শব্দহে সাহিত্যত ব্যৱহাৰ হৈ স্থায়ীৰূপ লাভ কৰে। কথিত ৰূপত প্ৰচলিত ভাষাটোৰ সেই গুণবোৰ নাথাকিবও পাৰে। সেই বুলিয়েই তাক আওকাণ কৰাও ভাল নহ'ব। কাৰণ আজি যিটো অমাৰ্জিত, অশালীন বুলি ভবা হৈছে ; হয়তো কালিলৈ সিয়েই মাৰ্জিত আৰু শালীন বুলিও গ্ৰহণীয় হ'ব পাৰে। নতুন চাম লেখকৰ সৃষ্টিশীল সাহিত্যৰ মাজত এই নতুন শব্দ আৰু নতুন ঠাঁচে নিশ্চয় ঠাই পাব। ইতিমধ্যে 'ডাউন দিয়া', 'ক'ভাৰ কৰা', 'ফায়াৰ' আদি শব্দৰ প্ৰয়োগ হৈছেই। ❖

অৱশ্যে ভাষাত নতুনকৈ সৃষ্টি হোৱা শব্দ আৰু ঠাঁচ ভাষাটোত জীণ যোৱা বিধৰ হ'ব লাগে, নতুন হ'লেই যে সি গ্ৰহণীয় হ'ব এনে কথা হ'ব নোৱাৰে। শালীনতা গুণ বিবৰ্জিত হ'লে নতুনকৈ প্ৰচলিত হোৱা ৰূপটো সভ্য সমাজত গ্ৰহণযোগ্য নহয়। তেনেকুৱা নতুন ঠাঁচ বা শব্দসমূহ কথিত ৰূপত প্ৰচলিত হৈ আকৌ ব্যৱহাৰৰ অনুপযোগী হৈ হেৰাই যায়। বিশ্বায়নৰ প্ৰভাৱত অসমীয়া জাতীয় জীৱনৰ আটাইবোৰ দিশতে যি দ্ৰুত পৰিবৰ্তন আহিছে ; সেই পৰিবৰ্তনৰ প্ৰভাৱ ভাষাতো পৰিছে। নতুন চাম যুৱকৰ মাজত প্ৰচলিত ভাষাৰ অৰ্থগ্ৰহণ বৰ্ষীয়ান এজনৰ বাবে বৰ দুৰূহ হৈ পৰিছে।

# The Urgent Need of the Society — VALUE EDUCATION

By
**Dr. Bharati Dutta**
Professor, Dept. of Geography



THERE is urgent need of value education is the present day society and before discussing the need of value education, let us have the clear concept of values. The original Latin word for value is 'Valerie' and it means strong. Value includes a number of beliefs and attitudes. Honesty Kindness, sincerity, mutual cooperation, kinship etc are different values which include a large number of beliefs and attitudes. We should be very clear about the terms belief and attitude. A belief is the clear perception of values and attitude is the affective side of it. So we can say that attitude is the affective side of the values imbibed and behavioral changes take place with the changes in attitudes. In other words inner qualities guide the outer action.

Eternal or Absolute values are moral values and spiritual values. Truthfulness, non-violence, honesty love, sincerity etc are moral values, while the development of spiritual values has been indicated by the feeling of oneness. The mundane values include social values like mutual cooperation respect to each other, political values like (in Indian context) democracy, equality, Justice etc., while development of values for protecting the environment for welfare of the society are the emerging economic values. When these values either absolute or mundane, guide the thoughts and emotions of an individual, his action will be definitely beneficial to the society.

Keeping in view the beneficial effects of the values, there is need for importing value education. Now a days we have seen that peace has been rapidly disappearing from the society. Social offence have been increasing at an alarming rate ; everywhere there are indiscipline and chaos. Such a situation is not at all congenial for progress of the society in general and the individual in particular. Multiplication of human desires is



the main cause of many of the social offences when a person's desires are not fulfilled he becomes discontented and commits offences. Greed, jealousy, egotism, selfishness are the characteristics of a discontented person. Moreover uncontrolled sex impulses also lead to many sex related crimes. Now what we need today is the man of character and here lies the importance of value education as the very aim of value education is to build character. Value education develops right attitude and the right attitude has positive relationship

moral and spiritual values. Again, Dr. Sarvapalli Radhakrishnan in his report of university Education Commission laid emphasis on value education. In his famous book 'Education, politics and war', Dr. Radhakrishnan Wrote 'our education should confirm the spontaneous aims and ambitions of the child's mind which identified itself with the whole of humanity, if false education does not interfere with these natural impulses.

In ancient India, value education was given due importance in the society. The thoughts and emotions of an individual of good character are

a righteous living. 'Dharma' in its true sense means righteous living. Keeping in view the true sense of Dharma, it must be re-established through revival of values in the society through value education.

It is said that a child gets his early education from home. Therefore, parents have to play a very crucial role in imparting value education. They should also lead an ideal life. Teacher's value oriented life encourages his pupils. It is a well known phrase that example is better than percept. Society, in general should also show good examples. Apart from this education is a life long process ; so value education is no exception.



**The original Latin word for value is 'Valerie' and it means strong. Value includes a number of beliefs and attitudes. Honesty Kindness, sincerity, mutual cooperation, kinship etc are different values which include a large number of beliefs and attitudes**

with right action. A man of character can bring peace and prosperity to the society with his right action.

The Kothari Commission has recommended that the formation of character should receive due emphasis in the total process of education. According to the commission conscious and organized attempts should be made for imparting education in social

guided by values. As a result his actions are also bound to be good (beneficial to the society). The value education helps an individual to become a man of character. As the value education can change the very mind set of an individual, he knows how to cut his desires and avoid undesired attributes. He acquires the art of purposeful living. Bribery, harassment of any kind are eliminated with the development of right attitudes through value education. It helps in harmonizing one's thoughts, words and deeds and harmony in thoughts words and deeds is the characteristic of the 'Dharmic' person. 'Dharmic' is he who lives

Keeping in view the positive impact of value education in character building thinker, spiritual leaders, various education commission have urged to give stress on value education. Inclusion of value education in the various levels of curriculum has also been emphasized by the education commissions. A man of character gives importance to the various ethos invoke in the society.

Degeneration of values should be regenerated through value education and this is the urgent need of the present day society. ❖



আলোচনা ৪
চিন্তনীয়

# বর্তমান সমাজত এভুমুকি ক অনুভৱ

নিপেন গোহাঁই
*তৃতীয় বৰ্ষ, ৰাজনীতি বিভাগ*



অন্ধকাৰ আজিও শেষ হোৱা নাই ; ইয়াকেই যেন বর্তমান সমাজ ব্যৱস্থাই বুজাব বিচাৰিছে। চাৰিওফালে দিশহাৰা হৈ ৰোৱা সমাজখনৰ প্রতি চিন্তা কৰিবলৈ নাই আজি কাৰো আহৰি। বর্তমান এনে পৰিস্থিতিৰ বাবে কোন দায়ী ? আমি নে আমাৰ পূর্বপুৰুষসকল ? এনেকুৱা এখন সমাজতেইতো বাস কৰিছিল মাদাৰ টেৰেজা, মাহাত্মা গান্ধী আদিৰ দৰে বিশ্ব বৰেণ্য মনীষীসকল ; হঠাৎ আজি ইমান পৰিৱর্তন কিহৰ বাবে ? মানুহে মানুহৰ মাজত বিচাৰি পাইছে ক্রোধ-হিংসা, হেৰুৱাই পেলাইছে মানৱীয়তা। আমাৰ মাজত স্থান পাইছে প্রতিযোগিতাই, যি প্রতিযোগিতাত জয়ী হ'ব, তাৰহে যেন জীয়াই থকাৰ অধিকাৰ আছে। বিখ্যাত বিজ্ঞানী ডাৰউইনৰ সূত্র – 'Surevival of the fittest' – লৈ মনত পৰিছে।



নিজক লৈয়ে ব্যস্ত আজিৰ সমাজৰ গৰিষ্ঠসংখ্যক। সমাজৰ বৃহত্তৰ স্বার্থৰ কথা চিন্তা কৰাৰ অৱকাশ নাই। সকলোফালে কেৱল স্বার্থপৰতা। এজন শিক্ষিত যুৱকে অশেষ কষ্টৰে শিক্ষা লাভ কৰাৰ পাছতো যেতিয়া টকাৰ বিনিময়ত চাকৰিত যোগদান কৰিব লগা হয়। তাৰ মানে শিক্ষাও কিনা বেছা হৈ গৈছে নেকি ?

> নিজক লৈয়ে ব্যস্ত আজিৰ সমাজৰ গৰিষ্ঠসংখ্যক। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ কথা চিন্তা কৰাৰ অৱকাশ নাই। সকলোফালে কেৱল স্বাৰ্থপৰতা।

আমি যিমানেই মানৱীয়তাৰ ঢাক-ঢোল বজাই চিঞৰি নুফুৰোঁ কিয়, দৰাচলতে আজিও প্ৰকৃততে আমি সৌ তাহানি গুহাত বাস কৰা, চিকাৰ কৰি জীৱিকা নিৰ্বাহ কৰা মানুহখিনিতকৈ কোনো গুণে শ্ৰেষ্ঠ নহয়, পৰিৱৰ্তিত সমাজৰ লগত খাপ খুৱাবলৈ যাওঁতে আৰু যে কিমান তললৈ নামিব লাগিব, তাৰ জানো কিবা নিশ্চয়তা আছে ?

পৰিৱৰ্তনশীল সমাজ-ব্যৱস্থাৰ লগত নিজকে খাপ-খুৱাই লোৱাটো উচিত। আমি এইটো কথাও ভালকৈ উপলব্ধি কৰি চোৱা উচিত যে, নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ যাওঁতে, আনৰ স্বাৰ্থত ব্যাঘাত জন্মাইছোঁ নেকি ? পৰিৱৰ্তিত সমাজ-ব্যৱস্থাৰ লগত খাপ-খুৱাই লোৱাৰ অৰ্থ এইটো নহয় যে, আমি সমাজৰ প্ৰত্যেকটো দিশেই গ্ৰহণ কৰিব লাগিব। আমি সেই দিশহে গ্ৰহণ কৰিব লাগিব যি দিশে সমাজখনক যোগাত্মক আদৰ্শ বিলাক প্ৰতিফলিত কৰাত সহায় কৰে। কেতিয়াবা প্ৰশ্ন হয় যে আমি আমাৰ কৰ্তব্যখিনিৰ পৰা আঁতৰি আহিছোঁ নেকি ? কথাটো কিমানদূৰ সঁচা, তাক জানিবৰ বাবে বৰ্তমান সমাজখনৰ ওপৰত এবাৰ চকু ফুৰালেই স্পষ্ট হৈ পৰিব।

বৰ্তমান তীব্ৰগতিত বাঢ়ি অহা ব্যক্তিগত বিদ্যালয়, ব্যক্তিগত খণ্ডত গঢ়ি উঠা নাৰ্ছিংহোম আদিবিলাকে প্ৰকৃততে সমস্যাবিলাক দূৰ কৰা নাই, বৰঞ্চ সমস্যাবিলাক গঢ়ি উঠাত ইন্ধন যোগাইছে। কিয়নো এইবোৰে সমাজত বিভাজনৰহে সৃষ্টি কৰিছে। ব্যক্তিগত খণ্ডত গঢ়ি উঠা বিদ্যালয় বা নাৰ্ছিংহোমবোৰ প্ৰকৃততে অভিজাত সম্প্ৰদায়ৰ বাবেহে। ইয়াত দান-বৰঙণি তথা অন্য ধৰণৰ খৰচ-পাতিৰ হিচাপ ইমান হয়গৈ যে, এনে খৰচ মধ্যবিত্ত পৰিয়ালৰ বাবে কল্পনাহে মাথোন। এনে অনুষ্ঠান-প্ৰতিষ্ঠানৰ আঁৰত সেইসকল ব্যক্তি জড়িত হৈ থাকে যিসকলক সমাজত প্ৰতিপত্তিশালী বুলি গণ্য কৰা হয়। আনহাতে কেতিয়াবা সমাজত ৰক্ষকেই ভক্ষকৰ ৰূপ ধাৰণ কৰাত জীৱন-নিৰ্বাহ প্ৰক্ৰিয়া অধিকাৰ জটিল হৈ পৰিছে। নিৰ্বাচনৰ আগমুহূৰ্তত নেতাসকলে বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতিৰে ৰাইজৰ সমৰ্থন আদায় কৰি ক্ষমতা দখল কৰাৰ পাছত সকলো পাহৰি যায়।

সঘনাই আহ্বান জনোৱা বন্ধসমূহে ভাল ইংগিত দিছে বুলি ক'ব নোৱাৰি। দৰাচলতে এই বন্ধবিলাকে কোনো ধৰণৰ সমস্যা সমাধান কৰাত সহায় নকৰে বৰঞ্চ সমস্যাৰ সৃষ্টিহে কৰে। আজি কোনোবাই বন্ধ দিলে, কাইলৈ অন্য এটা কোনো সংগঠনে বন্ধ দিয়ে। ইয়াৰ অৰ্থ এইটোৱে যে, সকলোৱে নিজৰ ক্ষমতা প্ৰদৰ্শনত ব্যস্ত নিজৰ ক্ষমতা বা ৰাজনৈতিক স্বাৰ্থ পূৰ্ণ কৰিবলৈকে এচামো উঠি-পৰি লাগিছে। ইয়াৰ ফলাফল যে, কিমান ভয়াবহ তাক জানো কোনোৱাই উপলব্ধি কৰিছে ? যিসকল লোকে দৈনন্দিন উপাৰ্জন কৰি জীৱন-নিৰ্বাহ কৰে সেইসকলৰ ওপৰত বন্ধৰ প্ৰভাৱ কিমান হানিকাৰক তাক বুজি পোৱাসকলে কেতিয়াও বন্ধৰ সমৰ্থন নকৰিলেহেতেঁন।

আমি সেই দিশহে গ্ৰহণ কৰিব লাগিব যি দিশে সমাজখনক যোগাত্মক আদৰ্শ বিলাক প্ৰতিফলিত কৰাত সহায় কৰে। কেতিয়াবা প্ৰশ্ন হয় যে আমি আমাৰ কৰ্তব্যখিনিৰ পৰা আঁতৰি আহিছোঁ নেকি ?

আজিৰ নৱপ্ৰজন্মৰ বেছি সংখ্যকে বৰ্তমান সমাজ ব্যৱস্থাক লৈ কিমান সচেতন বাৰু ? এওঁলোক ব্যস্ত হৈ পৰিছে, কিছুমান অৰ্থহীন কাৰ্য-কলাপক লৈ ম'বাইল ফোনৰ সৎ ব্যৱহাৰতকৈ অসৎ ব্যৱহাৰহে বেছি। এওঁলোকৰ মাজত, গান শুনা, ভিডিঅ' চোৱা ইত্যাদিৰ কাৰণেহে যেন ম'বাইলৰ সৃষ্টি হৈছে। সাজ-পোছাক বিলাকৰ পৰা এইটো অনুমান কৰিব পাৰি যে, এওঁলোক শিক্ষানুষ্ঠানলৈ নহয়, যেন কোনোবা ফেশ্যন প্ৰতিযোগিতাতহে অংশ গ্ৰহণ কৰিবলৈ আহিছে। তেনে অৱস্থান এইসকল নৱ-প্ৰজন্মৰ পৰা আমি বিশেষ কি আশা কৰিব পাৰোঁ ? সমাজৰ কথাই বা কি চিন্তা কৰিব এওঁলোকে ?

বৰ্তমান সমাজ-ব্যৱস্থাত প্ৰভাৱ পৰা আন এটি উল্লেখনীয় দিশ হৈছে সাজ-পোছাকৰ পৰিৱৰ্তন। বৰ্তমান বহু মহিলাই যি ধৰণৰ পোছাক পৰিধান কৰে, সেইয়া কোনো সভ্য সমাজৰ পৰিচয় বুলি ক'ব নোৱাৰি। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱেই হওক বা বোলছবি জগতৰ প্ৰভাৱেই হওক, ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

পৰিৱৰ্তনশীল সমাজ-ব্যৱস্থাৰ লগত খোজ মিলাবলৈ যাওঁতে, আমি আৰু কিমান তললৈ নামিব লাগিব সেইয়া সময়হে ক'ব। প্ৰকৃততে আমি কিহৰ ফালে গতি কৰিছোঁ, সেইয়া জানো প্ৰশ্ন হৈ থকা নাই ?

আমাৰ নিজৰ ভুলৰ বাবেই হওক বা আনৰ ভুলৰ বাবেই হওক এটা কথা ঠিক যে, আমি নিজকে জীৱশ্ৰেষ্ঠ বুলি চিনাকি দিয়াটো সাম্প্ৰতিক পৰিস্থিতিৰ কিমান দূৰ সঁচা সেইয়া নিঃসন্দেহে ভাবি চাবলগীয়া কথা। ❖

আ
লো
চ
না
৫

সামাজিক





অসমীয়া সংস্কৃতি, বাৰেবৰহণীয়া কৃষ্টিৰ কল-কাকলিৰে মুখৰিত এয়া আমাৰ সংস্কৃতি। বুঢ়ালুইতৰ দৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চিৰপ্ৰবাহমান এই স্বকীয় সংস্কৃতি প্ৰাণভৰি ভালপোৱা, প্ৰয়োজনীয় ৰক্ষণাবেক্ষণ দিয়া আৰু সময়ৰ সোঁতৰ লগত সংগতি ৰাখি বিকাশ সাধন কৰা প্ৰতিজন অসমীয়াৰে দায়িত্ব। বিশেষকৈ নৱপ্ৰজন্মৰ ওপৰত এই দায়িত্ব আৰু অধিক গভীৰ আৰু গুৰুত্বপূৰ্ণ। কিন্তু বৰ্তমান যেন এক ছন্দপতন ঘটিছে। অতি পৰিকল্পিত ভাৱে অসমৰ বিশাল সংস্কৃতি ক্ষেত্ৰখনত দুষ্কৃতিক প্ৰৱেশ কৰোৱা হৈছে। নৱপ্ৰজন্মক ভুৱা স্বপ্ন আৰু ৰঙীন মৰীচিকাৰে অসমীয়া সংস্কৃতিৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তোলা হৈছে। এই সুচতুৰ চক্ৰান্তৰ ফলত অসমীয়া সংস্কৃতিৰ প্ৰতি নৱপ্ৰজন্মৰ অৱহেলাৰ মনোভাৱ বৃদ্ধি পাইছে আৰু পশ্চিমীয়া সংস্কৃতিৰ বিকৃত আৰু অন্ধ অনুকৰণত নৱপ্ৰজন্ম অভ্যস্ত হৈ উঠিছে। বিগত এটা দশকত এই হতাশজনক প্ৰতিচ্ছৱি অধিক স্পষ্ট হৈ পৰিছে। ই সমগ্ৰ অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰসমূহো যথেষ্ট প্ৰভাৱান্বিত কৰিছে। এই লেখনিৰ যোগেদি সংস্কৃতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ আৰু বিশেষ দিশত নৱপ্ৰজন্মৰ ভ্ৰান্ত দৃষ্টিভংগী, দায়িত্বহীনতা ত্ৰুটিপূৰ্ণ পদক্ষেপ তথা অসমৰ সাংস্কৃতিক আকাশ মেঘাচ্ছন্ন কৰি তোলা কেতবোৰ আমদানি দুষ্কৃতিৰ ওপৰত চমু আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

**বিহু আৰু নৱপ্ৰজন্মৰ কৰ্মৰাজি :**

বিহু আছিল অসমৰ জাতীয় উৎসৱ। বিহু তিনিটা - ৰঙালী, ভোগালী আৰু কঙালী। ইয়াত 'আছিল' শব্দটো এইবাবেই প্ৰয়োগ কৰিবলগা হৈছে, কিয়নো নৱপ্ৰজন্মৰ হাতত অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুটি

# নৱ প্ৰজন্ম
## বনাম
# অসমীয়া সংস্কৃতি
## এক
# সমীক্ষাত্মক আলোচনা

দীলাঞ্জনা দেৱী, ৰাজনীতি বিভাগ, স্নাতক দ্বিতীয় বৰ্ষ



হৈ পৰিছে চান্দাৰ উৎসৰ, চি ডি, মঞ্চৰ কৃত্রিমতা আৰু বাকী কেইটা সুৰাৰ উৎসৰ। বৰ্তমান অসমত ৰঙালী বিহুটি প্ৰায় ছমাহলৈকে চলে বুলি কলেও অত্যুক্তি কৰা নহয়। বিহুক ইমান বিকৃত ৰূপত উপস্থাপন কৰি বিশ্ববাসীৰ ওচৰত অসমক হেয় প্ৰতিপন্ন কৰাতকৈ বিহুক পাহৰি যোৱাই শ্ৰেয়।

### সাজপাৰ বনাম নৱপ্ৰজন্ম:

বৰ্তমান বিশ্ববাসীৰ ব্যস্ততা বাঢ়িছে। ইমানেই বাঢ়িছে যে বহুদেশত মানুহে সাজপাৰ কৰিবলৈকে পাহৰি গৈছে, আকৌ ঘূৰি গৈছে আদিম যুগলৈ। অসমৰ নৱপ্ৰজন্মই পিন্ধিবলৈ এৰি দিয়া নাই, কিবা এটা যে পিন্ধি আছে সেয়াই যথেষ্ট বুলি বহুলোকে স্বস্তিৰ নিশ্বাস এৰিছে। গতিকে এনে সময়ত পৰম্পৰাগত সাজপাৰ আৰু নৱপ্ৰজন্মৰ মাজত জুই-পানীৰ সম্বন্ধ স্থাপিত হৈছে। যুৱক সকলে বিদেশী সাজপাৰেৰে নামঘৰত প্ৰৱেশ কৰিবলৈও কুণ্ঠাবোধ কৰা নাই আৰু যুৱতী সকলো অত্যাধুনিক সাজপাৰত কোনোগুণে পিছপৰি থকা নাই। চুৰীয়া-চোলা আৰু মেখেলা-চাদৰ বৰ্তমান নৱপ্ৰজন্মৰ 'এলাৰ্জি'ৰ এক প্ৰধান কাৰক হিচাপে চিহ্নিত হৈছে।

### গীত-মাত:

অসমীয়া সংস্কৃতি গীত মাতত চহকী। জনা-অজানা গায়কৰ পুৰণি কলীয়া লোকগীত, থলুৱা ধৰ্মীয় গীত-মাত, শংকৰ মাধৱৰ পৰশত উজ্বলি উঠা বৰগীত, আজান ফকীৰৰ জিকিৰ-জাৰী, জ্যোতি-বিষ্ণু, ভূপেন-পাৰ্বতী প্ৰসাদৰ বাছকবনীয়া গীতৰ সম্ভাৰ এই সকলোকে বুকুত সামৰি অসমীয়া সংস্কৃতিয়ে কৰি আহিছে এক সুৰীয়া বৰ্ণিল যাত্ৰা।

কিন্তু বৰ্তমান নৱপ্ৰজন্মৰ অধিকাংশই এই সমূহ গীত-মাতৰ লগত একেবাৰে অপৰিচিত। তেওঁলোক অধিকাংশই ব্যস্ত পশ্চিমীয়া, হিন্দী আৰু আধুনিক (?) অসমীয়া গীতত। প্ৰথম দুটাৰ কথা বাদ দিলেও তৃতীয় বিধে অৰ্থাৎ অসমীয়া আধুনিক গীতে কিন্তু অসমীয়া সমাজ জীৱন, সংস্কৃতিক প্ৰতিফলিত কৰাত দুখলগা ধৰণে ব্যৰ্থ হৈছে। ব্যতিক্ৰম হয়তো আছে ; নৱপ্ৰজন্মৰ ৰুচিবোধতো আৰু আধুনিক গীতসমূহতো। কিন্তু সেই ব্যতিক্ৰম এপাচি শাকত এটা জলকীয়া হৈ পৰিছে।

### সাহিত্য:

সাহিত্য হৈছে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। "সাহিত্য সংগীত কলাবিহীনঃ সাক্ষাৎ পশুঃপচ্ছবিষাণ হীনঃ।" অৰ্থাৎ সাহিত্যৰ অভাৱে মানুহক পশুৰ স্তৰলৈ অৱনমিত কৰে। উপযুক্ত কলা-সাহিত্যৰ অবিহনে একোটা জাতিৰ সংস্কৃতিক মান অধোগামী হয়। অসমৰ সাহিত্যৰ ক্ষেত্ৰখনলৈ চকু ফুৰালে বিভিন্ন ক্ষেত্ৰত কেতবোৰ হতাশজনক প্ৰতিচ্ছবি প্ৰতিভাত হয়। নৱপ্ৰজন্ম সাহিত্যসৃষ্টিত কিমান আগ্ৰহী অথবা নৱপ্ৰজন্মৰ হাতত সৃষ্টি হোৱা সাহিত্যৰ কলাত্মক মান কিমান সেই জটিল প্ৰশ্নসমূহলৈ নগৈ সাধাৰণভাৱেই ক'ব পাৰি যে গৰিষ্ঠ সংখ্যক যুৱক-যুৱতীয়েই অসমীয়া সাহিত্যৰ প্ৰতি মুঠেও আগ্ৰহী নহয়। তেওঁলোকৰ জ্ঞানৰ পৰিসৰ কেৱল পাঠ্যপুথিতেই সীমিত। তদুপৰি অসমত পঢ়ুৱৈৰে সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে। বিভিন্ন জিলা পুথিভঁৰাল সমূহত পঢ়ুৱৈৰ সংখ্যাত চকু ফুৰালেই সদাশয় ব্যক্তিৰ এই কথা চকুত পৰিব। সাহিত্য আৰু নৱপ্ৰজন্মৰ মাজত কোনো 'মণিকাঞ্চন সংযোগ' সৃষ্টি হোৱা নাই, বৰং বহুতো ফাঁক ৰৈ গৈছে।


এতিয়া প্ৰশ্ন উঠিব সংস্কৃতিৰ বিভিন্ন দিশত থকা দায়িত্ব সমূহৰ প্ৰতি পিঠি দি নতুন প্ৰজন্মই কি কি কামতনো ব্যস্ত হৈছে ? কিহে ৰুদ্ধ কৰিছে নতুন প্ৰজন্মৰ সংস্কৃতি প্ৰেম আৰু সৃষ্টি তাড়না ? উত্তৰত চমুকৈ ইয়াকে ক'ব পাৰি যে অসমলৈ আগমন ঘটিছে পশ্চিমীয়া ভোগবাদৰ। নতুন প্ৰজন্মৰ সৰহ সংখ্যকেই এই ভোগবাদৰ চিকাৰ হৈ পৰিছে। আজিৰ চেমনীয়া তথা যুৱচামে সৃষ্টিৰ তাড়না প্ৰশমিত কৰিছে মোবাইলৰ মেছেজেৰে, অৱসাদ আৰু অৱসৰ বিনোদনৰ সংগী হিচাপে বাছি লৈছে বিভিন্ন নিচাযুক্ত দ্ৰব্য, বিভিন্ন কোম্পানীয়ে উভৈনদী কৰা বাছকবনীয়া বাইকৰ দুৰন্ত গতিত বিচাৰি পাইছে পৌৰুষত্ব। তেওঁলোকৰ হৃদয়ৰ পৰা সৃষ্টিৰ তাড়না, মানৱপ্ৰেম, সংস্কৃতিপ্ৰেম, সামাজিক দায়বদ্ধতা কৰ্পূৰৰ দৰে উৰি গৈছে। এয়া আমাৰ নিৰাশাবাদী দৃষ্টিভংগী নহয়, অসমৰ চুকে-কোণে সুলভ হৈ পৰা অপ্ৰিয় বাস্তৱ। দেৱকান্ত বৰুৱাৰ ভাষাত ক'বলৈ হ'লে – 'হায় সময়ৰ সোঁত, সিংহৰ হ'ল সন্তান গাধ অদ্ভুত অদ্ভুত।'

সমাধান ? সমাধান নিশ্চয় আছে। বৰ্তমানো অসমত সুস্থ ৰুচিবোধ সম্পন্ন, সৃষ্টিশীল মনৰ যুৱক-যুৱতীৰ অভাৱ হোৱা নাই। আমাৰ কাম হ'ব তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰা, তেওঁলোকৰ সংখ্যা বৃদ্ধি কৰা। প্ৰয়োজন হ'ব আমাৰ মাজতে সু-নেতৃত্বৰ, অসমৰ সংস্কৃতিৰ আকাশৰ পৰা কলীয়া ডাৱৰ আঁতৰ কৰাৰ বাবে এক সৃষ্টিশীল জীৱনমুখী আন্দোলন গঢ়ি তোলা। ইয়াৰ লগতে সমাজৰ জ্যেষ্ঠ সকলেও নৱপ্ৰজন্মক সঠিক পথৰ সন্ধান দিব লাগিব। প্ৰত্যেক পিতৃ-মাতৃয়ে সন্তানক প্ৰথম এজন অসমীয়া সংস্কৃতিপ্ৰেমী লোক হিচাপে গঢ় দিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব। ভোগবাদৰ বিষাক্ত আঁচোৰৰ পৰা তেওঁলোকৰ সন্তানক যিকোনো মূল্যৰ বিনিময়ত আঁতৰাই . . .

# *Widespread* CORRUPTION *and* Its Impact in the Economy of India

*By* - **Subhashish Gogoi,** TDC 3rd year






**"Power tends to corrupt, and absolute power corrupts absolutely."**

Corruption, the ten later word acts as a black spot to the glory of India. It enriches the doers but makes the whole country malnutritious. India would be a better place without corruption. Just as there are people who believe that overpopulation is our biggest problem, there are others who attribute most of our difficulties to corruption.

**Factors behind corruption :-** We shall first take a brief overview of the factors which nourishes corruption.

(a) **Political Patronage :-** In some cases political interferences are responsible for corruption.

(b) **Administrates Labyrinth :-** Cumbersome and dilatory administrative procedures and practices are other major causes of corruption in India.

(c) **Bureaucracy :-** It we visit any public (govt.) office we will confront some very common scenario --

- No cleanliness.
- No fear. "Dad's office" type of attitude of officials.
- "Babu Raj" "the peons of the govt. officials look more powerful than their bosses".
- "No Bribe No work" principle.

(d) **Lack of Punishment :-** 'Justice delayed is justice denied in most cases of corruption'. "According to law ministry data of 2006, 33,635 cases were pending in supreme

court, nearly 34.2 lakhs cases were pending in high courts. In India conviction rate is only 6%, average disposal time of case in court is 15 - 20 years.

(e) **Social Environment :-** In present day India, corruption has got an acceptance in the social psyche and behaviour. Social evils like bribery, nepotism and favoritism have come to be accepted in the society.

**Consequence of corruption :-** According to supreme court statement - "Corruption in a civilized society is like cancer, which if not detected in time is sure to malignise the polity of the county leading to disastrous consequences. It is termed as a plague which is not only contagious but if not controlled spreads like a fire in a jungle. Its virus is compared with HIV leading to AIDS, being incurable. It has also been termed as royal thievery. The socio - political system exposed to such a dreaded communicable disease is likely to crumble under its own weight. Corruption is opposed to democracy and social order, being not only anti people, but also aimed and targeted at them. It affects the economy and destroys the cultural heritage.

**Impact on the Economy of India :-** High corruption is mainly associated with the following factors:

(i) Higher public investment

(ii) Lower govt. revenue

(iii) Lower investment on operations and maintenance.

(iv) Ensuring low quality of public infrastructure.

According to one of the studies following important points are extracted :

(a) Any corrupted country lowered its public investment by 5% compared to uncorrupted country

(b) If our corruption level will decrease to 'Scandinavian countries' then our investment rates could be increased annually by some 12% and the GDP growth rate by almost 1.5% each year.

(c) Corruption acts as an additional tax on investment by lowering the potential return to an investor on both the initial investment and on subsequent returns.

(d) Corruption also reduces the govt.'s resources and hence its capacity for investment since tax revenues are depleted by tax evasion.

This has two adverse effects : first shifts away from investment in development areas occur as bribe takers are less likely to invest in activities with significant positive social benefits like education and health.

Second, overall investment levels may fall, since conspicuous consumption or flight of illegal earnings is probably higher than legal earnings. The high potential for capital flight of illegal earnings makes corruption more likely to be associated with a negative impact on the balance of payments.

**Social Welfare :-** corruption also has adverse effects on human development.

First, corruption reduces the availability and increases the cost of basic social services. Access to core social services can be easily restricted with the intention to make corrupt gains.

Second, in addition to a decrease in total govt. Expenditure (due to tax evasions), corruption also shifts govt. expenditure. From priority social sector spending' to areas, where the opportunity for rent seeking are greater and the possibilities for detection are lower.

**Conclusion:-** Corruption is an intractable problem. Its is like diabetes, can only be controlled but not totally eliminated. It may not be possible to root out corruption completely at all levels but it is possible to contain it within tolerable limits. Honest and dedicated persons in public life could be the most important prescriptions to combat corruption.

I, here end up with a promise from you that you will be working against corruption to remove it from root. Common citizens of India, let us start working from now onwards with common goal of removing corrupting from India. Think the day, when we will achieve our goal and the whole world will say, "INDIA IS A DEVELOPED COUNTRY". How much happy we will be ! Then only the sacrifices of our freedom fighters will achieve their goal.❖

আলোচনা ৭


শিক্ষা



# বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ, চৰকাৰ, ৰাইজৰ লগতে গণ-সংগঠনৰ দায়িত্ব আৰু ভূমিকা

মিঠুন দাস, স্নাতক তৃতীয় বৰ্ষ

বৰ্তমান অসম বুলি ক'লে সাধাৰণতে বিভিন্ন সমস্যাই অক্টোপাছৰ দৰে চাৰিওফালে আৱৰি থকাৰ দৃশ্য এটা আমাৰ মনলৈ আহে আৰু এই সমস্যাসমূহ ভালদৰে বিচাৰ বিশ্লেষণ কৰিলে আমাৰ মানসপটত বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাটো এক ভয়াবহ ডাঠ কুঁৱলিয়ে আৱৰি থকা যেন লাগে। সমাজ এখন উন্নতিৰ জখলাত আগবাঢ়ি যাবৰ বাবে সমাজখন সু-শিক্ষাৰে শিক্ষিত হ'ব লাগিব। সু-শিক্ষাৰ অবিহনে এখন সমৃদ্ধিশালী, সজাগ-সচেতন,উন্নত সমাজ গঢ়াৰ আশা কৰিব নোৱাৰি। (সুশিক্ষা বুলি কওঁতে সমাজৰ পৰা অন্ধ-বিশ্বাস, কুসংস্কাৰ, ধৰ্মীয়, গোষ্ঠীগত গোড়ামী আঁতৰাই বিজ্ঞানসন্মত মানসিকতা গঢ় দিব পৰা শিক্ষা, খেতিয়ক এজনৰ পৰা চৰকাৰী উচ্চপদস্থ বিষয়ালৈকে ব্যৱহাৰিক জীৱনত প্ৰযোজ্য হোৱা শিক্ষা প্ৰদান কৰাকে চমু অৰ্থত বুজাব খুজিছোঁ)। মানৱ সম্পদ বুলি কলে সাধাৰণতে ছাত্ৰ সমাজৰ কথাই বুজা হয়,কাৰণ আজিৰ এজন ছাত্ৰ কাইলৈ দেশৰ এজন সুনাগৰিক তথা দেশৰ ভৱিষ্যত। এই ছাত্ৰসকলৰ মাজৰ পৰাই আমি গঢ়ি তুলিব লাগিব সুদক্ষ ৰাজনীতিজ্ঞ, দক্ষ প্ৰশাসক, ন্যায়বান বিচাৰক, আদৰ্শ শিক্ষক, বিশিষ্ট সমাজসেৱক ইত্যাদি। গতিকে বৰ্তমান ছাত্ৰ অৱস্থাত থকা দেশৰ এই ভৱিষ্যতক নাগৰিক সকলক উপযুক্ত অৱস্থালৈ উত্তৰণ ঘটাবৰ বাবে যথা সময়ত সু-পৰিবেশত সু-শিক্ষা প্ৰদান কৰিব লাগিব। শিক্ষা যদি মানৱ সম্পদ গঢ়ি তোলাৰ মূল উপাদান তথা মাপকাঠি হয় তেন্তে বিভিন্ন ধৰণৰ দল-সংগঠন, সাহিত্য সংগঠন, ছাত্ৰ সংগঠন, বিদ্বান পণ্ডিত, বিশ্লেষক আদি সকলে বিষয়টো বিশ্লেষণ কৰি সঠিক শিক্ষা প্ৰসাৰৰ বাবে আৰু নতুন প্ৰজন্মক তেওঁলোকৰ সুপ্ত হৈ থকা প্ৰতিভা বিকাশৰ বাবে উৎকৃষ্ট মানৰ শিক্ষা সুনিশ্চিত কৰি পুনঃসংস্কৰণ নকৰে কিয় ? কিন্তু এটা কথা ঠিক, যদি সৰ্বসাধাৰণ খাতি খোৱা ৰাইজৰ গৰিষ্ঠ সংখ্যকেই, ৰাজনৈতিক, আধ্যাত্মিক নৈতিক আদি সকলো ফালৰ পৰা শিক্ষিত হৈ উঠে তেতিয়া এই সকল বিদ্বান লোকৰ সান্দহ খোৱা বালি তল যাব আৰু শোষক শ্ৰেণীটোৰ তীব্ৰতাই ম্লান হৈ পৰিব। বৰ্তমান যিটো শিক্ষা ব্যৱস্থা, এই ব্যৱস্থাই গ্ৰাম্য শ্ৰমজীৱি ছাত্ৰবোৰক প্ৰাপ্যৰ সমমৰ্যাদাৰে চহৰৰ ছাত্ৰ এজনৰ তুলনাত হেয় কৰি তুলিছে আৰু এই ব্যৱস্থাই সৰ্বসাধাৰণ খাতি খোৱা ৰাইজৰ প্ৰতি চৰকাৰৰ অৱহেলিত দৃষ্টিভংগীকে উদঙাই তুলিছে। আমি যদি ভালদৰে পৰ্যালোচনা কৰি চাওঁ তেতিয়া দেখিম যে বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ চৰম উন্নতিৰ দিনত চহৰৰ






উন্নত স্কুল কলেজবোৰত ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ তথা ইণ্টাৰনেটৰ দ্বাৰা শিক্ষা প্ৰদান কৰা সময়ত গ্ৰাম্য স্কুলত সুস্পষ্টকৈ শ্ৰেণী কোঠা নথকা, বেঞ্চ-ডেক্সৰ অভাৱ, এজন শিক্ষকেই প্ৰধান শিক্ষকৰ পৰা আৰম্ভ কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কামো কৰিবলগীয়া হোৱা উদাহৰণ আমাৰ মাজত সহজলভ্য। য'ত চহৰৰ স্কুল কলেজবোৰত Subject তো বাদেই আনকি প্ৰতি Chapter ৰ প্ৰতি শিক্ষক থকা অৱস্থাত আজি গ্ৰাম্য স্কুলৰ ছাত্ৰই অফিচে-অফিচে শিক্ষকৰ অভাৱ বুলি স্মাৰক পত্ৰ দিয়াৰ উপৰিও আন্দোলনৰ কাৰ্যসূচী চলাবলৈ বাধ্য হৈছে। সেয়েহে আজি গ্ৰাম্য সমাজৰ ছাত্ৰ-ছাত্ৰীয়ে বহু সময়ত আৰ্থিক দুৰ্বলতাৰ বাবেই হওঁক বা বিদ্যালয়ৰ পাঠদানৰ বেমেজালিৰ বাবেই হওঁক অকালতে স্কুল-কলেজ ত্যাগ কৰি সমাজখন ক্ৰমান্বয়ে আন্ধাৰৰ ফালে ঠেলি নিছে। এই ক্ষেত্ৰত আমাৰ নৱ-প্ৰজন্ম পণ্ডিত তথা, গৱেষকৰ ভূমিকা অতীৱ প্ৰয়োজন। বৰ্তমান চৰকাৰে কম্পিউটাৰ শিক্ষা সাৰ্বজনীন কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও তাৰপৰা বৰ্তমান ছাত্ৰ সমাজ বিশেষকৈ গ্ৰাম্য সমস্যাৰ ছাত্ৰ কিমান লাভৱান হৈছে সেইটো আমাৰ বিচাৰ্য বিষয়। বৰ্তমান চৰকাৰে কম্পিউটাৰ শিক্ষা প্ৰসাৰৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰিছে, তাৰ ভিতৰত ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনি, আনন্দৰাম বৰুৱা বঁটা (১ম বিভাগত H.S.L.C.পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলৰ বাবে) কিন্তু এইবোৰ আঁচনিৰ পৰা আমাৰ লাভৰ পৰিমাণ কিমান সেইটো আমাৰ অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ বৰ্তমান প্ৰায়বোৰ গাঁৱত বিজুলী বাতিৰ অভাৱ হোৱাৰ লগতে প্ৰায়বোৰ গ্ৰাম্য বিদ্যালয়ত প্ৰয়োজনীয় সংখ্যক শিক্ষকৰ অভাৱ হোৱাৰ বাবে ৰাজীৱ গান্ধী কম্পিউটাৰ স্বাক্ষৰতা আঁচনিৰ বাবে যি দুজনকৈ কম্পিউটাৰ শিক্ষক নিযুক্তি দিছিল তেওঁলোকেও কম্পিউটাৰ শিক্ষাৰ সলনি বিদ্যালয়ৰ পাঠ্যক্ৰমৰ ভিতৰৰ কিতাপ পঢ়াবলগীয়া হৈছে। এনেকুৱা বিভিন্ন ধৰণৰ সমস্যাৰ বশৱৰ্তী হৈ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ স্পৃহা আধাতে স্তব্ধ কৰি আকৌ বিভ্ৰান্ত গণতান্ত্ৰিক নিয়মৰ বশ্যতা স্বীকাৰ কৰি সমাজৰ দুৰ্নীতি-লুণ্ঠন আদি অটুট ৰাখিবলৈ দীৰ্ঘদিন ধৰি উপাদান যোগোৱাত ব্ৰতী আছে।

ইমানবোৰ সমস্যাই শিক্ষা ব্যৱস্থাটো কোঙা কৰি পেলোৱাৰ সময়তো চৰকাৰে কোটি কোটি টকা খৰচ কৰি আছে শিক্ষাখণ্ডত। দেশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ খণ্ড 'শিক্ষা খণ্ড'ত মানৱ সম্পদ বিকাশৰ বাবে চৰকাৰৰ কোনো আঁচনি নাই। যিবোৰ আঁচনি বৰ্তমানে চলি আছে সেইবোৰৰ দ্বাৰা আমাৰ ভৱিষ্যত প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ বাদে অন্য একো নাই। ব্ৰিটিছৰ দিনতে তেওঁলোকৰ প্ৰশাসনিক কাম-কাজৰ সহায়ক হ'ব পৰা মানুহ সৃষ্টিৰ কাৰণে প্ৰৱৰ্তন কৰা শিক্ষা ব্যৱস্থাকে সামান্য সাল-সলনি কৰি বৰ্তমানলৈকে আমাৰ শিক্ষা ব্যৱস্থা ৰূপে বৰ্তাই ৰখা হৈছে। গতিকে এই শিক্ষাৰ যোগেদি আমাৰ নৱ-প্ৰজন্মই উৎপাদনমুখী কৰ্মসংস্থাপন লাভ কৰাৰ সম্ভাৱনা নাই। এই ব্যৱস্থাৰ বিশেষ সংস্কাৰ কৰাৰ বাবে আমাৰ সচেতন মহলৰ কোনো পৰিকল্পনা তথা কাণসাৰেই নাই। বৰঞ্চ আমাৰ শিক্ষিত নিৰনুৱাসকলক কৰ্মমুখী নোহোৱা বাবে তেওঁলোককে দোষ দি চৰকাৰে দায় সাৰিছে। কেৱল কেৰাণী-মহৰী চাকৰিৰ সৃষ্টি কৰা এই শিক্ষা ব্যৱস্থাই মানুহক উৎপাদনমুখী কৰি তুলিব পাৰিব নে নোৱাৰে এটা বিৰাট ডাঙৰ প্ৰশ্নবোধক (?) চিন। যি কি নহওঁক প্ৰচলিত শিক্ষা ব্যৱস্থা পৰিচালনাৰ ক্ষেত্ৰতো চৰকাৰী কাম-কাজৰ বিসং-

সুশিক্ষা বুলি কওঁতে সমাজৰ পৰা অন্ধ-বিশ্বাস, কু-সংস্কাৰ, ধৰ্মীয়, গোষ্ঠীগত গোড়ামি আঁতৰাই বিজ্ঞানসন্মত মানসিকতা গঢ় দিব পৰা শিক্ষা, যেতিয়ক প্ৰজন্মৰ পৰা চৰকাৰী উচ্চপদস্থ বিষয়ালৈকে ব্যৱহাৰিক জীৱনত প্ৰযোজ্য হোৱা শিক্ষা প্ৰদান কৰাকে চমু অৰ্থত বুজাব খুজিছোঁ



গতিৰ সীমা সংখ্যাই নাই। আজিৰ চৰকাৰে কোটি কোটি টকা খৰচ কৰি বিদ্যালয়সমূহত ডাঙৰ-ডাঙৰ বিল্ডিং বনাইছে, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰিছে। বহু সংখ্যক বিদ্যালয়ত দেখা গৈছে নতুনকৈ বনোৱা বিল্ডিং কোনো দিন ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। দুপৰীয়া আহাৰৰ বাবে এজনীয়া বা দুজনীয়া শিক্ষকে পাঠদানৰ সময় খৰচ কৰি বজাৰ কৰাৰ উপৰিও ৰন্ধা কামতো মনোযোগ দিব লগা হয়। পুষ্টিহীনতাত ভোগা আমাৰ ছাত্ৰ-ছাত্ৰীসকলক পুষ্টি যোগানৰ নামত অতি নিম্ন মানৰ এসাজ ভাত খুৱাই উপকাৰ কৰিছে নে অনিষ্ট কৰিছে, সেইটো বিচাৰ্য বিষয় হৈ পৰিছে। অসমত এনেকুৱা এটা স্তৰ নাই য'ত দুৰ্নীতিয়ে প্ৰৱেশ কৰা নাই। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া এই বিভিন্ন ধৰণৰ দুৰ্নীতি যেনে - নিযুক্তিৰ ক্ষেত্ৰত, নকল কৰি মেট্ৰিক পাছ কৰি টকাৰে চাকৰি কিনি অনভিজ্ঞ বহু শিক্ষকে বিদ্যালয়লৈ গৈ পাঠদান কৰা। আশ্বৰ্যৰ বিষয়, বহু লাখ-লাখ প্ৰাৰ্থীৰ সাক্ষাৎ লোৱাৰ পাছতো অনভিজ্ঞ ধনীঘৰৰ সকলে নিযুক্তি লাভ কৰাটোকে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দেখা দিয়া দুৰ্নীতিকে সূচাইছে। এই সকলোবোৰ সমস্যাৰ মূল হিচাপে দুনীৰ্তিৰ প্ৰকোপ, গণসংগঠনৰ মতানৈক্য, নৈতিক স্খলন, সুস্পষ্ট বাস্তৱমুখী দৰ্শনৰ অভাৱ, দায়িত্ববোধহীনতা, বন্ধৰ প্ৰকোপ, সজাগতাহীনতা, আইন-শৃংখলাৰ অৰাজকতা, বৃত্তিমুখী আইন আদিবোৰক আঙুলিয়াই দিব পাৰি। গতিকে প্ৰচলিত শিক্ষা ব্যৱস্থাত আমাৰ চকুৰ আগত খেলি থকা এই বিভিন্ন ধৰণৰ সমস্যাবোৰ সমাধানৰ একমাত্ৰ আৰু সঠিক উপায়, "সুস্থ সামাজিক পৰিৱেশৰ মাজত জনসাধাৰণক ৰাজনৈতিকভাৱে সচেতন কৰি তোলা" বুলি আমি ভাবোঁ। শেষত ইয়াকে কওঁ যে ছাত্ৰ সমাজ যিহেতু সমাজৰ অভিন্ন অংগ, গতিকে এই সমস্যাবোৰৰ সমাধানৰ ওপৰত তেওঁলোকৰ ভূমিকাৰ অতীব প্ৰয়োজন। ❖







## মহৎ লোকৰ বাণী

(৩) সত্যৰ দ্বাৰাহে সত্য লাভ কৰিব পাৰি। হিয়া দান কৰিলেহে হিয়া পাব পাৰি। — মাৰ্চেল

(৪) নভবা নিচিন্তাকৈ কোনো প্ৰতিশ্ৰুতি নিদিবা। এবাৰ প্ৰতিশ্ৰুতি দিলে তাক জীৱন দি হলেও পালন কৰিবা। — মহাত্মা গান্ধী

সংগ্ৰাহক - বিজয় চাংমাই



# INDO-CHINA RELATION

By
Runjun Borah
TDC 1st year



India and China are two Asian countries which can be regarded among the world's ancient civilizations. For centuries, they shared advanced ideas, inventions, religions and political traditions. Both the countries have many similarities among the differences. India and China are world's two most populous nations and they also cover a large territorial region of the Asian continent. Both the counties are remarkable in their manpower and have tried their utmost to utilize the human resource. As a result, they are found to have succeeded to a considerable extent for which the west world is becoming alarmist. In the eye of the Americans, both India and China are stealing American jobs - China stealing manufacturing jobs (textile, shoes, furniture, hand tools, consumer electronics etc), while India taking away Information Technology (IT) jobs. With many ups and downs both the countries in contemporary times have reemerged as two superpowers of the world. Hence today the Indo - China relation is an important subject for everyone and also an alarming topic in Asia as well as in the world.

Historically tracing the Indo-China relation we should go back to the golden period of Indian history or the age of the Gupta dynasty where we shall find 'Fahien' the first Chinese pilgrim to have ventured a journey to India and thus bringing with him the initial ties of bonhomie between the nations during the reign of Chandra Gupta II (375 - 413 A.D.). Mention may also be made of another Chinese pilgrim, Hieun Tsang who visited India during the reign of Harshavardhana with the purpose of visiting holy places of Buddhism in India and to collect Buddhist religious books. Buddhism which is now one of the important religions in China had spreaded from ancient India. The wisdom of the Buddha flowed from India to China and in this respect China can be called as a disciple of India. On the other hand the Confuciu's precepts of compassion, humility and right conduct by merciful rulers influenced the behaviour of emperor Ashoka.

The second half of the 20th century began with India becoming independent and later a sovereign democratic republic, while China emerged out of civil wars with the communists in control proclaiming the people's Republic of China. India was among the first signatories to confer diplomatic recognition to the New China. And both the nations signed an important agreement 'PANCHSHEEL' in the year 1954 for their peaceful co - existence. There existed such a cordial relation between the nations that India vigorously supported China's admission to the U.N.

But this relationship of the early 1950s evaporated in no time as communist China activated its borders, harbouring suspicion against India in the wake of the Tibetian



uprisings and the Dalai Lama's escape and receiving asylum in India. And eventually a black spot in the world History was marked in the border war of 1962 when the relationship between the two countries became strained. Chinese Aggression first took place on India's territory in Ladakh. When the Chinese crossed the Mc. Mohan line in 1959, they committed an act of aggression. The Chinese were already in occupation of 12,000 miles of Indian territory when they launched a big offensive on the 20th October, 1962, in the North East Frontier Agency and Ladakh areas. The Chinese forces mounted a large areas and premeditated offensive several points along the Sino-Indian border. In this way China directly contravenes the provisions of the doctrine of PANCHSEEL.

Nevertheless, India and China restored ambassadorial relations in 1976. In this backdrop, the then External affairs Minister Atal Bihari Vajpayee visited China breaking all obstacles representing India in 1979. Once again to make harmony between the nations. Chinese foreign Minister Huang Hua made a return visit to India in 1981. The visit of late Prime Minister Rajiv Gandhi to China in 1988 was a landmark step in India - China relations. It led the way for resumption of political dialogues at the highest levels between the two countries after a gap of almost 28 years. During this visit both sides agreed to develop and expand bilateral relations in every field. It was also agreed to establish a Joint Working Capital on the boundary question to seek a fair and mutually acceptable solution. Besides, there are bilateral exchanges in science and technology, outer space, mining, audit, defense, personnel and culture. To strengthen the relationship Premier Li Peng and president of China Jiang Yemin visited India in 1991 and 1996 respectively. Accordingly 2006 is regarded as the 'India - China friendship year.




India China trade relations are the most important part of bilateral relations between India and China. India-China trade is currently running over $ 20 billion from only $ 1.8 billion in 1989-90. The principal items of Indian exports to China are ores, slag and ash, iron and steel, plastics, organic Chemicals, and cotton. The main items that comprise Chinese exports to India are electrical machinery and equipment, cement, organic chemicals, silk, nuclear reactors, fuels and oils.

China's South-North water Transfer Project has been the present problem of the two countries. Hydrologically, China can be divided into two regions - the humid south and the arid north. For the all round development of the country four mega projects are designed by China to supply water from the southern areas to the dry northern part to increase their food production. The Chinese proposed to divert the Brahmaputra river at source in Tibet to fulfil their purpose which may be a threat for the ecology of north - cast India. So it creates a mental difference of the two nations and talks are going on in different stages to resolve the problem. However Arunachal Pradesh Chief Minister, Dorjee Khandu said that China has formally clarified to India that it is not building a dam over the Brahmaputra river on its side. So it has been a controversial matter at present. It is also remarkable that after the arising of such differences, very recently the two nations have get together for issues relating to climate change. India and China signed a Memorandum of Agreement to establish a partnership in the area for strengthening dialogue and practical cooperation. They agreed to set up an indo China working group on climate change on October 21st that will hold annual meetings alternately in China and India to exchange views on important issues concerning international negotiations and domestic policies and measures. It is also a remarkable relation between the two nations.

In conclusion we may say that both of these Asian giants have their own strengths as well as weaknesses, their own unique cultural traditions and glorious histories. Both the countries too have manifold problems - problems of poverty, unemployment, deteriorating environment due to rapid industrialization, water crises etc. so war battle dispute etc. are all use called for the greater interest of the two nations

The principle of 'give and take' will be the best policy for both. ❖

# পৰিৱেশ সংৰক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা



পল্লৱজ্যোতি হাজৰিকা, দ্বাদশ শ্ৰেণী

ভ্যতাৰ পথত মানুহে যিমানেই আগনাবাঢ়ক কিয় সমস্যাই কিন্তু মানুহৰ পিছ নেৰে। সেয়ে হয়তো সম্প্ৰতি সমগ্ৰ বিশ্বই এক জলন্ত সমস্যাৰ সনুখীন হৈছে। আৰু সেইয়া হৈছে পৰিৱেশীয় সমস্যা। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়েই যে এই পৰিৱেশীয় সমস্যাৰ মূল কাৰণ, সি অনস্বীকাৰ্য্য। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ বাবেই আজি সমগ্ৰ পৃথিৱীতে খাদ্য-দ্ৰব্য, কেঁচা মাল আৰু প্ৰাকৃতিক সম্পদৰ নাটনিৰ সূচনা হৈ বিৰূপ প্ৰতিক্ৰিয়াৰ উদ্ভৱ হৈছে। বৰ্তমান বিশ্বায়ন তথা যান্ত্ৰিকতাৰ যুগসন্ধিত নিতৌ নৱ-নৱ শিল্পোদ্যোগ স্থাপন হোৱাৰ উপৰিও যান-বাহনৰ সংখ্যাও ক্ৰমান্বয়ে বাঢ়ি আহিছে। উন্নত দেশসমূহৰ লগতে তৃতীয় বিশ্বৰ দেশসমূহো বৰ্তমানে পৰিৱেশীয় অৱনতিৰ দ্বাৰা অধিক আক্ৰান্ত হোৱা দেখা যায়। কাৰণ এই দেশসমূহত অৰ্থনৈতিক উন্নয়নৰ নামত আৰু বৰ্দ্ধিত জনসংখ্যাৰ বৰ্দ্ধিত চাহিদা পূৰণৰ স্বাৰ্থত বনাঞ্চলৰ উচ্ছেদ, পাহাৰৰ খনন কাৰ্য্যকে আদি কৰি অনৈতিক কেতবোৰ কামৰ জৰিয়তে তীব্ৰ ৰূপত প্ৰাকৃতিক সম্পদ আহৰণ আৰু ব্যৱহৃত হৈছে। মানুহৰ এনেধৰণৰ কাৰ্যকলাপৰ বাবে বিশ্বত পৰিৱেশ প্ৰদূষণ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। কৃষি-কাৰ্য্যত ব্যৱহৃত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্যৰ পৰা মাটিৰ উৰ্বৰতা কমি আহিছে। জধে-মধে বনাঞ্চলসমূহ কাটি ধ্বংস কৰাৰ ফলত বৰষুণৰ পৰিমাণ কমি আহিছে। যান-বাহন, কল-কাৰখানাবাপৰা নিৰ্গত ধোঁৱা তথা আৱৰ্জনাৰদ্বাৰ মাটি, বায়ু আৰু পানী তিনিওটাই প্ৰদূষিত হোৱাৰ উপৰিও পৃথিৱীৰ গোলকীয় উষ্ণতাও বৃদ্ধি হৈছে। ফলস্বৰূপে অ'জন স্তৰতো ইয়াৰ বিৰূপ প্ৰভাৱ প্ৰতিফলিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰ, জনসাধাৰণ তথা ছাত্ৰ-ছাত্ৰীসকলৰ কৰণীয় বহুতো কাম আছে। পৃথিৱীত জীৱজগত বৰ্তি থাকিবলৈ হ'লে এক সুস্থ পৰিৱেশৰ আৱশ্যক হয়। গতিকে এনে অৱস্থাত পৰিৱেশক ৰক্ষণাবেক্ষণ দিয়াটো নিতান্তই প্ৰয়োজন। স্থানীয়, আঞ্চলিক আৰু বিশ্বজনীন এই তিনিপ্ৰকাৰত বিভক্ত পৰিৱেশৰ অধোগমনক ভেটিবলৈ হ'লে আমি প্ৰাথমিক পৰ্যায়ৰ পৰাই অভিযান আৰম্ভ কৰিব লাগিব।

আজিকালি যিহেতু বিদ্যালয় আৰু কলেজসমূহত 'পৰিৱেশ' বিষয়টোৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে, সেই সুযোগতে আমি ছাত্ৰ-ছাত্ৰীসৰে পৰিৱেশৰ অৱনতিৰ কথালৈ লক্ষ্য ৰাখি পৰিৱেশ সংৰক্ষণৰ কামত নিজকে নিয়োজন কৰা উচিত। এটা কথা ঠিক, কোনো এটা

সমস্যা নিৰাময়ৰ বাবে এক প্ৰকাৰৰ কৌশল বা আঁচনি প্ৰস্তুত কৰাতো যিমান গুৰুত্বপূৰ্ণ ; সিমান গুৰুত্বপূৰ্ণ ইয়াক সফলভাৱে ৰূপায়ন কৰাতো। আৰু এই প্ৰসংগত আৱশ্যক হয় উপযুক্ত পৰিচালন বিদ্যাৰ। গতিকে এনে পৰিচালন বিদ্যাৰ বাবে ছাত্ৰসৱে শিক্ষক-শিক্ষয়িত্ৰী তথা অগ্ৰজসকলৰ সহায় লোৱা উচিত। পৰিবেশ বিজ্ঞানী গিফৰ্ড পিনছ'টে (Giftord Pinchot) পৰিৱেশ সংৰক্ষণৰ মূল উদ্দেশ্য এনেধৰণে দাঙি ধৰিছে –

"আটাইতকৈ বেছি সংখ্যকৰ বাবে আটাইতকৈ বেছি সময়ৰ বাবে আটাইতকৈ ভাল উৎপন্ন কৰাই পৰিৱেশীয় উপাদানসমূহৰ ব্যৱহাৰ কৰা।" গতিকে পৰিৱেশ সম্পৰ্কীয় জ্ঞান, তথ্য আৰু ইবিলাকৰ চৰ্চা কেৱল গৱেষণাগাৰ বা মুষ্টিমেয় কেইজনমান প্ৰকৃতি অনুৰাগীৰ মাজত আৱদ্ধ হৈ নাথাকিবৰ বাবে আমি ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ পৰিসৰ সৰ্বসাধাৰণৰ মাজত ব্যাপক কৰি তুলিব লাগিব। নিজে উপলব্ধি কৰাৰ লগতে আমি আনকো পৰিৱেশৰ প্ৰতি মূল্যবোধৰ বিষয়ে জনোৱা উচিত। অৰ্থনৈতিক উন্নতি আৰু পৰিৱেশীয় অৱনতিৰ মাজত সুষমতা ৰক্ষা নকৰিলে বৰ্তমান আৰু ভৱিষ্যতৰ উভয় পুৰুষে যে কালক্ৰমত বঞ্চনা আৰু সংকটৰ সন্মুখীন হ'ব এই কথা আমি হাড়ে-হিমজুৱে উপলব্ধি কৰিলেহে পৰিৱেশ সংৰক্ষণ কৰা সম্ভৱ। পৰিৱেশ সংৰক্ষণৰ বাবে থকা চৰকাৰী আৰু বেচৰকাৰী সংস্থাবোৰে যিয়েই ভূমিকা নলওঁক কিয় আমি ছাত্ৰসকলে যদি বৃক্ষৰোপণ, পানী সংৰক্ষণ, বান নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা আদিৰ বিষয়ে যদি জনসজাগতা বৃদ্ধি কৰি কেতবোৰ অনুকৰণীয় কাৰ্যসূচী হাতত লওঁ তেন্তে ই নিশ্চয় এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত হ'ব। সেয়ে কওঁ – আহাঁ বন্ধুসকল, আমি সকলোৱে মিলিত প্ৰচেষ্টাৰে এক নিৰ্মল পৰিৱেশ গঢ়ি তোলাত আগভাগ লওঁহি। নহ'লে 'আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক' বোলা কথাষাৰ অনৰ্থক হৈ পৰিব। ❖



*অৰ্থনৈতিক উন্নতি আৰু পৰিৱেশীয় অৱনতিৰ মাজত সুষমতা ৰক্ষা নকৰিলে বৰ্তমান আৰু ভৱিষ্যতৰ উভয় পুৰুষে যে কালক্ৰমত বঞ্চনা আৰু সংকটৰ সন্মুখীন হ'ব এই কথা আমি হাড়ে-হিমজুৱে উপলব্ধি কৰিলেহে পৰিৱেশ সংৰক্ষণ কৰা সম্ভৱ।*




In my great optimistic sprit of writing about so great literary person, I am afraid how successful I will be, but I can assure you of giving at least a sketch. The striking feature of Gorky's life was that he rises from the lower depths of the Russian Social System, before the October Revolution to

# A Pen Portrait of the Great Literary Figure

# Maxim Gorky

BY
Jerry Araf Borgohain
T.D.C. 2nd year



the summit which few men in history has reached.

Gorky was born into the family of guild craftsman. But life and circumstance made him plunge much lower, but nevertheless he has given a very inspiring description of his novels and stories. In the period of blooming youth he had to endure the bitter taste of life as a manual labour. Thus he got better introduced to the evils of unemployment, hunger, beatings and humiliations. From such position he reached the height of world fame.

Gorky in his writing displayed excellent representation of reality because in many cases it was his life experience.

Gorky was strongly against the miserly philistine and also the thief who built his foul welfare by bullying others. In Gorky's bitter writing many critics find the sweetness of life's true joy.

Maxim Gorky can also be interpreted as Man Gorky. Because it was his unconditional faith in Man that gave him the power of unsurpassed writing.

His famous books and beautiful short stories needs no recommendation. Gorky's autobiographical book 'Childhood' or his famous book 'Mother' need to be read by every young students. He was the master of many beautiful short – stories, plays and important books like Tales of Italy, My Apprenticeship, My University, The Arta monavs and Literary criticism and Portraits. His down to earth depiction of life in different circumstances makes one feel as one of the character of work that we go through. In short Gorki's works should be read by intelligent individuals for better understanding life.❖



"Why are u crying ?" A young boy asked his mom "Because I am a women", she told him "I donot understand", he said. His mom just hugged him and said, ". . . and u never will, but that's ok." Later she boy asked his father, "why does mom seems to be crying for no reason ?" "All women cry for no reason" . . . was all his dad could say. The little boy grew up and became a man, stall wandering why women cry. Finally he went on his knees and asked god "God . . . why do woman cry so easily ?" God answered . . . "when I made a women I decided she had to be special. I made her shoulders strong enough to carry the weigh of the world, yet her arms gentle enough to give comfort. I gave her the inner strength to endure child birth and the rejection that will come many times, even from her own children. I gave her a hardness that allows her to keep going and take care of her family and friends, even when everyone also gives up, through sickness and fatigue, without complaint ! I gave her sensitivity to love her children under any and all circumstances, even when her child has hurt he badly! she has the very special power to make a wailing child fell fetter and to quell a tunagers anxiety. I gave her strength to care for her husband despite faults, and I fashioned her from his rib to protect his heart. I gave her wisdom to know that a gud husband never hurts his wife but sometimes tests her strength and her resolve to stand beside him unfalteringly.

" . . . Son, for all these hard work . . . I also gave her some tears to shed. It is hers to use whenever needed and is her only weakness ! When u see her crying, tell her howmuch u love her and all she does for everyone. Even though she still cry, you will have mad her heart fell good."

**"Yes she is special !!"** ❖

# IS SHE SPECIAL ?



*Compiled By -*
**Rupam Goswami,** T.D.C 3rd Year



# ENRICO FERMI (1901- 1954)

**Saumen Acharjee,** B.Sc. 3rd year

Fermi was an Italian physicist and Nobel laureate Known for achieving the first controlled nuclear reaction.



He was born in Rome on September 29, 1901. Fermi was educated at the University of Pisa and in some of the leading centres for theoretical Physics in Europe. In 1926, he became professor of theoretical Physics at the University of Rome. There he developed a new kind of statistics for explaining the behavior of electron. He also developed a theory of B-decay and in 1954, invented the production of artificial radioactivity by bombarding elements with neutrons which gives rise to the formation of transuranic elements. In 1938 Fermi received the Nobel Prize for this work. He then went to the United States. He created the first controlled nuclear fission chain reaction in December 1942 at the University of Chicago and worked for the rest of the World war – II (1939 – 1945), at Los Alamos New Mexico on the atoms bomb. After World War II Fermi shifted to “high energy particle physics”. He died of cancer in 28 Nov. 1945.

An element having atomic number 100 is named as Fermium in his honour, discovered a year after his death. ❖

---

# LIGHT PEN


**Tara Shah,** TDC, 3rd year



Light pens are electronic pointers that allow users to modify designs on-screen. The handheld pointer contains sensors that send signal to the computer whenever light is recorded. The computer screen is not lit up all at once, but traced row by row by an electron beam 50 or 60 times every second. Because of this the computer is able to determine the pen’s position by noting exactly when the pen detects the electron beam passing its tip.

Light pens are often used in computer aided design and computer aided manufacture (i.e. CAD and CAM) technology, because of the flexibility they provide. ❖






Smile is an expression on a person's face that expresses the peace of heart and purity of mind. A Smile costs nothing and also does no harm. A person with a smiling face, liked by all than a person with an angry face. Smile delights the mind and gives us good mood, at the same time a smiling face acts as a medicine which can even heal the sick, in the sense a smile can delight their mind and make them forget their pain for a while. As we know, smile is the main ornament of a human face. Its very good and useful in many ways. A well dressed person without a smile in his face simply

# SMILE

**By - Punam Singh,** H.S. 2nd Year



*Smile is an expression on a person's face that expresses the peace of heart and purity of mind.*

looks glowless. As we all know smile costs nothing, but it gives much, it enriches those who receive, without making poorer those who give, it takes a moment, but the memory of it sometimes lasts forever. A smile creates happiness in the home, fosters good will in business and is the countersign of friendship. It brings rest to the weary, cheer to the discouraged, sunshine to the sad and it is nature's best antidote for trouble, yet it cannot be bought, begged, borrowed, or stolen, for it is something that is of no value to anyone until it is given away.'

On the other hand, smile is the Art of Happiness. Mastering the 'Art of Happiness' is the key to living a beautiful and successful life yes not money, not power, but happiness. This is that elusive object which we are all running after, all yearning for. Happiness is very difficult to define and put into a few words, but it is essentially that state of mind where we are completely satisfied with us, and our lives, and we are at peace with ourselves. As simple as this may sound, the art of happiness is the most difficult state to achieve. Sages and philosophers have been trying to find the perfect solution to achieve this art of happiness for millions of years. However the only way to master the art of happiness is to be happy with oneself. If I am happy with myself, my work, the people around me then I am happy, and the simplest way to master this unique art of happiness is to 'Smile'. Yes smile ! if you can smile through all the adversities and problems in your life, then you have perfected the art of happiness. This state can be achieved only when you have a positive attitude. The art of happiness cannot be

achieved if you are pessimistic, and have a negative attitude. It is only when you can smile even in the face of adversity or when the chips are down, even when things are not exactly going our way, then if can be said that you have perfected the art of happiness. The most important lesson that has to be learnt is to have confidence in yourself, and give yourself respect.

The art of happiness is when you are satisfied with yourself, when you can smile even if you do not have a best of cars, flashy bungalows or more money than your neighbors. A crucial aspect of the art of happiness is also related to make people around you happy. Helping others, and making them happy with your deeds is perhaps the most fulfilling way to master the art of happiness. Even simple everyday things, like greeting people with a smile, helping elders, treating everyone equally creates a positive impact on people. The greatest joy you can have is to see the happiness on the face of others , especially your loved ones as a result of your action. Then, you would have truly mastered the art of happiness. Therefore, always have a positive attitude, do not let greed and selfishness rule your heart, and you will have perfected this mysterious art of happiness. It seems to be strange but it's true. Studies have proved that just pretending to be cheerful, speaking in a happy tone, wearing a great smile and walking confidently can actually trigger joy.

This is the simplest way of proving that smile is a very important part of life. ❖

---

# Good News for all Smokers!!

The Filter Tobacco corporation on its Golden ... wish all smokes of all ages to join our biggess "Anniversary Sllrest Draw. . ."

. . . Where every smoker is a sure winner. All smokers have a chance to win our major prizes.

1st Prize – A brand new Cancer, Gingivitis, Goitre, Asthma.

2nd Prize – Hepatitis, Hypertension and Cerebral tumour.

3rd Prize - Rheumatic heart diseases.

Smokers also have a chance to win our consolation prizes which has, tartar deposit bad breath, stained teeth, loss of appetite and swelling gums.

Remember, the more sticks puff, the more chances of winning. Our fabulous prizes are waiting. U may be the winner!

This promo is a limited offer see your X-Ray results for more details. Winner ! claim your prizes at the nearest funeral homes !! Hurry ! deposit ur grand prizes at the nearest cemetory!!!

**Compiled by -**

**Rupam Goswami** ❖



আলোচনা ১৪


অমানুষিক



# বিশ্ব সন্ত্ৰাস

পল্লৱজ্যোতি হাজৰিকা, উঃ মাঃ ১ম বৰ্ষ

সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে মানুহে সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি সকলো দিশতে আগবাঢ়ি গৈছে। কিন্তু সময়ৰ চাকনৈয়াত এই আটাইবোৰ দিশতে বিস্তৰ প্ৰভাৱ সাধন কৰি এই বোৰতকৈ আৰু এখোপ আগবাঢ়ি গৈছে সন্ত্ৰাসবাদৰ কাৰ্য্যকলাপ। ফলত আগেয়ে হত্যা-সন্ত্ৰাসৰ নাম গোন্ধ নথকা বিশ্বৰ বহু দেশ, বহু ৰাজ্য বৰ্তমান সন্ত্ৰাসজৰ্জৰ হৈ পৰিছে। ক্ৰমাগতভাৱে দৈনন্দিন সংঘটিত হ'বলৈ ধৰা হত্যা, ধৰ্ষণ, লুণ্ঠন, বিস্ফোৰণ আদিয়ে ইবোৰত হত্যা আৰু সন্ত্ৰাসক এটা সাধাৰণ ঘটনাত পৰিণত কৰিছে। কিন্তু কিয় এই সন্ত্ৰাস ? কাৰবাবে আৰু কি লাভৰ আশা বান্ধি সন্ত্ৰাসবাদীসকলে প্ৰাণ কাঢ়ি নিছে নিৰীহ জনতাৰ ? প্ৰায়বিলাক সন্ত্ৰাসবাদমূলক ঘটনাত একো একোটা ক্ষুদ্ৰ বা বৃহৎ ৰাজনৈতিক উদ্দেশ্য জড়িত হৈ থাকে। এই উদ্দেশ্য পূৰণ কৰিবলৈকে তেওঁলোকে জাতীয়তাবাদৰ নামত নৈৰাজ্যবাদৰ নামত, ধৰ্মৰ নামত সন্ত্ৰাসৰ সৃষ্টি কৰিছে আৰু ইয়াৰ বলি হ'ব লগা হৈছে অসহায় সাধাৰণ মানুহবোৰ।




বিশ্বৰ প্ৰায়বিলাক তৃতীয়-বিশ্বৰ দেশৰ লগতে উন্নত দেশবোৰো সন্ত্ৰাসৰ কৱলত। আমেৰিকা, ইজৰাইল, ইৰাক, ইৰাণ, ৰাছিয়া, ভাৰত, পাকিস্তান, বাংলাদেশ, শ্ৰীলংকা, ম্যানমাৰ, নেপাল আদি প্ৰত্যেকখন দেশতে যোৱা কেইবা দশক ধৰি সন্ত্ৰাসবাদীয়ে কূটাঘাতমূলক কাৰ্য্য সংঘটিত কৰি আহিছে। এই বিশ্বসন্ত্ৰাসৰ ঘাই শিপাডালৰ সন্ধান কৰিবলৈ যাওঁতে প্ৰথমেই নাম ল'ব লাগিব আলফ্ৰেড ন'বেলৰ। ১৮৬০ চনত যদি তেওঁ ডিনামাইট আৱিস্কাৰ নকৰিলহেঁতেন তেনেহ'লে হয়তো আজি পৃথিৱীখনত সন্ত্ৰাসবাদৰ এই ধ্বংস লীলা নচলিলহেঁতেন। কিন্তু আলফ্ৰেড ন'বেলক সন্ত্ৰাসবাদী আখ্যা দিয়া নহয়। তেওঁৰ মহান আৱিস্কাৰক কোনোৱে এইক্ষেত্ৰত তেওঁক দোষাৰোপ নকৰে। বৰঞ্চ বিশ্বৰ আটাইতকৈ দামী বঁটা তেওঁৰ নামেৰেই, তেওঁৰ উপাৰ্জিত ধনেৰেই প্ৰদান কৰা হয়। এক হিচাপে চাবলৈ গ'লে ৰাষ্ট্ৰসন্ত্ৰাসেই সকলো সন্ত্ৰাসৰ মূল। ৰাষ্ট্ৰই সৃষ্টি কৰা



অৰ্থনৈতিক শোষণ, লুণ্ঠন তথা ৰাজনৈতিক অপশাসন আদি ৰাষ্ট্ৰসন্ত্ৰাসৰ ফলত সামাজিক তথা সাংস্কৃতিক পৰিৱৰ্তন হৈছে। ইয়াৰদ্বাৰা পাৰম্পৰিক সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধৰ স্খলন ঘটিলে। ইবোৰে সমাজ তথা বিশ্বত সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক অসুৰক্ষাবোধৰ সৃষ্টি কৰি তুলিছে। লগতে দৰিদ্ৰতা, নিবনুৱা হতাশা আদিয়ে সন্ত্ৰাসৰ সৃষ্টিত এক উৰ্বৰ ভূমি ৰচনা কৰিছে। এইবোৰৰ বাবেই সমগ্ৰ বিশ্বৰ লগতো আমাৰ দেশৰ উত্তৰ পূৰ্বাঞ্চলতো বিভিন্ন উগ্ৰপন্থীৰ দলে ৰক্তবীজৰ দৰে মূৰ দাঙি থিয় দিছে। আলফা, ডি.এইছ.ডি., এন.এছ.চি.এন., এন.ডি.এফ.বি., হুজি আদি সংগঠনবোৰৰ ইয়াৰেই উদাহৰণ। এই দলসমূহৰ সম্প্ৰতি সমগ্ৰ বিশ্বতে সন্ত্ৰাসৰ সৃষ্টি কৰি অহা আন্তৰ্জাতিক সন্ত্ৰাসবাদী দলসমূহ যেনে – অল-কায়দা, মৌলবাদী বা জেহাদী, লস্কৰ-ই-তৈবা আদিৰ সৈতে যোগাযোগ স্থাপন হৈছে। লগতে অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰশিক্ষণো লাভ কৰিছে। এনে এক পৰিঘটনাৰ মাজতেই যোৱা ৩০ অক্টোবৰ, ২০০৮ তাৰিখে অসমৰ গুৱাহাটী, বঙাইগাওঁ, কোকৰাঝাৰ, বৰপেটা আদি ঠাইত বিস্ফোৰণ ঘটাই অসম ভূমিক ৰক্তাক্ত কৰি তুলিলে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমগ্ৰ আকাশ সন্ত্ৰাসৰ ক'লা ডাৱৰে ছানি ধৰিলে। বাটে-পথে, বজাৰে-সমাৰে কমি আহিল মানুহৰ সমাগম। দেখিবলৈ পোৱা গ'ল কেৱল তেজেৰে লুতুৰি-পুতুৰি নিহত বা আহতসকলক আৰু তেওঁলোকৰ দেহৰপৰা ছিন্ন-ভিন্ন হৈ যোৱা হাত-ভৰিবোৰ। আহতসকলক সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিল বিদ্যালয়-মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী তথা দেশৰ নাগৰিকসকল। অসমৰ প্ৰতিখন ঠাইতে দেখিবলৈ পোৱা গ'ল প্ৰতিবাদ সমদল, প্ৰতিবাদী সভা, ক'লা বেজ পৰিধান, মৌন-প্ৰাৰ্থনা, বন্তি প্ৰজ্বলন ইত্যাদি। কাগজে-পত্ৰই বাঢ়ি আহিল ঘটনাৰ সন্দৰ্ভত চৰকাৰী নেতাৰ মন্তব্য, ঘটনাত জড়িত সম্ভাব্য দল, আৰক্ষীৰ অনুসন্ধানৰ অগ্ৰগতিৰ বাঢ়িল। কিন্তু বাঢ়ি নাহিল মানুহৰ সুৰক্ষাৰ কথা! এনে এক মৰ্মান্তিক ঘটনাৰ কিছুদিনৰ পাছতেই পুনৰ এক নাৰকীয় ঘটনাৰ খবৰ পোৱা গ'ল। কিন্তু এই উত্তৰ-পূৰ্বাঞ্চল আক্ৰান্ত নহ'ল; আক্ৰান্ত হ'ল মুম্বাই। যোৱা ২৭ নৱেম্বৰ, ২০০৮ তাৰিখে দেশৰ অন্যতম প্ৰধান চহৰ মুম্বাইত ১৯০৩ চনত প্ৰতিষ্ঠিত তাজ-হোটেলত দেশী-বিদেশী বহুলোকক পাকিস্তানী সন্ত্ৰাসবাদীয়ে পণবন্দী কৰি হত্যা কৰাৰ ঘটনাই দেশখনৰ লগতে সমগ্ৰ বিশ্বকে জোকাৰি থৈ যায়। লগতে দেশক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দুৰ্বলতাৰ কথাও উদঙাই দিয়ে।

এই সকলোবোৰ কথা চালি-জাৰি চালে দেখা যায় যে ৰাজনৈতিক প্ৰক্ৰিয়াৰেহে সন্ত্ৰাসবাদৰ কাৰ্য্যকলাপ ৰোধ কৰা সম্ভৱ। কিন্তু এই গুৰুত্বপূৰ্ণ বিষয়টোক সম্পূৰ্ণ আওকাণ কৰি সন্ত্ৰাসৰ নিৰ্মূল কাৰ্য্য লগাই দিছে পুলিচ-মিলিটাৰী আদি। দুয়োপক্ষৰ এনে বিবেচনাহীন কাৰ্য্যৰ বলি হয় কেৱল সাধাৰণ মানুহবোৰ। সন্ত্ৰাসবাদৰ প্ৰধান ঘাটি থকা ঠাই যেনে – পাকিস্তান, বাংলাদেশ, ইৰাক আদি দেশবোৰতো চৰকাৰৰ অমনোযোগিতাইও সন্ত্ৰাসৰ পৰিসৰ বৃদ্ধি কৰাত অধিক অৰিহণা যোগাইছে। যদিহে দেশবোৰৰ মাজত, দেশৰ মানুহবোৰৰ মাজত ভাতৃত্ববোধ, স্বদেশ-প্ৰেম আদি অধিক কটকটীয়া হয় তেহে বিশ্বৰ পৰা, এই সমাজৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰিব পৰা যাব। দেশৰ প্ৰতি শিথিলতা হৈ অহা মানুহৰ আনুগত্যৰ জৰিডাল অধিক শক্তিশালী হোৱাটো অতি প্ৰয়োজনীয় হৈ আহিছে। এই সকলোবোৰ দিশতে সামগ্ৰিকভাৱে আগবাঢ়ি যোৱাটো আমাৰ সকলোৰে বাবে নিতান্ত আৱশ্যক। ❖



উৎস - অন্তৰ্জাল

*সন্ত্ৰাসবাদীয়ে নামানে জাতি, বৰ্ণ, ধৰ্ম। তেনেদৰে বিচাৰি নাপায় নাৰী, পুৰুষ কিম্বা শিশুৰ কেঁচা তেজ-মঙহৰ গোন্ধ। কেৱল নিৰীহজনৰ তেজেৰে খাকু খেলি পৈশাচিক আনন্দত মতলীয়া হয় এই চয়তানবোৰ।*





# THE ESSENCE OF MORAL VALUES IN EDUCATION

*By* - **Runjun Borah**, B.A. 1st year

Education is one of the essential requirements of human beings to be a human being in the proper sense of the term. Education cerates the all round development of mental and physical spheres of an individual. Education means any sort of knowledge acquired from books or from instructors. It does not mean only the learning of things from books, passing some examinations, obtaining degrees and ultimately to get a job. People can be well education without going to school and even without learning to read or write. Thus education can be broadly classified into two heads on the basis of the way of acquiring it. They are - formal education and informal education. We call men truly education when, in addition to book learning, we find a well - balanced mind in a properly developed and healthy body.

The total education consists of there components - moral intellectual and physical. Moral education encompasses spiritual education, religious study, philosophical study, the study of social norms and conduct and also the ethical values of life. It is mentionable here that morality are of two types as stated by "Lon L. Fuller" - moralities of aspiration and moralities of duty or duty bound morality. Intellectual education means development of the faculties of the brain and physical education implies development of the body. Now, the question is who will guide the other two will lead the total education. Intellectual education, that is, the faculties of brain can function both in good manner as well as in the manner. We know that brain, the intellectual controller is similar to a computer which, works continuously till death. And if we do not use it in a positive way or do not control its evil side or if we leave our brain idle, it will work in a negative way as it works continuously. Hence we find the proverb in this context "An idle brain is a devil's workshop". So, intellectual quality can be used for evil purpose and for good purpose if guided by morality. Likewise physical education can create a strong and healthy body, a body with proper proportion of carbohydrate, protein, fats, vitamins, minerals etc which may constitute an ideal body but may cause harm to humanity if it is not guided by morality. So from the above discussion, it is revealed that moral education is only eligible to lead the other two components of education for their proper functioning. Very recently, Dr. Pitambardeva Goswami of Assam, one of the scholars of Hindu philosophy said that spirituality is the only way to overcome the present social indiscipline and distress.

That is why it is said that character formation is one of the mottos of education. The society expects many hopes and contributions from a man of character who is in a position to lead the society. On the contrary, a person may destroy the whole society with a single strike.

During the period of introduction of science and technology in education, Gandhiji was worried about the use and misuse or abuse of such development and finally he addressed to mankind reminding that 'Education without character "is a great social sin.



In that context he prescribed the seven social sins as follows:-

(1) Politics without principles
(2) Wealth without work
(3) Commerce without morality
(4) Education without character
(5) Pleasure without conscience
(6) Science without humanity
(7) Worship without sacrifice

In support of the view of Gandhiji it can be summarized that in absence of the moral sphere the whole education will be dull and inanimate which may destroy the inner qualities of mankind, that is love affection kindness, mercy, the quality of judgment in respect of right and wrong, just and unjust etc. so, moral education (at least which carries duty bound morality) should be a must in every stream of education so that, every faculty may produce man of character simultaneously with creating specialist in every field to create a peaceful and progressive society for the future mankind.

---

# D.H.S.K. - My Second Home

*Mysteries of life, yet dignity to hold on. Knowledge to strive, learning that's yearned. A life to choose, education that needs to be fulfilled, a place where I'll have to find, to learn the need far away from home, a seek for the knowledge found a place that provided me all to know beautiful place with nature bound created. Another three years to seek the fruit I'll bear in the end Days possed on with a sign months tuned on with a light. years came without a tear ; cheerfulness that surrounds me proud to be, a part of Kanoi family. Virtues of life, it taught me all; a part from knowledge. Years passed by, days that happened like yesterday yet never felt alone, with teachers and friends all around. Happiness in the air, sadness that trampled suddenly. Never felt defeated with Kanoi as my strength. Yet live will come, soon to bid farewell and end to all those days I have gained as a Kanoian. But never to say goodbye where I leant the due of life. Never to forget the good relation I shared with my family Grateful to teachers who showed and taught us. All that's necessary in life friends that surround me, never felt a moment that I was far away from have the feelings, that guided me D.H.S. Kanoi my second have forever to be with me to miss it when I am gene but to strive for excellence as its rays -*

*"Ever more Better More"*

**By - Govind Borsaikia,** H.S. 2nd year



অনুৰ্বৰা জীৱনৰ গাঁথনিৰ ফাঁকে ফাঁকে
হঠাতে জিলিকি উঠা
সেয়ে জানো প্ৰাণ ? জেতিৰ নেজত নচা
প্ৰাণৰ নিখুঁত অভিনয়






এতিয়াও ৰাতি পুৱাই নাছিল। দোকান কেইখনৰ কাষৰ নাৰিকল গছৰ পৰা টপৰ্-টপৰ্ কৈ দোকানৰ টিঙৰ চালিত নিয়ৰ সৰিছিল। ষ্ট্ৰীট লাইটবোৰ নুমাই যোৱাৰ পাছত ডাঠ কুঁৱলিৰে চাৰিওফালে অন্ধকাৰ হৈ পৰিল।

"ঐ কোন আছ আহ ঐ! দাড়িয়াৰ খুন হৈ গ'ল"।


বিকৃত চিঞৰিটো শুনি ৰাস্তাটোৰ এজাক কুকুৰ ৰাও-ৰাও কৈ ভুকি উঠিল। পুৱতি নিশাৰ নিজম সময়খিনি কোলাহলৰ প্ৰতিধ্বনিৰে ঝন্-ঝনাই গ'ল।

ৰাতিপুৱাৰ লগে-লগে দীঘল ৰাস্তাটোত মানুহৰ ভিৰ আৰু ব্যস্ততা বাঢ়ি গ'ল। ৰাস্তাটোৰ কাষৰ দুখনমান দোকান খুব সোনকালেই খোলা হয় যদিও সেইদিনা আটাইকেইখন দোকান বন্ধ হৈ থাকিল। ৰাস্তাটোৰ কাষৰ ফুটপাথত তেজেৰে লেটি হৈ থকা মৃতদেহটোক আৱৰি এজুম মানুহ থিয় হৈ আছিল।

"নুচুবি, কোনেও নুচুবি, ফচি যাবি, পুলিচে আহি যি কৰে কৰিব। তাৰ পৰা আঁতৰি আহ।"

# ষ্টʼন মেন

ৰিণ্টু চেতিয়া, স্নাতক দ্বিতীয় বৰ্ষ



থিয় হৈ থকা মানুহখিনিৰ মাজৰ পৰা কোনোবা এটাই আদেশৰ সুৰত চিঞৰি উঠিল। ফুটপাথত লাগি থকা তেজৰ চেঁকুৰা বোৰ দেখি হাবিবৰ ঘৃণ লাগি গ'ল। মানুহবোৰে আৱৰি ৰখা মৃতদেহটো চাবলৈ মানুহবোৰৰ মাজলৈ সোমাই গৈ সি একেবাৰে মৃতদেহটোৰ ওচৰেই পাইছিলগৈ চিঞৰ শুনি সি পিছুৱাই আহিল। সদায় মানুহৰ কোলাহল আৰু আহ-যাহেৰে ব্যস্ত হৈ থকা টাউনখনৰ মূল বজাৰৰ সন্মুখতে আছে এটা ট্ৰেফিক পইণ্ট। তাৰে পৰা চাৰিওদিশলৈ গৈছে চাৰিটা দীঘল পকা ৰাস্তা। ৰাস্তাকেইটাৰ কাষে কাষেই বজাৰৰ দোকানবোৰ আছে। ৰাস্তাৰ কাষৰ ফুটপাথবোৰত কেইবাখনো মণিহাৰী দোকান বহে। দীঘল ৰাস্তাবোৰৰ মাজে মাজে আকৌ কেইবাটাও গলি অকোঁৰা-পকোৰা কৈ গৈ পকা ৰাস্তা কেইটা সংযোগ কৰিছে। বজাৰখনত সদায়ে মানুহৰ ভিৰ থাকেই। দোকানবোৰ বন্ধ হোৱাৰ পাছত ফুটপাথৰ ওপৰতে দোকানৰ চালিৰ তলত কেইবাটাও ভিক্ষাৰী শুই থাকে। কালিও তেনেদৰেই ভিক্ষাৰী কেইটা নিজৰ নিজৰ জেগাত অলপ দূৰে-দূৰে শুই আছিল। কিন্তু তাৰে দাড়িয়া নামৰ ভিক্ষাৰীটোক লগৰ এটাই তেজেৰে লুতুৰি-পুতুৰি হৈ থকা দেখি চিঞৰ-বাখৰ কৰি উঠিল। লগে-লগেই সকলো উঠি আহিল। মৃতদেহটোৰ মূৰত, গধুৰ শিলেৰে মাৰি আঘাত কৰাৰ স্পষ্ট চিন আছিল। মানুহবোৰে সন্ত্ৰস্ত দৃষ্টিৰে তাতে থিয় হৈ কথা পাতিবলৈ ধৰিলে। ষ্ট'ন মেনৰ আতংকই মানুহবোৰক আকৌ এবাৰ জোকাৰি গ'ল। দাড়িয়াকে ধৰি এতিয়ালৈকে পাঁচটা মানুহ ষ্ট'ন মেনৰ চিকাৰ হ'ল। ৰহস্যৰ আৱৰ্ত্তত সন্ত্ৰাসৰ সৃষ্টি কৰা ষ্ট'নমেনৰ কথা পাতি-পাতি মানুহবোৰ ৰাতি পুৱাবলৈ মৃতদেহটোক আৱৰি তাতে বৈ পৰিল। পুলিচ আহিছে ঐ" বুলি কোনোবাই দূৰৰ পৰা চিঞৰি উঠিল। পুলিচ আহিছে বুলি শুনি কিছুমান মানুহ তাৰ পৰা আঁতৰি আহিল। মৃতদেহটো নিৰীক্ষণ কৰি পুলিচ বিষয়াজনৰ মুখখন কোঁচ



খাই পৰিল। "ইয়াক কোনে প্ৰথম দেখিছিল?" বুলি পুলিচ বিষয়াজনে থিয় হৈ থকা মানুহ কেইটামানক উদ্দেশ্যি সুধিলে।

"লেঙেৰাই দেখিছিল ছাৰ।" কোনোবা এটাই উত্তৰ দিলে।

"আৰু কি দেখিছিল?" মানুবোৰে একো উত্তৰ নিদি মনে-মনে থাকিল।


"মৰিবি, চব মৰিবি, চবকে মাৰি থৈ যাব ৰ, ষ্টʼনমেনে তহঁত চবকে মাৰি শেষ কৰিবৈ যেন পাইছো।" পুলিচ বিষয়াজনে খঙেৰে জোৰকৈ চিঞৰি উঠিল। মানুহবোৰে সহজ দৃষ্টিৰেই পুলিচজনলৈ চাই থাকিল। মৃতদেহটো গাড়ীত তুলি পুলিচ বিষয়াজন গুচি গʼল। মানুহবোৰ এটা-এটাকৈ তাৰ পৰা আঁতৰি আহিল।

মানুহবোৰ আঁতৰি যোৱাৰ পাছত তেজৰ দাগ লাগি থকা ঠাইডোখৰ অলপদূৰৰ পৰা হাবিবে চাই থাকিল। কʼব নোৱৰাকৈ তাৰ কিবা ভয় আৰু দুখ লাগি আহিল। দাড়িয়া ভিক্ষাৰীক সি ভালদৰেই চিনি পাইছিল আৰু ভিক্ষা মাগিবলৈ শিকাইছিল। কথাবোৰ ভাবি ভাবি হাবিব তাতে বহি থাকিল। সেইদিনা তাৰ ভিক্ষা মাগিবলৈ মন নগʼল।

দাড়িয়া ভিক্ষাৰীয়ে কেতিয়াবা বেছিকৈ পইছা পালে হাবিবকে দি দিছিল। কেতিয়াবা কোনোবাই দান দিয়া বস্তু পালে হাবিবক মাতি ভালকৈ থৈ দিবলৈ দিছিল। তাৰ নামটোও বোলে দাড়িয়াই দিছিল। যোৱাকালিও দাড়িয়াই তাক দিয়া দহ টকা আৰু ৰাতিপুৱা তেজেৰে ৰঙা হৈ থকা দাড়িয়া বুঢ়া, ষ্টʼনমেন আদি বহু কথাই হাবিবৰ মনৰ মাজেৰে দোলা দি গʼল। বহি বহি বহুত সময় যোৱাৰ পাছত হাবিবৰ মনটো কিবা উদাস হৈ পৰিল।

ঠাণ্ডা দিন হোৱাৰ বাবে খুব সোনকালেই আন্ধাৰ হৈ পৰিল। দোকানবোৰো সেইদিনা সোনকালেই বন্ধ কৰিবলৈ ধৰিলে। কাপোৰৰ দোকান কেইখনমানৰ সন্মুখতে এদʼম কাগজ জমা হৈ পৰি আছিল। আনদিনাৰ দৰে চাৰি আলিটোত মানুহৰ সিমান ভিৰ নহʼল। হাবিবে জমা হৈ থকা কাগজখিনিত জুই লগাই তাৰ কাষতে বহি থাকিল। লাহে লাহে কুঁৱলি পৰিবলৈ ধৰিছিল। জুই জ্বলি থকা দেখি এটা এটা কৈ কেইটামান মানুহ তাৰ কাষতে আহি বহিলেহি।

"আজি কাৰ পাল পাল পৰিব, ঠিকনা নাই। ভালদৰে থাকিবি নহʼলে কাইলৈ তোৰে মোৰ কাৰোবাৰ লাচ আকৌ পুলিচৰ গাড়ীত ওলমিব লাগিব।" জুইৰ ওচৰত বহি থকা মানুহকেইটা ফুচ-ফুচাই উঠিল।



"ষ্টʼনমেনক পুলিচে ধৰিব নোৱাৰে বুজিছা। আচলতে ষ্টʼনমেন নহয় এইবোৰ চব চৰকাৰৰ পলিচি যেন পাইছো, আমাৰ মানুহবোৰক মাৰি দেশখন চফা কৰিবলৈ। আমাৰ নিচিনা ভিক্ষাৰীবোৰ থাকিলে যে এইখন দুখীয়া দেশেই হৈ থাকিব।" লেঙেৰা বুঢ়া ভিক্ষাৰীটোৱে উচ্চস্বৰেৰে কথাষাৰ কৈ উঠিল। অলপ সময়ৰ বাবে সকলো মৌন হৈ পৰিল। সময়বোৰ বৰ গধুৰ হৈ পৰিছিল। হাবিবৰ মনটো কিবা ভাল নালাগিল। সি তাৰ পৰা উঠি ৰাস্তাটোৰ একেবাৰে শেষৰ দোকানখনৰ টিঙৰ চালিৰ তলতে কাপোৰ পাৰি লʼলে। তাৰ আধা ফটা কম্বলখনকে ভালদৰে গাত মেৰিয়াই সি কুঁজা হৈ শুই লʼলে। এটা এটাকৈ ৰাতিপুৱাৰ কথাবোৰ তাৰ আকৌ মনত পৰিবলৈ ধৰিলে। তাৰ জন্ম বোলে এখন ট্ৰেনত হৈছিল। মাকজনী তাৰ জন্ম দিয়ে মৰি থাকিল। ট্ৰেনত থকা মানুহবোৰে কেঁচুৱা লʼৰাটোকে লৈ হৈ - হাল্লা কৰি থাকোতেই দাড়িয়া ভিক্ষাৰীয়ে তাক লৈ আহিছিল।

কথাবোৰ ভাবি থাকোতেই তাৰ আকৌ এটা শব্দ মনত পৰি গʼল – "বাংলাদেশী"। সিহঁত হেনো বাংলাদেশী আছিল। ইয়াৰ মানুহবোৰে বাংলাদেশীবোৰক খেদি-খেদি কাটিবলৈ ধৰোঁতে কোনোমতে তাৰ মাকে ট্ৰেনত উঠি পলাই আহিছিল। তাৰ মাককো কেইটামানে ধৰি চৰ-গোৰ শোধাইছিলেই। সি তেতিয়া পেটত হয়তো একো গমকে পোৱা নাছিল যে এইখন দেশ তাৰ নহয়। কথাষাৰ মনত পৰি তাৰ কিবা ভাল নালাগিল। সি দেশ-চেশ ভাল নাপায়, ইয়াৰ মানুহবোৰকহে ভাল পায়। ইয়াৰ মানুহবোৰে খুজিলে পইচা দিয়ে। তাৰ বাংলাদেশটো তেন্তে এখন ঘৰ আছে। মাকৰ ঘৰৰ কোনোবা হয়তো বাংলাদেশত থাকিব। ভাবি ভাবি সি পুলকিত হৈ পৰিল। মুখখন উলিয়াই সি এবাৰ বাহিৰলৈ চালে। হঠাৎ তাৰ মনত পৰিল সি আজি একোকে খোৱা নাই। মানুহবোৰৰ ভোক যে কিয় লাগে। তাৰ ভোক-চোক নলগা হʼলে সি হয়তো ভিক্ষাৰী হʼবলগীয়া নহʼলহেঁতেন। তাৰ হাঁহি উঠি গʼল আজি সি নিজৰ হাঁহি-কান্দোনৰ নিজেই লগৰীয়া।

দহমান বজাতেই নিশাটো বৰ গহীন হৈ পৰিছিল। কʼৰবাত খুটুং কৈ শব্দ হʼলেও বহুত দূৰলৈকে শুনা গৈছিল। হাবিবৰ তেতিয়াও টোপনি অহাই নাছিল। দূৰত কুকুৰে ভুকি আছিল। হাবিবে তাৰ কাষেদিয়েই খট্-খট্ কৈ কিবা এটা পাৰ হৈ যোৱা যেন অনুভৱ কৰিলে। তাৰ সৰু কলিজাটো ভয়তে ভুক-ভুকনি বাঢ়ি গৈছিল। সি চক্ খাই উঠি কম্বলখন জোৰকৈ টানি কোঁচি মোচি সোমাই পৰিল। ভয়তে সি থৰ-থৰকৈ কঁপি থাকিল। জোৰকৈ চকু মুদি সি অস্পষ্ট শব্দবোৰৰ অনুসৰণ কৰিবলৈ ধৰিলে। তাৰ অলপ দূৰৰ পৰা ভঙা-ভঙা গেঙনিৰ শব্দ শুনি তাৰ বুকুত কিবা এটাই চেপি ধৰা যেন লাগিল। আজি যেন তাকেই কোনোবাই মাৰি পেলাব ; সি আৰু বাচি নাথাকিব। অস্পষ্ট বিকৃত শব্দবোৰ শুনি শুনি সন্ত্ৰসিত হৈ কঁপি কঁপি বেছিকৈ কুঁজা হৈ সি অচল হৈ পৰি থাকিল। এখন কণমানি হৃদয়ৰ জীৱন যুঁজৰ আস্ফালন পোহৰ হʼবলৈ অৱশ্যে তেতিয়াও বহুত সময় বাকী আছিল। ❖



# সিদ্ধান্ত

**কুকিল ৰাজখোৱা, স্নাতক প্ৰথম বৰ্ষ**




দুৰ্ঘটনা! ৰেলৰ আগত পৰি এগৰাকী মহিলাৰ মৃত্যু হৈছে। নাম অনিমা। আজি সকলোৰে মুখত এই ঘটনাটোৰ সম্পৰ্কে আলোচনা। কিয়নো এইগৰাকী মহিলা কেৱল ষ্টেছনৰেই নহয় অঞ্চলটোৰ প্ৰায় সকলোৰে পৰিচিত। তাই পৰিচিত হোৱাৰ মূল কাৰণ এগৰাকী ভাল অভিনেত্ৰী বা কোনো সমাজ সেৱিকা নহয় কিয়নো তাই এজনী অনাই-বনাই ঘূৰি ফুৰা পাগলীহে মাত্ৰ। মৃত্যুৰ পাছত বহুতৰ মুখত বহুত কথা। কোনোৱে কৈছে মৰিলে ভালেই হ'ল কিয়নো জীয়াই থাকি আনক হে হাৰাশাস্তি কৰিছিল। আকৌ কোনো এজনে কৈছে যে জীয়াই থাকিনো কি কৰিব। মৰিলে ভালেই হ'ল শান্তি আৰু মুক্তি পালে। এনেতে আনটো লাইনত এখন ট্ৰেন আহি ৰৈছিলহি। তাতে আহিছিল ৰঞ্জন তাৰ মোমায়েকৰ ঘৰলৈ। দুৰ্ঘটনাটো যিহেতু ষ্টেছনতে হৈছিল গতিকে সি ৰেলৰ পৰা নামিয়েই মানুহবিলাক তেনেকৈ গোট খাই থকা দেখিছিল আৰু তাকে চাবলৈ গৈ সি সেই দৃশ্য চাই কঁপি উঠিছিল। কিয়নো সি দেখিছিল যে এজনী ২৫-২৬ বছৰীয়া মহিলা তেজেৰে লুতুৰি-পুতুৰি হৈ আছিল আৰু তাইৰ দেহৰ পৰা এখন হাত আৰু এটা ভৰি সম্পূৰ্ণৰূপে বিছিন্ন হৈ আছল। সেই দৃশ্য দেখি ভয়ত তাৰ মুখৰ মাত হেৰাই গৈছিল। তেতিয়াও মানুহবোৰে তাইৰ বিষয়ে কিবা-কিবি কৈ থকা শুনিবলৈ পাইছিল। বিশেষকৈ মুক্তি পোৱা কথাটো। সি কথাবোৰ শুনি ভাবি গমি এটা কথা ভালদৰে বুজিলে যে হয় তাই জীয়াই থকাৰ কালত আন মানুহক হাৰাশাস্তি কৰিছিল কিন্তু তাই মুক্তি পাবলগীয়া কথাটো সি অৰ্থাৎ ৰঞ্জনে বৰ ভালকৈ বুজি নাপাই চিন্তা কৰিবলৈ ধৰিলে। এনে কিছুমান কথা ভাবি যেন তাৰ মনটো একেবাৰে গধুৰ হৈ পৰিছিল। ষ্টেচনৰ পৰা মোমায়েকৰ ঘৰলৈ প্ৰায় ৩০ মিনিট মান সময় লাগে আৰু যাব লাগে অট' বা টেম্পু বিলাকত। সি অট' এখন ল'লে আৰু মোমায়েকৰ ঘৰলৈ বুলি যাবলৈ ধৰিলে। গোটেই ৰাস্তাটো সি মানুহজনীৰ কথাকেই ভাবি গৈছিল আৰু ইমানেই নিমগ্ন হৈ গৈছিল যে মোমায়েকৰ ঘৰৰ পদুলি মুখ কেতিয়া পালেগৈ গমকে নাপালে। সি পদুলি, মুখৰ বকুল জোপা দেখিহে কথা মন কৰিলে। নহ'লে হয়তো ঘৰটো পাৰেই হৈ গ'লহেতেঁন। অট'খনক বিদায় দি আহি সি মোমায়েকৰ ঘৰলৈ বুলি আগবাঢ়ি গ'ল। ঘৰলৈ গৈ সি প্ৰথমেই মুখ হাত বোৰ ধুই ল'লে। তাৰ পাছতহে মোমায়েক মামীয়েকৰ লগত কথা বতৰা পাতি ভাল-বেয়াৰ খবৰ ল'লে। তাৰ মনটোক যেন তেতিয়াও এন্ধাৰ ক'লা ডাৱৰে আৱৰি আছিল তেনে দেখা গৈছিল। ষ্টেছনৰ ঘটনাটোৱে যেন তাক আমনি কৰি আছিল। গোটেই দৃশ্যটো তাৰ মনত সম্পূৰ্ণ ৰূপে ভাহি উঠিছিল। সি বৰ ভোকত আছিল অথচ সি মুখলৈ একোকে নিব নোৱাৰিছিল। সি চিন্তা কৰি আছিল একমাত্ৰ মানুহজনীৰ কথা আৰু লগতে সি আবেগিক হৈ পৰিছিল। তেনেকৈ থকা দেখি মামীয়েকে তাৰ কি হৈছে সুধিলে। তেতিয়া সি মামীয়েকক কথাটো বিৱৰি ক'লে।

> এনেকৈয়ে অত্যাচাৰ চলাই চলাই শাহুৱেকে অনিমাক ঘৰৰ পৰা খেদি দিলে আৰু তাই তেতিয়া হৈ পৰিছিল একেবাৰে নিঠৰুৱা. অকলশৰীয়া তাই ক'লৈ যাব কি কৰিব একোকে ভাবি পোৱা নাছিল . . .



সিমানতে আন্ধাৰো হৈ আহিবলৈ ধৰিলে। তেতিয়া তাৰ কথাবিলাক শুনি মামীয়েকে তাক মানুহজনীৰ বিষয়ে কিছুমান কথা ক'বলৈ ধৰিলে।

... তাইৰ নাম আছিল অনিমা বৰা। প্ৰথম অৱস্থাত তাই এনেকুৱা নাছিল। দেউতাক আছিল এজন ভাল শিক্ষিতলোক। তাই ঘৰৰ একমাত্ৰ ছোৱালী। কলেজ পাছ কৰাৰ পাছত ভাল ল'ৰা এটা চাই তাইক বিয়া দিলে। বিয়াৰ পাছত ছমাহ মান খুব ভালদৰেই পাৰ হৈছিল কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে যেন তাইৰ গিৰিয়েক আৰু শাহুৰ প্ৰকৃত স্বভাৱটো ফুটি উঠিছিল। গিৰিয়েকে প্ৰায় সদায়েই মদ্যপান কৰিছিল আৰু ৰাতি দেৰিকৈ আহি তাইৰ লগত তৰ্ক কৰিছিল। সি সিমানতে ক্ষান্ত নাথাকি অনিমাৰ ওপৰত শাৰীৰিক নিৰ্য্যাতনো চলাইছিল। ইয়াৰ লগতে আকৌ শাহুৱেকে তাইক যৌতুক বিচাৰি ককৰ্থনা কৰিছিল আৰু যৌতুক আনিবৰ কাৰণে দেউতাকৰ ঘৰলৈ পঠাইছিল। এনেকৈ সময়বিলাক অতিক্ৰম হ'বলৈ ধৰিলে। সদায় ৰাতি মদ্যপান কৰি গিৰিয়েকে ঘৰলৈ আহিছিল। এদিন এনেকৈয়ে সুৰামত্ত হৈ গাড়ী চলাই আহোঁতে ৰৈ থকা ট্ৰাক এখনৰ পিছত খুন্দা মাৰি সি থিতাতে মৃত্যু বৰণ কৰিছিল। তাৰ পাছত যেন তাইৰ দুখৰ সাগৰখন আৰু বেছি বহলিহে গৈছিল। শাহুৱেকে পুতেকৰ মৃত্যুৰ দোষ তাইৰ ওপৰত জাপি দিলে আৰু আগতকৈ বেছিকৈ নিৰ্য্যাতন চলাবলৈ ধৰিলে। জীয়েকৰ এনে দুৰ্দশা দেখি অনিমাৰ মাক-দেউতাক দুখিত হ'ল কিন্তু কি কৰিব ভাবিয়েই নাপালে। সেই সময়ত তাই গৰ্ভৱতী হৈ আছিল। কিন্তু শাহুৱেকে তাইক মৰম নকৰি আৰু বেছিহে অত্যাচাৰ কৰিববলৈ ধৰিলে। আনকি তাইক ভালকৈ খাবলৈও দিয়া নাছিল যাৰ ফলত তাই ক্ষীণাই গৈছিল। তাৰ পাছত তাই এটা মৃত সন্তান প্ৰসৱ কৰিলে। এই কথাত শাহুৱেক জনীৰ আৰু বেছি খং উঠিল আৰু আগতকৈ বেছিহে তাইৰ ওপৰত নিৰ্য্যাতন চলালে। ইমানবিলাক দুঃখ পাইও তাইৰ দুঃখ-কষ্টৰ অন্ত পৰা নাছিল। এমাহৰ পাছতে তাইৰ নিজৰ মাক-দেউতাকৰ এক অচিন ৰোগত অগা পিছাকৈ দুয়োজনৰে মৃত্যু হৈছিল। তাইৰযেন জীৱনটো তেতিয়া গুৰি বঠা নাইকিয়া নাওখনৰ দৰে হৈ পৰিছিল। যিখন নাও দুখৰ সমুদ্ৰৰ মাজত আছে আৰু পাৰলৈ আহিবলৈ গুৰি বঠাও নাই আৰু লগতে পাৰো দেখা নাই। নিজকে নিজে তাই বৰ অকলশৰীয়া অনুভৱ কৰিছিল। ইফালে শাহুৱেকে আৰু বেছিহে উপদ্ৰৱ কৰিব ধৰিলে আৰু তাইৰ ওপৰত দোষ আৰোপ কৰিলে যে তাইৰ কাৰণেই নিজৰ পুতেক আৰু নাতিটো হেৰুৱালে। এনেকৈয়ে অত্যাচাৰ চলাই চলাই এদিন শাহুৱেকে অনিমাক ঘৰৰ পৰা খেদি দিলে আৰু তাই তেতিয়া হৈ পৰিছিল একেবাৰে নিঠৰুৱা, অকলশৰীয়া তাই কলৈ যাব কি কৰিব একোকে ভাবি পোৱা নাছিল।



তাৰ পাছত তাই এটা মৃত সন্তান প্ৰসৱ কৰিলে। এই কথাত শাহুৱেক জনীৰ আৰু বেছি খং উঠিল আৰু আগতকৈ বেছিহে তাইৰ ওপৰত নিৰ্য্যাতন চলালে।


নিজৰ আপোন বুলি ক'বলৈও কোনো নাছিল। তাই ভাবি চিন্তি পুলিচৰ সহায় লোৱাটোকে ঠিক কৰিলে আৰু সেই উদ্দেশ্যে তাই পুলিচ থানালৈ গ'ল। কিন্তু তাই উচিত বিচাৰৰ পৰিৱৰ্তে লাভ কৰিলে পুলিচৰ পৰা অভদ্ৰ আচৰণহে। তাই একেবাৰে অকলশৰীয়া হৈ পৰিছিল আৰু অনাই বনাই ঘূৰি ফুৰিছিল। তাই ৰাতিটো পাৰ কৰিছিল ষ্টেচনৰ প্লেটফৰ্মত। এনেকৈয়ে লাহে লাহে তাই মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল। তাইৰ মুখত সদায়েই এটা কথাই আছিল যে তাই নিজৰ গিৰিয়েক আৰু সন্তানক মৰা নাই। ৰেলৰ প্লেটফৰ্মত থকা বা ভিতৰত থকা সকলো মানুহবিলাকৰ ওচৰলৈ গৈ তাই সদায় এই কথাকেই কৈ ফুৰিছিল যাৰ কাৰণে মানুহ বিলাকে তাইক পাগলী বুলি আখ্যা দিছিল। প্ৰায় দুবছৰ মান এনেকৈয়ে পাৰ হৈছিল। কিন্তু আজি হয়তো লাইনটো পাৰ হ'বলৈ লওঁতেই দুৰ্ভাগ্যবশতঃ ৰেল লাইটোত ভৰিখন লাগি ধৰাত প্লেটফৰ্মৰ পৰা ওলাই যোৱা ট্ৰেনখনে তাইক কাটি থৈ গ'ল আৰু অনিমা নামৰ পাগলীজনীৰ মৃত্যু হ'ল।

মামীয়েকৰ পৰা কথাবোৰ শুনি ইমান পৰে কিমান সময় হ'ল সি গমেই নাপালে। যেতিয়া মামীয়েকৰ জীয়েকে তাক ভাত খাবলৈ মাতিলে তেতিয়াহে তেওঁলোকে গম পালে যে বহু দেৰি হ'ল। ভাত খাই থাকোঁতে সি মামীয়েকে ইমান বিলাক কথা কেনেকৈ জানিলে সোধাত মামীয়েকে ক'লে যে তাইৰ ঘৰহেনো তেওঁলোকৰ ঘৰৰ পৰা বহুত বেছি দূৰত নাছিল।

তাৰ পাছত ভাত পানী খাই মামীয়েকে তাক শুবলৈ বিচনান ঠিক কৰি দিলে। শোওঁতে সি একমাত্ৰ মানুহজনীৰ শেষ নোহোৱা দুখৰ কথাবিলাককে মনত পেলালে আৰু নজনাকৈয়ে কোনো সম্বন্ধ নথকা স্বত্বেও যেন মানুহজনীৰ কাৰণে তাৰ মনটো দুখেৰে ভৰি পৰিল। বিধাতাই সৃষ্টি কৰা এই জগতখনলৈ তাৰ ঘৃণা উপজিল। লগতে ঘৃণা উপজিল এই সমাজখনলৈ। এইখনেই জানো সমাজ সচেতন জন সমাজ! ইমান বিলাক সমাজ সচতেন মূলক গোট, সমাজ-সেৱক, সমাজ-সেৱিকা আদি বিলাক ক'ত গ'ল! তাইক সহায়ৰ হাত আগবঢ়াবলৈ কোনো এজন আগবাঢ়ি আহিব পৰা নাছিল নে ? কোনোৱে তাইৰ দুখ বিলাক দেখা নাছিলনে ? কোনোবাই তাইৰ দুখৰ সমভাগী হ'ব নোৱাৰিছিলনে ? এনেবোৰ প্ৰশ্নই ৰঞ্জনৰ মনটো দুখেৰে ভৰাই পেলাইছিল। লগতে তাৰ খং উঠিছিল সেই ৰক্ষক বিলাকলৈ যি নিজকে কয় পুলিচ কিন্তু ৰক্ষকৰ নামত তেওঁলোকেই ভক্ষক। এনে বিলাক কথা ভাবি তাৰ বেছিহে খং উঠিবলৈ ধৰিলে। তাৰ নিজৰেই লাজ লাগিল যে সিও এনে এখন সমাজতেই বাস কৰি আছে, য'ত মানুহবিলাকে নিজকে নিজে ক'ব বিচাৰে তেওঁলোক সমাজ সচেতন কিন্তু তেওঁলোকে প্ৰকৃততে এইটো নাজানে যে, তেওঁলোক আচলতে দেখিও নেদেখাৰ ভাও জোৰা এক অন্ধ প্ৰকৃতিৰ লোক।



ইয়াৰ পাছতে সি এনে সমাজ বিৰোধী কাৰ্য্য-কলাপৰ বিপক্ষে যত সম্ভৱ মাত মাতিব বুলি সিদ্ধান্ত ল'লে আৰু এক নতুন প্ৰভাতৰ কাৰণে সি শান্তিৰে শুই পৰিবলৈ চেষ্টা কৰিলে। ❖



## Don't Quit

When things go wrong
as they sometimes will,
When the road you're trudging
seems all uphill,

Don't quit, but appeal to God.
Don't quit but turn to God.




ঘোঁৰা এটা দাঁত কেইটা নিকটাই হঁহাৰ দৰে শব্দ এটা হোৱাৰ লগে লগে মোৰ সমস্ত শৰীৰটো কঁপি উঠিল। কঁপি কঁপিয়েই মোৰ শৰীৰটোৰে কাষৰ দোকান, লাইট পষ্ট', গছ-গছনি আদিবোৰক লেং মাৰি আগবাঢ়ি গ'ল। কাষৰ ছিটটোলৈ চালো। আৰে খালি! বাকী ছিটবোৰলৈ চালো। Full* মোৰ কাষতহে কোনো নাই। ভাল নালাগিব অকলে অকলে। হঠাৎ ড্ৰাইভাৰৰ গেৰেহা ভৰি হালি গ'ল। যেন ড্ৰাইভাৰক সেৱাহে কৰিছে। খণ্ডত চকুদুটা ডাঙৰ কৰি ড্ৰাইভাৰলৈ চালো। আৰে চকুৰ আগত দেখোন দীপলিপ ছোৱালী। চকুদুটা আৰু ডাঙৰ হৈ গ'ল।

ঃ Excuse me। এইটো এঘাৰ নম্বৰ। মোৰ ছিট বাৰ নম্বৰৰ। যদি বেয়া নাপায় . . .।

ঃ আঁ আঁ কিয় বেয়া পাম। বহক।

ছোৱালীজনীৰ চকুলৈ চালো। অনিচ্ছা সত্বেও খিৰিকীৰ কাষৰ ছিটটো তাইক এৰি দিলো। ছোৱালীজনী বহিল।

# অসীমেই যাৰ সীমা

**প্ৰেমনাথ গঁগে, স্নাতক প্ৰথম বৰ্ষ**



ডিব্ৰুগড় অভিমুখ ছুপাৰখনে ইতিমধ্যে মহানগৰীক এৰি যাবলৈ উদ্যত হৈছে। মনটো ভাল লাগিছে। হওক তেওঁ কাষত এজনী ধুনীয়া ছোৱালী বহি যাব। খিৰিকীৰে সোমাই অহা বতাহ জাকে ছোৱালীজনীৰ চুলিৰ এটা ভাল লগা সুবাস মোৰ নাকে-মুখে সানি দিলেহি। যাঃ চিনাকিয়ে হওঁ। ওঁ . . . সৰস্বতী দেৱীয়ে কিতাপ পঢ়াত লাগিল।

ঃ আপুনি কলৈ যাব ?

ঃ ডিব্ৰুগড়লৈ।

ৰূপহীৰ চিধা উত্তৰ। বৰ কিতাপৰ পোক উলাইছে। যাঃ চিনাকিয়ে নহওঁ। ওঁঠ-মুখ চেলেকী ইফালে-সিফালে চালোঁ। উপায় নাই। ছিটটোত আঁউজি চকু দুটা মুদি দিলো। . . .

নঙলাৰ এটা খুঁটাত এখন হাত থৈ মোলৈ একেথৰে চাই থকা মাক মই আতঁৰৰ পৰাই দেখিলো। বুকুখন এটা পাম্প দিয়া বেলুনৰ দৰে দুহাত মান ফুলি আহিল। "মাতৃৰ অসুখ যদি পুত্ৰ থাকে দূৰে . . ."। ভিতৰৰ পৰা চেনি চুৰ কৰি চোবাই থকাৰ অপৰাধত মাৰ পৰা মাৰ খাই মাৰ বিৰুদ্ধে দেউতাক "অ . . . দেতা, দেতা . . . অ . . ." বুলি কান্দি কান্দি গোচৰ দিয়াৰ দিনৰ দৰে এতিয়াও মোৰ প্ৰতি মাৰ মৰম কমা নাই। সঁচাকে সংসাৰত মাকৰ সমান মৰম চাগে কোনেও দিব নোৱাৰে।

ঃ পালিহি।

ঃ ওঁ

বাইক এখন পাইও ড্ৰাইভিং লাইচেন্সখন নোপোৱাৰ দৰে এটা বেদনাই মাক দেখাৰ লগে লগে বুকুত আহি টপকৈ বহি ললেহি। মাৰ দাঁত এটা সৰিছে। চুলিখিনিয়েও কাউৰীৰ পৰা বগলীলৈ ৰূপান্তৰিত হবলৈ আৰম্ভ কৰিছে।

চিধা ভিতৰলৈ গলোঁ। দেউতাই ড্ৰাইনিং টেবুলত কেইখনমান কাগজ লৈ হাই পাৱাৰ চশমাযোৰ নাকত বহাই কিবা এটা হিচাপ কৰি আছে। সমাজ-সংগঠনৰ 'সম্পাদক' হোৱাৰ পৰম্পৰাটো এই চাৰে তিনিকুৰি বছৰ বয়সতো বাহাল ৰখা দেখি মনটো ভাল লাগি গ'ল।

পীৰা এখন পাৰি বহি ললোঁ।

ঃ বায়েৰে আহিছিল। থাকিব নোৱাৰিলে। তোক মাতি থৈ গৈছে। - মাৰ কথাতহে মনত পৰিল আমাৰ পাঁচজনীয়া পৰিয়ালত 'বৌ' ৰ প্লাচ হোৱাৰ কেইদিনমানৰ পাছতেই 'বাইদেউ'ৰ মাইনাচ হ'ল।

ঃ কাম-চাম কেনে কৰিছ ? -দেউতা আহি মোৰ কাষতে বহিলহি।

ঃ পৰহি নতুন উপন্যাস এখন প্ৰেছৰ পৰা আনি থৈছো। ইয়াৰ পৰা গৈ প্ৰকাশ কৰিম। ক'ৰবাৰ পৰা আহি জুহালৰ গৰম চাহৰ জুতি লৈ প্ৰায় আধাখিনি কথা পাতি পেলোৱাটো আমাৰ ঘৰৰ এটি পুৰণি অভ্যাস।

ঃ তোৰ সেইদিনা চিনেমা এখন চালোঁ। -ফ'নত প্ৰায় সকলোখিনি কথা পতা হয় যদিও যেন সন্মুখত পতাৰ মজাই কিছু বেলেগ। মায়ে মোৰ আগত একাপ চাহ দিলেহি। লগত মই অনা মিঠাই।

চাহ-পৰ্ব শেষ কৰি মুখ-ধুবলৈ কুঁৱাৰ পাৰলৈ গলো। এই নাদটো বহুত পুৰণি। মোৰ বহু অভিজ্ঞতা এই নাদটোৰ লগত জড়িত হৈ আছে। দ' ; দেউতাই আঠথৰীয়া ডাঙৰি পথাৰৰ পৰা আনি পোনে পোনে ভঁৰালত ভৰাব পৰা হৈ থাকোতেই খন্দা। সেইসময়ৰে পৰা ঘৰৰ পৰা দূৰৈত থাকি হায়াৰ ছেকেণ্ডাৰী পঢ়াৰ বাবে মাৰ হাতে ৰন্ধা সদায় খাবলৈ নোপোৱা হলো। বি.এ. পাছ কৰি ডিব্ৰুগড়তে এম.এ.। এম.এ. কৰাৰ এতিয়া চাৰি বছৰ হ'ল। বৰ্তমান গুৱাহাটীত। লেকচাৰৰ চাকৰি। লগতে কেমেৰাৰ আগত নাচি বাগি অভিনেতা নামটোও ল'লো। গুৱাহাটীত অকলে থাকিবলৈ মন নাযায় সেয়ে ভাবিছো এইবাৰ মা-দেউতাক লগত লৈ যাম। নিলে দুয়োকে নিম। জীৱনৰ প্ৰায়খিনি সময় একেলগে কটোৱাৰ পাছত বেলেগে ৰাখিবলৈ মোৰ কিয় কোনো সন্তানৰে ? নাই ? নহলে আৰু নিজৰ ফালেই চাব লাগিব।

দুপৰীয়া ভাত মুঠি খাই বিচনাত বাগৰ দিলো। টোপনি আহিছিল হ'বলা। হঠাৎ কাৰোবাৰ মাতত সাৰ পালো। নবৌ দাদাই শিক্ষকতা কৰা স্কুলৰে সহকৰ্মী বিয়া কৰাই দুয়ো সুখী। মা-দেউতাকো সুখত ৰাখিছে। মোলৈ মৰম আছে নবৌৰ। নবৌ আহি মোৰ কাষত ৰ'ল। বাউসীত ধৰি জোকাৰিলে।

ঃ হেৰি উঠক।

মই টোপনিৰ ভাও ধৰিলো। নবৌক অলপ জোকাওঁ।

ঃ শুনিছেনে উঠক আক'।

মই বাগৰ সলালো।

ঃ উঠক হে। জখলাবন্ধা পালোহি। ভোক লাগিছে নহয়।

চেহ সপোনহে দেখি আছিলো। ৰূপহীয়ে মই উঠালৈ বাট চাই আছে। মোৰ দীঘল দি পেলাই থোৱা দেহাটো পাৰ হৈ যোৱাৰ ইচ্ছা হয়তো নাই। ৰূপহীলৈ চালো। তাই হাঁহিলে।

ঃ হাত মুখ ধুই কিবা এটা খাই লওক। পিছত কথা পাতিম। ৰূপহী নামি গ'ল। বাছৰ সকলো যাত্ৰী ইতিমধ্যে নামি গৈছে। ৰূপহীক যিমান টেঙা বুলি ভাবিছিলো সিমান টেঙা হয়তো নহয়। ভালকৈ এবাৰ হামিৰাই ল'লোঁ।

ঃ কওক।

ঃ কি ? অ' – মই দীপ বৰুৱা। ঘৰ শিৱসাগৰৰ সাপেখাতীত। মোৰ পৰিচয়টো থূলমূলকৈ দিলো।

ঃ শ্যামলী। ভাল নাম। আপুনি কি কৰি আছে ?

ঃ মই সাংবাদিকতাৰ সৈতে জড়িত।

শ্যামলী হাজৰিকা। সাংবাদিক। বৰ সাহসী যেন লাগিছে। মোৰ চকুত কিন্তু তাইৰ ধুনীয়া মুখখনেহে বাৰে বাৰে ধৰা দিছেহি। ঘৰ যোৰহাটতত থাকে গুৱাহাটীত। শ্যামলী কথা চহকী ছোৱালী। অলপ সময়ৰ ভিতৰতে তাইৰ ঘৰ-পৰিয়ালৰ পৰা আৰম্ভ কৰি জীৱনৰ এছোৱা কথা কৈয়ে পেলালে।

ঃ আপুনি লেখক। বৰ্তমান সময়ৰ সমস্যাৰ ওপৰত আমি লেখক-সাংবাদিক সকলে একেলগ হৈ কাম কৰিলেহে সফলতা লাভ কৰিব পাৰিম। সাংবাদিক শ্যামলীয়ে বৰ্তমান সময়ৰ সমাজৰ ওপৰত এটা ডাঙৰ ভাষণ দিলে, মইও যোগ দিলোঁ।

ঃ অ' সোধাই নাই। আপুনি ক'লৈ যাব ?

ঃ প্ৰথমে ডিব্ৰুগড়লৈ। তাত এটা কাম আছে। কাইলৈহে ঘৰলৈ যাম।

কিছু সময় নিৰৱতা। ৰূপহী শ্যামলীয়ে বাহিৰলৈ একান্তমনে চাই গৈছে। মইও অলপ ইফালে-সিফালে চালো। সকলো মানুহ নিজতে বিভোৰ। মই কাইলৈ গৈ দাদাক মা-দেউতাক মোৰ লগত ৰখা কথাটো কমগৈ। দাদাই আপত্তি কৰিবও পাৰে। আৰু গাঁও এৰিয়ে মা-দেউতা আহিব তাই পূৰামাত্ৰাই সন্দেহ আছে। শ্যামলীলৈ চালো। উপায় নাপালে আৰু . . . । শ্যামলী হাজৰিকা শুই পৰিছে। মোৰ আকৌ সপোন দেখিবলৈ মন নগল। বাছৰ মানুহবোৰৰ কথা ভাবিলো। সকলোৰে চাগে মোৰ দৰেই এটা এটা উদ্দেশ্য লৈ, সপোন দেখি বাছত উঠিছে। চকু দুটা অনিচ্ছা সত্বেও মুদ খাই গ'ল।

ধু থ্ ম্ . . . ম। হঠাৎ এটা ডাঙৰ জোকাৰণি অনুভৱ কৰিলো। এটা কৰ্কশ মাতে মোৰ কাণ দুখন ঠিলা মাৰি ধৰিলে। এটা টিঁ . . . ৰ দৰে শব্দৰ বাহিৰে মই একো শুনা নাই। পিছলৈ চালো। আমি অহা বাছখনৰ পিছৰ অংশ ওপৰলৈ লাহে লাহে উৰি গৈছে। মানুহবোৰৰ মাংস পিণ্ডবোৰ অ'ত ত'ত সিঁচৰতি হৈ পৰি গৈছে। সকলোবোৰ কেৱল ৰঙা ৰঙা। মইও গৈ ৰাস্তাৰ ওপৰত পৰিলোগৈ। মই একো শুনা নাই মাথো অনুভৱ কৰিছো আৰু দেখিছো মানুহবোৰে ইফালে-সিফালে দৌৰা দৌৰি কৰি আছে। সাংবাদিক শ্যামলী হাজৰিকাৰ ধুনীয়া শৰীৰটো মোৰ কাষতে ৰঙা মাংসপিণ্ড হৈ পৰি গ'ল। মোক দুজনমান লোকে দাঙি নিয়াৰ দৰে অনুভৱ কৰিলো। তাৰ পাছত আৰু মোৰ একো মনত নাই। ❖

